Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## মাতৃ শোক পাহৰি আদালতত ন্যায়াধীশ

**নতুন দিল্লী, ২৩ মে':** ব্যক্তিগত শোক একাষৰীয়া কৰি এগৰাকী ন্যায়াধীশৰ পেছাদাৰী কৰ্তব্যৰ আদৰ্শ দাঙি ধৰিলে ৪ পৃষ্ঠাত

SATURDAY, MAY 24, 2025 ■ শনিবাৰ, ৯ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৬ Guwahati, Assam ।। মূল্যঃ এটকা

### সৰ্বাত্মক বন্ধত স্তব্ধ দুলীয়াজান নগৰ

## তনু শ্বাহীক 'মাফ', থলগিৰিকহে হেণ্ডকাফ!

**ই-সংবাদ, দুলীয়াজান, ২৩ মে':** এদিনৰ বাবে স্তব্ধ হৈ পৰিল তৈল নগৰী দুলীয়াজান। বি এন সিং তেল ডিপু-কাণ্ডত একাংশ লোকক উদ্দেশ্যি শেষাংশ ৮ পৃষ্ঠাত



## মাজুলীত বক্সিঙৰ উপমা দি মুখ্যমন্ত্ৰীক গৌৰৱ গগৈৰ নতুন প্ৰত্যুত্তৰ

**ই-সংবাদ, ২৩ মে':** পাক সংযোগৰ অভিযোগক লৈ ধাৰাবাহিক বিজেপি আক্ৰমণাত্মক ৩ পৃষ্ঠাত

### জাতিৰ অপমানকাৰীক গ্ৰেপ্তাৰৰ দাবী ভিন্ন দল-সংগঠনৰ

## আটক পুৰা, নিশালৈ মুকলি হ'ল শৃংখল চলিহা

**ই-সংবাদ, শিৱসাগৰ, ২৩ মে':** আটক কৰাৰ ২৪ ঘণ্টা নৌহওতেই বীৰ লাচিত সেনাৰ শৃংখল চলিহাক অৱশেষত মুকলি কৰি দিবলৈ বাধ্য হ'ল ডিব্ৰুগড় আৰক্ষী। শুকুৰবাৰে নিশাৰ ভাগত ডিব্ৰুগড় আৰক্ষীয়ে শিৱসাগৰ আৰক্ষীক ২ পৃষ্ঠাত



## চাকৰিৰ পৰা নিলম্বিত এচিএছ শৰ্মিষ্ঠা বৰা

**ই-সংবাদ, ২৩ মে':** সাংসদ পুঁজি আবণ্টনৰ নামত ভয়ংকৰ কেলেংকাৰী সংঘটিত কৰা ১৯ পৃষ্ঠাত

## ড'নাল্ড ট্ৰাম্পৰ বিৰুদ্ধে আইনী যুঁজ হাৰ্ভাৰ্ডৰ

**কেম্ব্ৰিজ, ২৩ মে':** বিদেশী শিক্ষাৰ্থীৰ নামভৰ্তিক লৈ তুংগত উঠিছে ৪ পৃষ্ঠাত

## আইন নমনা অসম আৰক্ষীক ৫ লক্ষ জৰিমনা

**ই-সংবাদ, ২৩ মে':** সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৩ পৃষ্ঠাত

### অগ্নিগৰ্ভা মণিপুৰক পাহৰি উত্তৰ-পূৰ্বাঞ্চলক আকৌ 'অষ্টলক্ষ্মী' আখ্যা প্ৰধানমন্ত্ৰীৰ

# উত্তৰ-পূবত আদানি-আম্বানিয়ে বিনিয়োগ কৰিব ১২৫ হাজাৰ কোটি

### ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টমেণ্ট ছামিটত দুই পুঁজিপতিৰ ঘোষণা



**নতুন দিল্লী, ২৩ মে':** উত্তৰ-পূব ভাৰতত বিনিয়োগৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি আজিৰে পৰা দিল্লীত অনুষ্ঠিত হৈছে 'ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টমেণ্ট ছামিট' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই সন্মিলনখন উদ্বোধন কৰি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক দ্বিতীয় পৃষ্ঠাত

## ইন্দিৰা ভৱনত কংগ্ৰেছৰ বিশেষ শিবিৰ সম্পন্ন



**ই-সংবাদ বিশেষ, ২৩ মে':** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় ৮ পৃষ্ঠাত

## এপ'লক আকৌ সকীয়ালে ড'নাল্ড ট্ৰাম্পে!

**নিউয়ৰ্ক, ২৩ মে':** ভাৰতৰ বিৰুদ্ধে আন এক হঠকাৰী সিদ্ধান্ত গ্ৰহণ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ। শুকুৰবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পে পুনৰ স্পষ্ট কৰি দিয়ে যে আমেৰিকাত বিক্ৰী হোৱা এপলৰ আইফোনসমূহ আমেৰিকাত নিৰ্মাণ হ'ব লাগিব, "ভাৰত বা ৭ পৃষ্ঠাত

**আমেৰিকাত বিক্ৰী কৰিব নোৱাৰিব ভাৰতত নিৰ্মিত আইফোন**



জনশূন্য অইল ইণ্ডিয়া বজাৰত আৰক্ষীৰ টহল, শুকুৰবাৰে

## শিলসাঁকোত মাটিৰ দালালি! কিশোৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২৩ মে':** শিলসাঁকোৰ ভূমি দখল কৰি বিক্ৰী কৰা এজন দলালক আজি গুৱাহাটী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। নিজকে বিজেপি-আৰএছএছ নেতা বুলি পৰিচয় দিয়া মাটিৰ দালাল কিশোৰ দাসক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ ৫ পৃষ্ঠাত

## সত্যপাল মালিকৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল

**নতুন দিল্লী, ২৩ মে':** বৃহস্পতিবাৰে চিবিআয়ে জম্মু-কাশ্মীৰৰ প্ৰাক্তন ৰাজ্যপাল সত্যপাল ৭ পৃষ্ঠাত

### দিল্লীত শ্বাহ, নাড্ডাক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## পেহেলগামৰ ভুক্তভোগীৰ পৰিয়ালক ৰাজ্য চৰকাৰৰ চেক

**ই-সংবাদ, ২৩ মে':** নতুন দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিজেপিৰ শীৰ্ষ নেতা, কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ ৪ পৃষ্ঠাত



## বিকশিত ভাৰত! ২ দশকৰ মূৰত এখন গাঁৱলৈ আহিল 'বিজুলী'

### মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত লাভ বিদ্যুৎ সংযোগ

**শ্বিলং, ২৩ মে':** অৱশেষত পোহৰেৰে জিলমিলাই উঠিল মেঘালয়-অসম সীমান্তৰ এখন দুৰ্গম গাঁও। প্ৰায় দুটা দশকৰ অন্তত ঘৰবোৰত জ্বলি উঠিল বিজুলী-বাতি। বিগত সুদীৰ্ঘ ৫ পৃষ্ঠাত

## বিধায়ক পদ খাৰিজ বিজেপিৰ জ্যেষ্ঠ নেতাৰ

**জয়পুৰ, ২৩ মে':** পুনৰ সদস্য পদৰ সংকটৰ সন্মুখীন হৈছে ৰাজস্থান বিধানসভা। শুকুৰবাৰে বিধান ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূৱত আদানি-আম্বানিয়ে বিনিয়োগ

‘অষ্টলক্ষ্মী’ আখ্যা দি দেশৰ উন্নয়ন যাত্ৰাৰ চালিকাশক্তি বুলি অভিহিত কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত দুদিনীয়া উচ্চ পৰ্যায়ৰ সন্মিলনত তেওঁ কয় যে বাণিজ্যৰ পৰা পৰম্পৰালৈ, পৰ্যটনৰ পৰা পৰিৱেশলৈ- এই বৈচিত্ৰ্যই হৈছে উত্তৰ-পূৱৰ সৰ্ববৃহৎ শক্তি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ ৰোডমেপৰ ৰূপৰেখা দাঙি ধৰাৰ উপৰি প্ৰধানমন্ত্ৰীয়ে কয় যে জৈৱ-অৰ্থনীতি, বাঁহ, চাহ, পেট্ৰ’লিয়াম, ক্ৰীড়া, পৰিৱেশ অনুকূল পৰ্যটন আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত এই অঞ্চলটো দেশৰ নতুন শক্তি কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। 'ইষ্ট' শব্দটোৰ নতুন ব্যাখ্যা দি তেওঁ কয়, "সবলীকৰণ, কাৰ্যবিধি, শক্তিশালীকৰণ, ৰূপান্তৰকৰণ- চৰকাৰে এই চাৰিটা স্তম্ভৰ ওপৰত ভিত্তি কৰি পূব ভাৰতৰ উন্নয়নক আগুৱাই লৈ গৈছে।" ইফালে, এই সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৭৫ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰে ৰিলায়েন্সৰ চিইঅ’ মুকেশ আম্বানীয়ে। মণিপুৰত কেন্সাৰ হাস্পতাল, গুৱাহাটীত গৱেষণাগাৰ, কম্প্ৰেছড বায়’গেছ প্লাণ্ট, সৌৰশক্তি প্ৰকল্প, ডিজিটেল সংযোগ আৰু অলিম্পিক প্ৰশিক্ষণ কেন্দ্ৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ‘অপাৰেচন সেন্দূৰ’ৰ সফলতাকো প্ৰশংসা কৰে আম্বানিয়ে। আনহাতে, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়ে কয় যে অসমত ঘোষণা কৰা ৫০ হাজাৰ কোটি টকাৰ উপৰি তেওঁৰ কোম্পানীয়ে অহা দশকত উত্তৰ-পূৱত আৰু ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। সেউজ শক্তি, জল, স্মাৰ্ট মিটাৰ, ঘাইপথ, ডিজিটেল আন্তঃগাঁথনি, নিয়োগ আৰু দক্ষতা প্ৰশিক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ’ব। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে আঠখন ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য, প্ৰাকৃতিক সম্পদ, কৌশলগত অৱস্থানে এই অঞ্চলটোক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ কৰিছে। নৰ্থ-ইষ্ট ছামিটত উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, কেবিনেট সদস্য, বিদেশী কূটনীতিবিদ, ২০০০ ৰো অধিক প্ৰতিনিধি উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুৱা আটক, নিশালৈ মুকলি হ’ল শৃংখল

চমজাই দিয়াৰ পিছতে চলিহাক ঘৰলৈ যাবলৈ দিয়া হয়। শিৱসাগৰত উপস্থিত হোৱাৰ পিছতে শৃংখল চলিহাই সাংবাদিকৰে মুখামুখি হৈ যদি অসমীয়া জাতিৰ ওপৰত বহিৰাগতই আক্ৰমণ চলালে সেয়া কোনোপধ্যেই সহ্য কৰা নহ’ব বুলি স্পষ্ট কৰি দিয়ে। তেওঁ কয়, "অসমীয়া জাতিক অপমান কৰা বহিৰাগতক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবই লাগিব। অসমত কোনো বহিৰাগত আৰু বাংলাদেশীক গুণ্ডামি চলাবলৈ দিয়া নহ’ব। যদি আক্ৰমণ হয় তেন্তে প্ৰত্যাক্ৰমণ হ’বই।'' উল্লেখ্য যে, বীৰ লাচিত সেনাৰ মুখ্য প্ৰশাসনিক সচিব শৃংখল চলিহাক আজি দুলীয়াজানলৈ বুলি ৰাওনা হোৱাৰ সময়তে চেপন চকলীয়াত শিৱসাগৰ আৰক্ষীয়ে আটক কৰে। শৃংখল চলিহাৰ উপৰি সংগঠনটোৰ সাংগঠনিক সম্পাদক হৰ গগৈসহ কেইবাজনো কৰ্মীক আটক কৰে আৰক্ষীয়ে। তাৰ পিছতে চলিহাক শিৱসাগৰ আৰক্ষীয়ে ডিব্ৰুগড় আৰক্ষীক চমজাই দিয়ে। ডিব্ৰুগড় আৰক্ষীয়ে শৃংখল চলিহাক জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আবদ্ধ কৰি জেৰা চলোৱাৰ পিছত নিশা ৯ বজাত তাৰ পৰা শিৱসাগৰ অভিমুখে লৈ আনে। বন্ধৰ সময়ছোৱাত যাতে শৃংখল আৰু তেওঁৰ সতীৰ্থসকলে দুলীয়াজানলৈ গৈ প্ৰতিবাদ কৰিব নোৱাৰে তাৰ বাবেই আটক কৰি ৰাখিছিল বুলি জানিব পৰা গৈছে। আনহাতে পুৱাৰ ভাগত শৃংখল চলিহাক আৰক্ষীয়ে আটক কৰাৰ পিছতে উত্তাল হৈ পৰে শিৱসাগৰ চহৰ। উল্লেখযোগ্য যে বীৰ লাচিত সেনাৰ মুখ্য প্ৰশাসনিক সচিব শৃংখল চলিহাক দুলীয়াজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই হোৱাটছএপত এখন ভাবুকি পত্ৰ প্ৰদান কৰাৰ পিছত বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই বীৰ লাচিত সেনাকে ধৰি কেইবাটাও দল-সংগঠনে আহ্বান জনোৱা দুলীয়াজান বন্ধৰ সময়তেই দুলীয়াজানলৈ যাত্ৰা কৰিছিল। এই যাত্ৰা পথতেই শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ আৰক্ষীয়ে শৃংখল চলিহাক আটক কৰি ডিব্ৰুগড়লৈ আনে। ডিব্ৰুগড় আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত শৃংখল চলিহাক আটক কৰি সোধা-পোছা কৰা হয়। সংগ্ৰামী নেতা শৃংখল চলিহাক আটক কৰাৰ প্ৰতিবাদত আজি ঐতিহাসিক শিৱসাগৰৰ দলমুখ চাৰিআলিত বীৰ লাচিত সেনাৰ লগতে অন্যান্য দল-সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বীৰ লাচিত সেনাৰ কেইবাগৰাকীও নেতাই শৃংখল চলিহাক অগণতান্ত্ৰিকভাৱে আটক কৰি গণতন্ত্ৰক চৰকাৰে হত্যা কৰাৰ অভিযোগ তুলি তিনি ঘণ্টাৰ ভিতৰত শৃংখল চলিহাকে ধৰি বিভিন্ন জিলাত আৰক্ষীয়ে ইতিমধ্যে আটক কৰা ১৯০ গৰাকী সৈনিকক মুক্তি কৰি দিবলৈ দাবী জনায়। অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশজ্যোতি দাসে কয় যে আমি এখন গণতন্ত্ৰিক দেশৰ বাসিন্দা বুলি ভাবিব নোৱাৰা পৰিবেশৰ সৃষ্টি হৈছে। এই চৰকাৰে আমাৰ গণতান্ত্ৰিক প্ৰতিবাদক বাধা প্ৰদান কৰি স্বৈৰতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছে। চৰকাৰে তৎকালে শৃংখল চলিহাক মুক্তি নিদিলে পৰিস্থিতিৰ অধিক জটিল হৈ পৰিব বুলি পৰশজ্যোতি দাসে মন্তব্য কৰে। উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে যেতিয়ালৈকে অসমক জনজাতীয় ৰাজ্য ঘোষণা কৰা নহয়, অসমত ভাৰতীয় সংবিধানৰ ৩৭১ (ক) অনুসৰি অসমৰ ভূমি আৰু সম্পদৰ ওপৰত খিলঞ্জীয়াৰ অধিকাৰ সাব্যস্ত নহয়, যেতিয়ালৈকে অসমত দ্বি-নাগৰিকত্ব আৰু আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তন নহয়। তেতিয়ালৈকে বহিৰাগত বণিয়া গোষ্ঠীয়ে অসমীয়া ভূমিপুত্ৰৰ ওপৰত শোষণ, নিষ্পেষণ অব্যাহত ৰাখিব। এই অসমত অসমীয়া খিলঞ্জীয়াই দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে বণিয়া গোষ্ঠীৰ ভৃত্য হিচাপে জীয়াই থাকিব লাগিব। শৃংখল চলিহা অসম আৰু অসমীয়াৰ স্বাভিমানৰ প্ৰতীক। দ্বিতীয় শৰাইঘাটৰ ৰণৰ কথা কৈ দিছপুৰ দখল কৰা জাতীয় চৰকাৰখন এতিয়া বহিৰাগত বণিয়া গোষ্ঠীৰ জেপত সোমাই পৰিছে। সেয়ে অসমীয়াক চূড়ান্তভাৱে অপমান কৰা বহিৰাগত যুৱতী তনু শ্বাহীক গ্ৰেপ্তাৰ কৰাৰ পৰিবৰ্তে খিলঞ্জীয়া অসমীয়াৰ হৈ মাত মতা বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাকহে চৰকাৰে আটক কৰিছে। সেয়ে এতিয়া শুই থকা অসমীয়া জাতিয়ে অসম মাতৃৰ সুৰক্ষাৰ বাবে ৰাজপথৰ সংগ্ৰাম আৰম্ভ কৰিব লাগিব। প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱাক দুৰ্ধৰ্ষ অপৰাধীৰ দৰে হেণ্ডকাফ লগোৱা কাৰ্যৰ প্ৰতিবাদ কৰা প্ৰতিগৰাকী জাতিপ্ৰেমী অসম সন্তান, এতিয়া বহিৰাগতৰ ৰক্ষক হৈ পৰা চৰকাৰৰ বাবে একোজন অপৰাধী। অসমত থাকি অসমীয়াৰ অধিকাৰৰ বাবে গণতান্ত্ৰিক প্ৰতিবাদ কৰাটো যদি অপৰাধ তেন্তে তেনে অপৰাধ দেশ আৰু জাতিক মনে-প্ৰাণে ভালপোৱা প্ৰতিগৰাকী অসমীয়াই কৰিব। সেয়ে সময় থাকোঁতেই ৰাজ্য চৰকাৰে তনু শ্বাহীৰ দৰে অসমীয়াক অপমান কৰা যুৱতীগৰাকীক জে’ললৈ পঠোৱাৰ লগতে জাতিৰ বাবে যুঁজ দিয়া শৃংখল চলিহাৰ দৰে ল’ৰাবোৰক তৎকালে মুক্তি দিয়া উচিত বুলি মনিৰুল ইছলাম বড়াই উল্লেখ কৰে। শৃংখল চলিহা, অসমীয়া যুৱ মঞ্চকে ধৰি আজি আটক কৰা সকলো সংগঠনৰ কৰ্মীক আটক কৰাৰ তীব্ৰ প্ৰতিবাদ জনাই জাতীয় সংগ্ৰামী সেনাৰ সভাপতি চিতু বৰুৱা, অসমীয়া যুৱ মঞ্চৰ সভাপতি যাদৱ গগৈ, সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি দেৱজিৎ দত্ত, সংগ্ৰামী সেনাৰ সভাপতি পংকজ খাউণ্ড, আক্ৰাছুৰ সাধাৰণ সম্পাদক পাৰ্থজ্যোতি বড়া, জাগৃত নাৰী সমাজৰ সভানেত্ৰী পদ্মা চেতিয়া, জয়া বাহিনীৰ সভানেত্ৰী অণিমা গগৈ ৰহমান, আহোম সেনাৰ সভাপতি অংকুৰণ ফুকনকে ধৰি বহুকেইটা দল-সংগঠনৰ কেন্দ্ৰীয় নেতৃত্বই। শৃংখল চলিহাকে ধৰি আটকাধীন আটাইকেইগৰাকী কৰ্মীক মুক্তি দি তনু শ্বাহীৰ দৰে দাম্ভিক মহিলাক জে’ললৈ প্ৰেৰণ নকৰিলে উজনি অসমৰ পৰিস্থিতি অধিক বিষময় হৈ পৰিব বুলি দল-সংগঠনৰ নেতৃবৰ্গই মত প্ৰকাশ কৰে। বিধায়ক অখিল গগৈয়েও চলিহাৰ মুক্তিৰ দাবী জনোৱা পৰিলক্ষিত হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীত বক্সিংঙৰ উপমা দি মুখ্যমন্ত্ৰীক

হৈ থকাৰ সময়তে আজি নিজ সমষ্টি যোৰহাটৰ মাজুলীত উপস্থিত হয় সাংসদ গৌৰৱ গগৈ। বিশেষ ফেৰীৰে মাজুলীৰ কমলাবাৰী ঘাটত উপস্থিত হৈ সাংসদ গৌৰৱ গগৈয়ে কমলাবাৰী ফেৰীঘাটত উপস্থিত হোৱাত দলীয় কৰ্মীসকলে সাংসদ গগৈক উষ্ম আদৰণি জনায়। তাৰ পিছতে জেংৰাইমুখস্থিত ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত বক্সিং সন্থাৰ বক্সিং ৰিং স্থাপনৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰো। সাংসদ এলেকা উন্নয়ন পুঁজিৰ অধীনত ৫ লাখ টকা আবণ্টন দিছিল গৌৰৱে। আজি বক্সিং ৰিং স্থাপনৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰি তেওঁ কয় যে প্ৰতিভাসম্পন্ন খেলুৱৈসকল পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱত বিভিন্ন সময়ত প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। আজিৰ এই বক্সিং ৰিং স্থাপনে নিশ্চয় তেওঁলোকৰ ভৱিষ্যৎ প্ৰতিযোগিতাসমূহত অধিক আত্মবিশ্বাসৰে অৱতীৰ্ণ হ'বলৈ সুবিধা প্ৰদান কৰিব। লগতে গৌৰৱ গগৈয়ে বক্সিংঙৰ সৈতে তেওঁৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে অনা পাক সংযোগৰ অভিযোগক বক্সিংঙৰ ৰিঙৰ সৈতে ৰিজাই উত্তৰ দিয়ে। সাংসদ গৌৰৱ গগৈয়ে বক্সিং খেলত আৰম্ভণিতেই নক আউট পাঞ্চ নামাৰে বুলি কৈ কয় যে মই এই বিতৰ্ক আৰম্ভ কৰা নাই, সেয়ে মই কিয় শেষ কৰিম? বক্সিং খেলৰ প্ৰথমতে নক আউট পান্স নিদিয়ে। বক্সিং ৰিঙৰ পৰা আমিও শিকিছো। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ ধাৰাবাহিক আক্ৰমণ কৰি থকাৰ সময়তে মাজুলী ভ্ৰমণ কৰি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয়। পাকিস্তান সংযোগক লৈ মুখ্যমন্ত্ৰীৰ অভিযোগ সন্দৰ্ভত গৌৰৱ গগৈয়ে কয় যে মই পাকিস্তানক সদনত যিমান সমালোচনা কৰিছো সিমান বিজেপিৰ সাংসদে সমালোচনা কৰা নাই। পেহেলগামৰ ঘটনাৰ পিছত আমেৰিকা চৰকাৰৰদ্বাৰা সমৰ্থিত আইএমএফৰ ঋণ পাকিস্তানক দিয়াত মই সমালোচনা কৰিছো। সেই ঋণৰ টকাৰে ভাৰতে ক্ষতিগ্ৰস্ত কৰা বায়ুসেনাৰ ঘাটি পাকিস্তানে পুনৰ নিৰ্মাণ কৰিব। কিয় ভাৰত চৰকাৰে ইয়াত বাধা দিব নোৱাৰিলে? যুদ্ধক লৈ মই সন্তুষ্ট নহয়। অপাৰেশ্যন সেন্দুৰ আৰু চাৰিদিন চলিব লাগিছিল, তেতিয়া পাকিস্তানক আৰু ক্ষতি কৰিব পাৰিলোহেতেন বুলিও কয় গৌৰৱ গগৈয়ে। যোৰহাট-মাজুলী সংযোগী দলঙৰ নিবিদাৰ ধন বৃদ্ধি সন্দৰ্ভত মত ব্যক্ত কৰি কয় যে যোৰহাট-মাজুলী দলং টেণ্ডাৰ ভেল্যু অসম চৰকাৰে ১০০০ কোটি দিছিল। কিন্তু ভাৰত চৰকাৰে ৬৫০ কোটি দিছে। ভাৰত চৰকাৰে বিত্তীয় দিশত কৃপণালি কৰিছে। দুলীয়াজানৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপি চৰকাৰেখনে হিন্দু-হিন্দুৰ মাজত সংঘাত সৃষ্টি কৰিছে। বিজেপি সমাজত বিভাজন সৃষ্টি কৰে। শৃংখল চলিহাৰ সৈতে যি হৈছে সেয়া মই ভালপোৱা নাই। 'কা' আন্দোলনৰ সময়তো পুলিচৰ যোগেদি ভয় দেখুওৱা হ'ল। সেই একেই পুলিচৰ যোগেদি ভয় দেখুৱাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইন নমনা অসম আৰক্ষীক ৫ লক্ষ

শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ লগাই আদালতলৈ নিয়া ঘটনাক লৈ ৰাজ্য উত্তাল হৈ থকাৰ সময়তে অধিবক্তাক হেণ্ডকাফ লগোৱা এক ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে বিশেষ ৰায় প্ৰদান কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে আইনজীৱীক ৰাজহুৱা স্থানত হেণ্ডকাফ লগোৱা এক গোচৰত অসম আৰক্ষীক ক্ষতিপূৰণ দিবলৈ নিৰ্দেশনা প্ৰদান কৰিছে। অবৈধভাৱে হেণ্ডকাফ লগোৱাৰ বাবে ৫ লাখ টকা ক্ষতিপূৰণ দিয়াৰ নিৰ্দেশ দিছে। ২০১৬ চনৰ ৫ অক্টোবৰত আইনজীৱী চবাহ আল জাৰিদক হেণ্ডকাফ লগাইছিল। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। আদালতে ৰায়দান কৰি কয় যে স্বেচ্ছাই আত্মসমৰ্পণ কৰাৰ পিছতো তেওঁৰ হাত কেৰেয়া লগাই আৰক্ষীয়ে আইনী নিৰ্দেশনা উলংঘন কৰিছে। এই ঘটনা ২০১৬ চনৰ ৫ অক্টোবৰত পাণবজাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল হোৱাত জাৰিদক গ্ৰেপ্তাৰ কৰা হৈছিল। এজাহাৰ ব্যক্তিগত বিবাদক লৈ হোম গাৰ্ড ফাইজুল হকে দাখিল কৰিছিল। আইনজীৱী চবাহ আল জাৰিদে আত্মসমৰ্পণ কৰিছিল যদিও আৰক্ষীয়ে হাতকেৰেয়া লগাই আদালতলৈ নিছিল। ঘটনাক লৈ আদালতৰ কাষ চাপিছিল। ৮ বছৰৰ অন্তত আদালতে হাতকেৰেয়া লগোৱা ঘটনা অবৈধ বুলি ঘোষণা কৰে। এই ব্যৱহাৰ মৌলিক অধিকাৰৰ উলংঘন বুলি কৈ আৰক্ষীক ক্ষতিপূৰণ দুমাহৰ ভিতৰত দিয়াৰ নিৰ্দেশ দিয়ে ন্যায়ালয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আকৌ অস্থিৰ হৈ পৰাৰ দিশে বাংলাদেশ!

এবাৰ জোকাৰণি তুলিছে বাংলাদেশত। অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে নিজেই বৃহস্পতিবাৰে নিশা পদত্যাগ কৰাৰ ইচ্ছা প্ৰকাশ কৰাৰ পিছতে বাংলাদেশৰ ৰাজনৈতিক ভৱিষ্যতক লৈ নতুন উত্তেজনাৰ সৃষ্টি হৈছে। নেচনেল চিটিজেনছ পাৰ্টিৰ আহ্বায়ক নাহিদ ইছলামে প্ৰকাশ কৰা মতে, বৃহস্পতিবাৰে ঢাকাত এখন পৰামৰ্শদাতা পৰিষদৰ বৈঠকত দীঘলীয়া আলোচনাৰ অন্তত ইউনুছে এই সিদ্ধান্তত উপনীত হৈছে। তেওঁ কয় যে দেশত প্ৰতিদিনে প্ৰতিবাদ, আন্দোলন, পথ অৱৰোধৰ ফলত প্ৰশাসনিক কাম কাৰ্যতঃ স্তব্ধ হৈ পৰিছে। অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ সময়ত প্ৰথমে যি সংস্কাৰৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল, সেই সংস্কাৰসমূহ ৰাজনৈতিক দলসমূহে পূৰণ কৰাত ব্যৰ্থ হৈছে। ফলত ইউনুছে ক্ৰমান্বয়ে নিজকে অযোগ্য অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে। বৈঠকত উপস্থিত একাধিক সূত্ৰই জনোৱা মতে, মুখ্য উপদেষ্টাগৰাকীয়ে দেশবাসীক সম্বোধন কৰিবলৈও প্ৰস্তুতি চলাইছিল। আনকি ভাষণৰ খচৰাও প্ৰস্তুত কৰা হৈছিল যাতে তেওঁ দেশৰ আগত দাখিল কৰিব পাৰে চৰকাৰৰ ব্যৰ্থতা। কিন্তু পিছত ভাষণ স্থগিত ৰখা হয়, আৰু এই বিষয়ত অধিক আলোচনা অব্যাহত থাকিব বুলি সিদ্ধান্ত লোৱা হয়। আনহাতে, নিৰ্বাচনক লৈও ইউনুছে গভীৰ সন্দেহ ব্যক্ত কৰিছে। ডিচেম্বৰৰ পৰা জুন মাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো বাস্তৱত ই কিমান সম্ভৱপৰ সেই সম্পৰ্কে তেওঁ সন্দেহ প্ৰকাশ কৰে। ইউনুছে এই প্ৰশ্ন উত্থাপন কৰে যে দেশৰ সাম্প্ৰতিক পৰিস্থিতিত মুক্ত আৰু নিকা নিৰ্বাচন সম্ভৱপৰ নেকি? লগতে আৰক্ষীয়ে বেলট কাঢ়ি নিয়াত বাধা দিব পৰাৰ সম্ভাৱনাও নুই কৰা নাই। উল্লেখ্য যে যোৱা বছৰৰ ৫ আগষ্টত শ্বেখ হাছিনাই পদত্যাগ কৰাৰ পিছত ৮ আগষ্টত ইউনুছৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হয়। তেতিয়া কোৱা হৈছিল যে সীমিত সময়ৰ ভিতৰত কিছু গুৰুত্বপূৰ্ণ সংস্কাৰৰ অন্তত নিৰ্বাচন অনুষ্ঠিত হ'ব। কিন্তু প্ৰায় ৯ মাহৰ পিছতো সেই নিৰ্বাচন এতিয়াও সম্ভৱ হৈ উঠা নাই। ৰাজনৈতিক দলসমূহে এতিয়া আৰু পলম নকৰাকৈ শীঘ্ৰে নিৰ্বাচন ঘোষণা কৰিবলৈ দাবী জনাইছে। এই পৰিস্থিতিত কোৱা বাহুল্য যে মহম্মদ ইউনুছে পদত্যাগ কৰাৰ ইচ্ছা ব্যক্ত কৰা আৰু ইতিমধ্যে ভাষণৰ খচৰা পৰ্যন্ত প্ৰস্তুত কৰা কাৰ্যই দেশখনৰ ৰাজনৈতিক ভৱিষ্যতক অধিক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে।

# বাক্সাত হিন্দু কিশোৰী পলুৱাই নি গ্ৰেপ্তাৰ মুছলমান যুৱক

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মে':** বৰপেটাৰোডৰ সমীপৰ লোহাসুৰ গাঁৱৰ বিবাহিত মুছলমান যুৱক চুৰত জামাল নামৰ এজন যুৱকে গণকোৱাৰ এগৰাকী হিন্দু ধৰ্মৰ ১৬ বছৰীয়া যুৱতীক প্ৰেমৰ ছলনাৰে বহি ৰাজ্যলৈ পলুৱাই লৈ গৈছিল। পৰৱৰ্তী সময়ত ছোৱালীগৰাকীৰ পৰিয়ালে গোবৰ্ধনা আৰক্ষী থানাত এখন এজাহাৰ প্ৰদান কৰিছিল আৰু সেই এজাহাৰ ভিত্তিত বৰপেটাৰোডৰ সমীপৰ শিমলাগুৰি আৰক্ষীয়ে অভিযান চলাই লোহাসুৰ গাঁৱৰ বিবাহিত মুছলমান যুৱক চুৰত জামাল নামৰ যুৱকজনক আটক কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত শিমলাগুৰি আৰক্ষীয়ে ৫৪/২৫ নম্বৰত এক কেছ ৰুজু কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাতৃ শোক পাহৰি আদালতত ন্যায়াধীশ

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অভয় শ্ৰীনিবাস ওকাই। শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ কৰ্মৰ শেষ দিন আছিল ন্যায়াধীশ ওকাৰ। কিন্তু ইয়াৰ ঠিক এদিন পূৰ্বে অৰ্থাৎ বৃহস্পতিবাৰে শেষ নিশ্বাস ত্যাগ কৰে ন্যায়াধীশগৰাকীৰ মাতৃয়ে। কিন্তু তাৰ পিছতো শেষ কৰ্ম দিনটোত আদালতত উপস্থিত থাকে একেলগে ১১ টা ৰায়দান কৰে ন্যায়াধীশ ওকাই। উল্লেখ্য যে আজি অৰ্থাৎ ২৪ মে'ত আনুষ্ঠানিকভাৱে অৱসৰ ল'ব ন্যায়াধীশ এ এছ ওকাই। বৃহস্পতিবাৰে মাতৃৰ বিয়োগৰ খবৰ লাভ কৰাৰ পিছতে তেওঁ নতুন দিল্লীৰ পৰা মুম্বাইত উপস্থিত হৈ মাতৃৰ শেষকৃত্য সম্পন্ন কৰে, আৰু তাৰ পিছত নিশাই পুনৰ দিল্লীলৈ উভতি আহি শুকুৰবাৰে আদালতত সময়ানুসৰি উপস্থিত হয়। মন কৰিবলগীয়া যে গতানুগতিক নিয়ম অনুসৰি ন্যায়াধীশসকলে সাধাৰণতে ছুটীৰ দিনত কোনো গোচৰৰ শুনানি গ্ৰহণ নকৰে। কিন্তু ন্যায়াধীশ ওকাই সেই পৰম্পৰা ভংগ কৰি শেষ দিনটোতো স্বাভাৱিকভাৱে কাম কৰি যায়। পুৱা নিয়মীয়া বিচাৰপীঠত বহি ইটোৰ পিছত সিটো গোচৰৰ ৰায়দান দিয়ে আৰু তাৰ পিছত দুপৰীয়া মুখ্য ন্যায়াধীশৰ সৈতে আনুষ্ঠানিক বিচাৰপীঠত যোগদান কৰে। ইয়াৰ পূৰ্বে ২১ মে'ত উচ্চতম ন্যায়ালয়ৰ এডভোকেটছ অন ৰেকৰ্ড এছ'চিয়েচনৰ বিদায়ী অনুষ্ঠানত ন্যায়াধীশ ওকাই কয়, "মই বুজি নাপাওঁ যে বিচাৰকসকলে তেওঁলোকৰ ছুটীৰ দিনত কিয় কাম কৰিব নালাগে। দুপৰীয়া ১.৩০ বজাত 'গাৰ্ড অৱ অনাৰ'ৰ পিছত তেওঁলোকক ক'ব লাগে - এতিয়াই ঘৰলৈ যাওক! এনে নহয় যে ন্যায়াধীশৰ কাম দুপৰীয়া শেষ হয়। সেই প্ৰথা সলনি কৰা উচিত।" তেওঁ লগতে কয়, "মই 'অৱসৰ' শব্দটো অপছন্দ কৰো। গতিকে জানুৱাৰী মাহৰ পৰা মই যিমান পাৰি সিমান গোচৰৰ শুনানি গ্ৰহণ কৰিবলৈ চেষ্টা কৰি আহিছো।" উল্লেখ্য যে ১৯৬০ চনৰ ২৫ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ ওকাই মুম্বাই বিশ্ববিদ্যালয়ৰ পৰা আইন বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ১৯৮৩ চনৰ জুন মাহত বাৰ কাউন্সিলত নামভৰ্তি কৰে। কেৰিয়াৰৰ আৰম্ভণিতে তেওঁ পিতৃ শ্ৰীনিবাস ওকাৰ চেম্বাৰত থানে জিলা আদালতত প্ৰেকটিছ কৰিবলৈ আৰম্ভ কৰে। তাৰ পিছত ১৯৮৫-৮৬ চনত ব'ম্বে উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ আৰু প্ৰাক্তন লোকায়ুক্ত ভিপি টিপনিছৰ চেম্বাৰত কাম আৰম্ভ কৰে। ২০০৩ চনৰ ২৯ আগষ্টত ব'ম্বে উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা ন্যায়াধীশ ওকাই ২০০৫ চনৰ ১২ নৱেম্বৰত স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰে। তাৰ পিছত ২০১৯ চনৰ ১০ মে'ত কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে আৰু ২০২১ চনৰ ৩১ আগষ্টত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে উন্নীত হয়। অন্তিম দিনতো নিজৰ কৰ্তব্য পালন কৰি ন্যায়াধীশ ওকাই ভাৰতৰ ন্যায়িক কাৰ্যালয়ৰ মৰ্যাদা আৰু নিষ্ঠাৰ অনন্য নিদৰ্শন এৰি যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ড'নাল্ড ট্ৰাম্পৰ বিৰুদ্ধে আইনী যুঁজ

হাৰ্ভাৰ্ড বনাম ট্ৰাম্প চৰকাৰৰ সংঘাত। বিশ্বৰ ভিতৰতে সুপ্ৰসিদ্ধ বিশ্ববিদ্যালয়খনত বিদেশী শিক্ষাৰ্থীৰ নামভৰ্তিত নিষেধাজ্ঞা আৰোপ কৰিছিল মাৰ্কিন চৰকাৰে। আৰু ইয়াৰ পিছতে এতিয়া মাৰ্কিন প্ৰশাসনৰ বিৰুদ্ধে আইনী যুঁজ আৰম্ভ কৰিছে হাৰ্ভাৰ্ডে। শুকুৰবাৰে বিশ্ববিদ্যালয়খনে ট্ৰাম্প চৰকাৰৰ এই পদক্ষেপক “অবৈধ আৰু প্ৰতিশোধমূলক” বুলি অভিহিত কৰি গোচৰ তৰে। হাৰ্ভাৰ্ডৰ অধ্যক্ষ এলান এম গেৰ্বাৰে কয়, “এই সিদ্ধান্ত কেৱল অবৈধ নহয়, ই হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ বিপন্ন কৰিছে।” চৰকাৰৰ সিদ্ধান্ত স্থগিত ৰখাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আদালতত আবেদন জনোৱা বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে হাৰ্ভাৰ্ডৰ কেম্পাছত হিংসাত্মক পৰিস্থিতি আৰু চীনৰ কমিউনিষ্ট পাৰ্টিৰ সৈতে গোপন বুজাবুজিৰ অভিযোগৰ প্ৰত্যুত্তৰ হিচাপে ট্ৰাম্প প্ৰশাসনে বিশ্ববিদ্যালয়খনত বাতিল কৰিছিল অন্য দেশৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি। অৱশ্যে বিশ্ববিদ্যালয়খনে দাবী কৰে যে তেওঁলোকে সকলো আইনী প্ৰয়োজনীয়তা মানি চলি আহিছে আৰু হোমলেণ্ড ছিকিউৰিটিৰ অনুৰোধ অনুসৰি তথ্য প্ৰদান কৰি আহিছে। বিশ্ববিদ্যালয়খনে লগতে কয় যে কেৱল বিগত এটা বছৰত ইয়াত ৭ হাজাৰতকৈ অধিক বিদেশী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে, যিসকল মাচুল পৰিশোধ কৰা শিক্ষা আৰু গৱেষণাৰ গুৰুত্বপূৰ্ণ অংশীদাৰ। হাৰ্ভাৰ্ডে কয় যে চৰকাৰৰ এই কাৰ্যই প্ৰথম সংশোধনী, যথাযথ প্ৰক্ৰিয়াৰ দফা আৰু প্ৰশাসনিক আইন উলংঘা কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও এপ্ৰিল মাহত হাৰ্ভাৰ্ডে ট্ৰাম্প প্ৰশাসনে ২.৩ বিলিয়ন ডলাৰৰ পুঁজি স্থগিত ৰখাৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাইছিল। অধ্যক্ষ গেৰ্বাৰে সেই সময়তো স্পষ্ট ভাষাৰে কৈছিল- “আমাৰ স্বাধীনতা, আমাৰ সাংবিধানিক অধিকাৰ বিসৰ্জন দিবলৈ কোনোপধ্যেই প্ৰস্তুত নহয়।”

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগামৰ ভুক্তভোগীৰ পৰিয়ালক

কৰে। নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে খোদ সামাজিক মাধ্যমত এই কথা শ্বেয়াৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে সুন্দৰ আলোচনাত মিলিত হওঁ। শেহতীয়াকৈ আমাৰ ৰাজ্যত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ চমকপ্ৰদ বিজয়কে ধৰি অসমৰ উন্নয়ন আৰু বিকাশকেন্দ্ৰিক বিভিন্ন বিষয়ত তেখেতক অৱগত কৰো। লগতে বৈঠকতে মাওবাদী নিৰ্মূলৰ ক্ষেত্ৰত লোৱা পদক্ষেপ আৰু ইয়াৰ ফলত শান্তিৰ দিশত সূচনা হোৱা বৃহৎ সফলতাৰ বাবেও তেওঁক অভিনন্দন জ্ঞাপন কৰো। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে। সাক্ষাৎকালত নামৰূপৰ ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া পৰিসৰৰ বাবে চলিত তৃণমূল পৰ্যায়ৰ কাম ত্বৰান্বিতকৰণ, ৰাজ্যত চিকিৎসা শিক্ষাৰ সুবিধা বৃদ্ধিকৰণ আৰু নতুন নাৰ্চিং মহাবিদ্যালয় স্থাপন, এবি-পিএমজেএৱাই হিতাধিকাৰীসকলৰ বাবে সৰ্বাধিক লাভালাভ প্ৰাপ্তি নিশ্চিতকৰণ সন্দৰ্ভত আলোচনা কৰা বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। আনহাতে, অসম চৰকাৰে ঘোষণা কৰা অনুসৰি পেহেলগামত নিহত লোকসকলৰ পৰিয়ালক অসম চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আজিৰে পৰা দিয়া। সন্ত্ৰাসবাদীৰ নৃশংস আক্ৰমণৰ নিহত লোকসকলৰ ঘৰলৈ গৈ অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীসকলে এইধন চেকযোগে প্ৰদান কৰিছে। মন্ত্ৰী প্ৰশান্ত ফুকন, নন্দিতা গাৰ্লোছা, কেশৱ মহন্ত, কৌশিক ৰায়ে দেশৰ বিভিন্ন প্ৰান্তলৈ গৈ ৫ লাখকৈ টকাৰ চেক প্ৰদান কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে পেহেলগামত সংঘটিত কৰুণ ঘটনাৰ ইতিমধ্যে এমাহ সম্পূৰ্ণ হৈছে। আমাৰ অসম কেবিনেটে পেহেলগামত মৃত্যুক সাবটি লোৱাসকলৰ প্ৰতি এক বিনম্ৰ শ্ৰদ্ধাঞ্জলি হিচাপে তেওঁলোকৰ পৰিয়াললৈ ৫ লাখ টকাৰ আৰ্থিক অনুদান দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এইক্ষেত্ৰত মৃত ব্যক্তিসকলৰ পৰিয়ালক সাক্ষাৎ কৰিবলৈ তেওঁলোকৰ ঘৰলৈ গৈ অসম চৰকাৰৰ এগৰাকী কেবিনেট মন্ত্ৰীয়ে আমাৰ এখন পত্ৰৰ জৰিয়তে অনুদানৰাশি প্ৰদানৰ সিদ্ধান্তও গ্ৰহণ কৰা হৈছিল। আজি এই উদ্দেশ্যৰে সতীৰ্থ মন্ত্ৰীসকলে দেশৰ ভিন্ন প্ৰান্তলৈ গৈ কৰুণ ঘটনাটিৰ ভুক্তভোগী পৰিয়ালবৰ্গক সাক্ষাৎ কৰি অসম চৰকাৰৰ হৈ শোকবাৰ্তা পত্ৰ আৰু ধনৰাশি প্ৰদান কৰে। এই সময়ত ভুক্তভোগী পৰিয়ালৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰি অসমবাসীৰ হৈ গভীৰ সমবেদনা জ্ঞাপন কৰো আৰু মৃতকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনাওঁ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিলসাঁকোত মাটিৰ দালালি! কিশোৰক

কৰিছে। কিশোৰ দাসৰ বিৰুদ্ধে শিলসাঁকোত চৰকাৰী ভূমি দখল কৰি বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈ আহিছিল। জানিব পৰা মতে, শিলসাঁকো অঞ্চলত ভূমি কেলেংকাৰীৰ অন্যতম দালাল আছিল কিশোৰ দাস। নিজকে আৰএছএছ আৰু বিজেপি নেতা বুলি পৰিচয় দি চৰকাৰী মাটি দখল কৰিছিল। কিশোৰ দাসে বিঘাই বিঘাই চৰকাৰী ভূমি অবৈধভাৱে দখল কৰি শিলসাঁকো আৰু কাষৰীয়া অঞ্চলত দখলদাৰীৰ ৰাজত্ব চলাইছিল। দখল কৰা মাটি কোটি কোটি টকাত বিক্ৰীও কৰিছিল। কিশোৰ দাসে নিজৰ পিঠিত বিজেপি আৰু আৰএছএছৰ লেবেল লগাই প্ৰভাৱ বিস্তাৰ কৰি সাধাৰণ মানুহৰ পৰা অবৈধ ধনৰ আদান-প্ৰদান কৰা বুলি অভিযোগ উঠি আহিছে। তেওঁ বিভিন্ন সময়ত নিজকে বিজেপি আৰু আৰএছএছৰ নেতা বুলি পৰিচয় দি লোকক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছিল। স্থানীয় ৰাইজে কিশোৰ দাসৰ বিৰুদ্ধে পূৰ্বৰে পৰা অভিযোগ উত্থাপন কৰি আহিছিল। শেষত আৰক্ষীয়ে তদন্তৰ জৰিয়তে কিশোৰ দাসৰ বিৰুদ্ধে যথেষ্ট প্ৰমাণ সংগ্ৰহ কৰি তেওঁক গ্ৰেপ্তাৰ কৰে। চৰকাৰী সূত্ৰৰ মতে, দাসে একাধিক চৰকাৰী খাচ জমি অবৈধভাৱে নিজৰ দখললৈ আনিছিল আৰু সেইবোৰত ব্যৱসায়িক কাৰ্যকলাপ চলাই আহিছিল আৰু কিছু জমি বিক্ৰীও কৰিছিল। স্থানীয় ৰাইজ আৰু ৰাজনৈতিক মহলে কিশোৰ দাসৰ গ্ৰেপ্তাৰক স্বাগতম জনাই সকলো দালালৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ চৰকাৰক আহ্বান জনাইছে। তদুপৰি, এই ঘটনাৰ সৈতে জড়িত অন্য কোনো চক্ৰ আছে নে নাই, তাৰে সন্ধানত আৰক্ষীয়ে তদন্ত আগবঢ়াইছে। চৰকাৰী ভূমি সংৰক্ষিত কৰাৰ ক্ষেত্ৰত এই গ্ৰেপ্তাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। তদন্ত সঠিক হ'লে অধিক তথ্য প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিকশিত ভাৰত! ২ দশকৰ মূৰত এখন

কাল আন্ধাৰত সৰীসৃপৰ দৰে পৰি ৰোৱা নিজম বাটবোৰত এতিয়া বেলি ডুবাৰ পিছতো দেখিবলৈ পোৱা গৈছে আলোক ছন্দ। ১৮ বছৰ ধৰি আন্ধাৰত বুৰ গৈ থকা মেঘালয়ৰ ৰি-ভই জিলাৰ জিৰাং বিধানসভা সমষ্টিৰ পাহামজুলা গাঁৱলৈ এতিয়া ঘূৰি আহিছে আধুনিকতা। দীৰ্ঘদিন ধৰি সেৱা বন্ধ হৈ থকা এটা ট্ৰেন্সফৰ্মাৰ মেৰামতিৰ জৰিয়তে পুনৰ বিদ্যুৎ যোগান ধৰা হৈছে গাঁওখনত। উল্লেখ্য যে, ট্ৰেন্সফৰ্মাৰ বেয়া হোৱাৰ বাবে ২০০৭ চনৰ পৰা সমগ্ৰ গাঁওখন বিদ্যুৎ বিচ্ছিন্ন হৈ পৰিছিল। ৭৭ টা পৰিয়ালৰ আৱাসস্থল এই গাঁওখনৰ নিৱাসীসকলে বিগত প্ৰায় দুটা দশক ধৰি পুনৰ বিদ্যুৎ সংযোগৰ বাবে আবেদন-নিবেদন কৰি আহিছিল যদিও চৰকাৰ আৰু প্ৰশাসনৰ উদাসীনতাৰ বাবে আন্ধাৰতে পাৰ কৰিবলগীয়া হৈছিল জীৱন। অৱশেষত তেওঁলোকৰ এই দুৰ্ভোগ দূৰ কৰিবলৈ গাঁওবাসীয়ে পোনপটীয়াকৈ আবেদন জনায় মুখ্যমন্ত্ৰী কনৰাড চাংমাক। তাৰ পিছতে মুখ্যমন্ত্ৰীৰ তৎকালীন হস্তক্ষেপত সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়া হয় আৰু মাত্ৰ তিনিদিনৰ ভিতৰতে গাঁওখনত বিদ্যুৎ সংযোগ কৰা হয়। বৃহস্পতিবাৰে স্থানীয় বিধায়ক ছ'ষ্টেনেছ ছ'হতুনৰ সৈতে খোদ মুখ্যমন্ত্ৰী পহামজুলা গাঁৱত উপস্থিত হয়। গাঁৱৰ ৰাইজে মুখ্যমন্ত্ৰীক উষ্ম আদৰণি জনায়। বিদ্যুৎবিহীন জীৱনৰ দুখ-দুৰ্দশা মুখ্যমন্ত্ৰীৰ আগত প্ৰকাশ কৰে গাঁওবাসীয়ে। তেওঁলোকে জনায় যে যে বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো এতিয়ালৈকে ট্ৰেন্সফৰ্মাৰটো মেৰামতিৰ বাবে কোনো উদ্যোগ লোৱা হোৱা নাই। মুখ্যমন্ত্ৰী কনৰাড চাংমাই কয়, "এনে গাফিলতি একেবাৰে গ্ৰহণযোগ্য নহয়। চৰকাৰৰ মূল দায়িত্ব হৈছে জনসাধাৰণৰ কথা শুনি তেওঁলোকৰ সমস্যা সমাধান কৰা।" দুৰ্গম অঞ্চললৈ নাগৰিক সেৱা সম্প্ৰসাৰণ আৰু দীৰ্ঘদিনীয়া সমস্যাসমূহৰ সমাধানৰ লক্ষ্যৰে 'চিএম-কানেক্ট ইমপেক্ট' পদক্ষেপৰ অংশ হিচাপে এই ভ্ৰমণ কৰিছিল মুখ্যমন্ত্ৰীয়ে। চাংমাই লগতে কয়, "এইটো এটা সৰু অনুষ্ঠান যেন লাগিব পাৰে, কিন্তু মোৰ বাবে ই এক উল্লেখযোগ্য আৰু আনন্দময় মুহূৰ্ত। ১৮ বছৰৰ অন্তত এই গাঁওখনত থিয় হৈ মই সন্তুষ্টি অনুভৱ কৰিছো।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধায়ক পদ খাৰিজ বিজেপিৰ জ্যেষ্ঠ

সভাই বিজেপি বিধায়ক কনৱাৰলাল মীনাৰ সদস্যপদ নাকচ কৰে। ফলত ২০০ জনীয়া বিধানসভা পুনৰ ১৯৯ জনলৈ হ্ৰাস পাইছে। এই সংখ্যা আগতে বিভিন্ন কাৰণত কমি আহিছিল যদিও এইবাৰ অধিক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। ৰাজস্থান উচ্চ ন্যায়ালয়ে মীনাক পুৰণি অপৰাধমূলক গোচৰত তিনি বছৰৰ কাৰাদণ্ডৰ শাস্তি দিয়াৰ পিছতে আদালতৰ নিৰ্দেশত বিষয়টো চূড়ান্ত পৰ্যায়ত উপনীত হয়। এই ৰায়ৰ বিৰুদ্ধে মীনাই উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল যদিও ৭ মে'ত আবেদন নাকচ কৰি দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে তেওঁক আত্মসমৰ্পণৰ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে যোৱা বুধবাৰে আদালতত আত্মসমৰ্পণ কৰে মীনাই। এই ঘটনাৰ পিছত ৰাজস্থান কংগ্ৰেছো সক্ৰিয় হৈ পৰিছে। এই বিষয়ত বিধানসভাৰ অধ্যক্ষ বাসুদেৱ দেৱনানীয়ে পক্ষপাতিত্ব দেখুৱাইছে বুলি দলটোৱে অভিযোগ উত্থাপন কৰে। সেয়ে কংগ্ৰেছৰ হৈ বিৰোধী দলপতি টিকৰাম জুলিয়ে আজি ৰাজস্থান উচ্চ ন্যায়ালয়ত ৰীট আবেদন দাখিল কৰে, যাৰ শুনানি অহা বুধবাৰে হ'ব। ইয়াৰ পূৰ্বে মঙলবাৰে টিকৰাম জুলিৰ নেতৃত্বত কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে অধ্যক্ষক সাক্ষাৎ কৰি কনৱাৰলাল মীনাৰ সদস্য পদ বাতিলৰ দাবী জনায়। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পিছতো অধ্যক্ষই মীনাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে। বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো কোনো সিদ্ধান্ত লোৱা হোৱা নাই বুলি তেওঁলোকে বিধানসভাৰ মৰ্যাদা ৰক্ষাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আৰু তাৰ পিছতে বিৰোধীৰ হেঁচা আৰু আদালতৰ নিৰ্দেশত আজি অধ্যক্ষই খাৰিজ কৰে মীনাৰ বিধায়ক পদ। মন কৰিবলগীয়া যে ২০০৫ চনত ঝলাৱাৰৰ মনোহৰ থানা এলেকাত সৰপঞ্চ উপ-নিৰ্বাচনৰ পিছত পুনৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ দাবীত কনৱাৰলাল মীনাই এছডিএমক বন্দুক দেখুৱাইছিল। গোচৰৰ ৰায়দানৰ বাবে তেওঁৰ ৰাজনৈতিক ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# যোৰহাটত জিলা উন্নয়ন সমিতিৰ মাহেকীয়া বৈঠক সম্পন্ন

ই-সংবাদ, পশ্চিম যোৰহাট, ২৩ মে' : যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত ২৩ মে'ত যোৰহাট জিলা উন্নয়ন সমিতিৰ মাহেকীয়া বৈঠকখন অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয়, অতিৰিক্ত জিলা আয়ুক্ত অভিজিত গগৈ, সহকাৰী আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাত জিলা আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজ খৰতকীয়াকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনৰ পাছত অনুষ্ঠিত হ'বলগীয়া সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আৰম্ভণিৰ বিষয়ে আলোচনা কৰাৰ লগতে জুনত অনুষ্ঠিত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰস্তুতি আৰু সমন্বয়ৰে জিলাখনত উদযাপন কৰাৰ সন্দৰ্ভতো সভাত পৰ্যালোচনা কৰে। জিলাখনত বানপানীৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰাৰ লগতে জিলাখনৰ অন্তৰ্গত বিভিন্ন সাহায্য শিবিৰসমূহৰ নূনতম মৌলিক সা-সুবিধা নিশ্চিত কৰাত আয়ুক্তগৰাকীয়ে গুৰুত্ব প্ৰদান কৰে। জিলাখনৰ বিভিন্ন বিভাগৰ সমন্বয় স্থাপনৰ জৰিয়তে নিৰ্দিষ্ট সময় অনুসৰি আঁচনিসমূহৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰাৰ লগত পশুপালন, কৃষি, খাদ্য, অসামৰিক যোগান, আদি বিভাগৰ কাম-কাজৰ বিষয়ে মুৰব্বী বিষয়াসকলৰ সৈতে আলোচনা কৰে।

## বিষাক্ত কীটনাশক প্ৰয়োগৰ ফলত প্ৰাণহানি কেইবাটিও গো-ধনৰ

# নগাঁৱৰ ৰহঢলাত মীন পালনৰ নামত অনা অসমীয়াৰ দপদপনি

**ই-সংবাদ, বেবেজীয়া, ২৩ মে':** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন ৰহঢলাত এক ভয়ংকৰ ঘটনা সংঘটিত হৈছে। দুষ্টচক্ৰৰ বিষাক্ত কীটনাশক প্ৰয়োগৰ ফলত প্ৰাণহানি হৈছে কেইবাটিও গো-ধনৰ। আচলতে, ৰহঢলাৰ খিলঞ্জীয়া বসতিপ্ৰধান অঞ্চলত সম্প্ৰতি অবাধে চলিছে অনা অসমীয়াৰ আগ্ৰাসন। এইসকল অনা অসমীয়াই নিজ স্বাৰ্থ পূৰণৰ বাবে মীন পালনৰ শেষাংশ ৯ পৃষ্ঠাত

## পাকাবেতবাৰী আৰু মন্দিয়া সমষ্টিত কংগ্ৰেছ-এ আই ইউ ডি এফৰ মোক্ষম আঘাত

**ই-সংবাদ, কলগাছিয়া, ২৩ মে':** নিৰ্বাচনৰ পূৰ্বে বৰপেটাত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলৰ ধাৰাবাহিকভাৱে চলিছে খহনীয়া। বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া সমষ্টি আৰু পাকাবেতবাৰী সমষ্টিত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলৰ পৰা শেষাংশ ৯ পৃষ্ঠাত

## আকৌ অস্থিৰ হৈ পৰাৰ দিশে বাংলাদেশ!



**ঢাকা, ২৩ মে':** শেখ হাছিনাৰ পদত্যাগৰ পিছত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাই পুনৰ ৩ পৃষ্ঠাত



বোকাখাতত মহাসতী ৰাধিকাৰ ৫৬৯ সংখ্যক স্মৃতি দিৱস উদযাপন, ফটোঃ নিজা সংবাদ

## গুৱাহাটীৰ অপহৃত কিশোৰীক নলবাৰীত উদ্ধাৰ

**ই-সংবাদ, ২৩ মে':** গুৱাহাটীৰ পৰা অপহৃত এগৰাকী কিশোৰীক সফলতাৰে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষী। ৮ এপ্ৰিলত বশিষ্ঠ আৰক্ষী থানা এলেকাৰ লখৰাৰ পৰা সন্ধানহীন হোৱা কিশোৰী গৰাকীক এমাহ ১৫ দিন শেষাংশ ৯ পৃষ্ঠাত

## মঙলদৈ আদালতত কৰ্ট ফীৰ নাটনি

## মধ্যভোগীৰ দপদপনি

**ই-সংবাদ, মঙলদৈ, ২৩ মে':** মঙলদৈ আদালতত আজি এবছৰ ধৰি কৰ্ট ফীৰ নাটনিৰ ফলত আদালতৰ কামত নিয়োজিত অধিবক্তা, তৰণি আৰু সৰ্বসাধাৰণ লোকে অত্যধিক মূল্য ভৰিবলগীয়া হৈছে। আজি মঙলদৈ উকীল সন্থাৰ কাৰ্যলয়ত অনুষ্ঠিত কৰা এক সংবাদ মেলত মঙলদৈ উকীল সন্থাৰ সভাপতি মাধৱ ৰাজবংশীয়ে জনায় যে যোৱা বছৰৰ মে' মাহৰ পৰা মঙলদৈ জিলা কোষাগাৰে উৰ্ধ্বতন শেষাংশ ১১ পৃষ্ঠাত

## ভুৱা নথি আৰু ৱৰ্ক অৰ্ডাৰেৰে প্ৰৱঞ্চনা, গুৱাহাটীত গ্ৰেপ্তাৰ এজনক

**ই-সংবাদ, ২৩ মে':** ভুৱা নথি-পত্ৰ আৰু ভুৱা ৱৰ্ক অৰ্ডাৰ দেখুৱাই বহু লোকৰ পৰা ধন আদায় কৰাৰ অভিযোগত দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে জ্যোতিৰ্ময় লহকৰ নামৰ এজন লোকক। ইতিমধ্যে আৰক্ষীয়ে জানিবলৈ দিয়া মতে, অভিযুক্তৰ বিৰুদ্ধে জালিয়াতিৰ তদন্তত পোহৰলৈ আহিছে কেইবাটাও চাঞ্চল্যকৰ তথ্য। উল্লেখ্য যে শেষাংশ ৯ পৃষ্ঠাত

## নামঘৰ নিৰ্মাণৰ ধন পুনৰ ঘূৰাই নিদিলে বিধায়ক ৰমাকান্তই

**ই-সংবাদ, মৰিগাঁও, ২৩ মে':** মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে পঞ্চায়ত নিৰ্বাচনত তেওঁৰ সমৰ্থিত প্ৰাৰ্থীক সমৰ্থন নিদিয়াৰ বাবেই তেওঁৰ সমষ্টিৰ অন্তৰ্গত দূৰণি গাঁৱৰ চুতীয়া নামঘৰৰ অসম দৰ্শন আঁচনিৰ ধন যোৱা ২০ মে'ত ঘূৰাই দিবলৈ বাধ্য কৰোৱাৰ পিছত একে শেষাংশ ১১ পৃষ্ঠাত

## পদ্মশ্ৰী মামাং দাইলৈ অসম সাহিত্য সভাৰ সাহিত্যসূৰ্য লুম্বেৰ দাই সোঁৱৰণী বঁটা

**ই-সংবাদ, ২৩ মে':** ২০২৫ বৰ্ষৰ সাহিত্যসূৰ্য লুম্বেৰ দাই সোঁৱৰণী বঁটা অহা ১ জুনত অৰুণাচল প্ৰদেশৰ পাছিঘাটৰ গান্ধী ছেকেণ্ডেৰী স্কুল তিনিআলিত সাহিত্য সভাই সাহিত্যসূৰ্য লুম্বেৰ দাইৰ ৮৫ সংখ্যক জন্ম দিৱস উপলক্ষে আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে পদ্মশ্ৰী মামাং দাইক প্ৰদান কৰিব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ১২ পৃষ্ঠাত চাওক



## ডিমাকুছিত ভয়ংকৰ দুৰ্ঘটনাঃ থিতাতে নিহত দুই, আহত এক

**ই-সংবাদ, ডিমাকুছি, ২৩ মে':** ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত ডিমাকুছি-খাগ্ৰাবাৰী পথৰ খাচীয়াচুবাত শোকাৱহ ঘটনা সংঘটিত হয়। এখন পথাৰৰ পৰা হাল বাই আন এখন পথাৰলৈ হাল মাৰিবলৈ গৈ থাকোঁতেই শেষাংশ ১২ পৃষ্ঠাত

## বোকাখাতত মহাসতী ৰাধিকাৰ ৫৬৯ সংখ্যক স্মৃতি দিৱস উদযাপন

### বীণাপ্ৰভা দাসক সতী ৰাধিকা বঁটা প্ৰদান

**ই-সংবাদ, ২৩ মে' :** ১৮ মে'ত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোলাঘাট জিলাৰ বোকাখাতত কৈৱৰ্ত কুলনন্দিনী মহাসতী ৰাধিকাৰ ৫৬৯ সংখ্যক স্মৃতি দিৱস কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হয়। বোকাখাত নাট্য মন্দিৰত কৈৱৰ্ত মহিলা সভাৰ উদ্যোগত আৰু গোলাঘাট জিলাৰ আতিথ্যত প্ৰায় অসমৰ ১৬ জিলাৰ, আঞ্চলিক, শাখাসমূহৰ সহযোগত মহাসতী ৰাধিকাৰ ৫৬৯ সংখ্যক স্মৃতি দিৱস পালন কৰা হয়। প্ৰথম কাৰ্যসূচী তোৰণ মুকলি কৰে ৰজাবাৰীৰ বিশিষ্ট সমাজসেৱিকা হেম কুমাৰী দাসে। পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী ৰূপালী দাসে। মহাসতী ৰাধিকাৰ আলোকচিত্ৰৰ সমুখত বন্তি প্ৰজ্বলন কৰে কমাৰগাওঁ মহাবিদ্যালয় শিক্ষা বিভাগৰ মুৰব্বী অৱসৰপ্ৰাপ্ত অধ্যাপিকা মিনু শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সত্যপাল মালিকৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল

মালিককে ধৰি ৭ জন লোকৰ বিৰুদ্ধে কিস্তৱাৰ জিলাত হাইডেল প্ৰকল্পৰ ঠিকা প্ৰদানৰ ক্ষেত্ৰত সংঘটিত দুৰ্নীতিৰ অভিযোগত এক চাৰ্জশ্বীট দাখিল কৰে। চিবিআইৰ সূত্ৰই আন ৬ জন অভিযুক্তক চেনাব ভেলী পাৱাৰ প্ৰজেক্টছ প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক এম এছ বাবু, ব'ৰ্ডৰ সঞ্চালক এম কে মিট্টল আৰু অৰুণ কুমাৰ মিশ্ৰ, ব্যক্তিগত সম্পাদক বীৰেন্দ্ৰ ৰাণা আৰু কনোৱাৰ সিং ৰানা, আৰু কনৱালজিৎ সিং ডুগল নামৰ এজন ব্যক্তিৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। চিবিআয়ে ২০২২ চনৰ এপ্ৰিল মাহত জম্মু-কাশ্মীৰ চৰকাৰৰ অনুৰোধৰ পিছত দুটা গোচৰ পঞ্জীয়ন কৰিছিল। সেইকেইটা ক্ৰমে ক) ব্যক্তিগত কোম্পানীক জে এণ্ড কে কৰ্মচাৰীৰ স্বাস্থ্য সেৱা বীমা আঁচনিৰ চুক্তি প্ৰদান আৰু ২০১৭-১৮ চনত প্ৰায় ৬০ কোটি টকা মুকলি কৰা আৰু খ) ২০১৯ চনত এটা ব্যক্তিগত প্ৰতিষ্ঠানলৈ কিৰু হাইড্ৰ' ইলেক্ট্ৰিক পাৱাৰ প্ৰজেক্টৰ বাবে ২,২০০ কোটি টকাৰ চুক্তিৰ সৈতে জড়িত অসৎ ব্যৱহাৰৰ অভিযোগ। উল্লেখ্য যে ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত চিবিআয়ে তদন্তৰ অংশ হিচাপে মালিকৰ সৈতে জড়িত চৌহদকে ধৰি ৩০ টাতকৈও অধিক স্থানত অভিযান চলাইছিল। ইয়াৰ পূৰ্বে ২৯ জানুৱাৰীত দিল্লী আৰু জম্মু-কাশ্মীৰৰ ৮ টা স্থানত অনুসন্ধান চলোৱা হৈছিল। এই অভিযানৰ সময়ত সংস্থাটোৱে ডিজিটেল ডিভাইচ, সম্পত্তিৰ নথি-পত্ৰ আৰু ২১ লাখতকৈ অধিক নগদ ধন উদ্ধাৰ কৰে। ইফালে কেইঘণ্টামান পিছতে মালিকে বৃহস্পতিবাৰে চিকিৎসালয়ৰ বিছনাত পৰা ফটো শ্বেয়াৰ কৰি কয় যে তেওঁৰ স্বাস্থ্য "অতি বেয়া"। লগতে তেওঁ অচেতন হৈ থকা বা চিকিৎসালয়ৰ বিছনাত জিৰণি লোৱা, চিকিৎসালয়ৰ গাউন পিন্ধি শৰীৰত চিকিৎসাৰ তাঁৰ সংলগ্ন কৰা ফটোও পোষ্ট কৰে। যিকোনো আপডেটৰ বাবে তেওঁৰ সহায়ক কে এছ ৰাণাৰ সৈতে যোগাযোগ কৰিবলৈ কয়। উল্লেখ্য যে মালিকে ২০১৮ চনৰ আগষ্টৰ পৰা ২০১৯ চনৰ অক্টোবৰলৈকে জম্মু-কাশ্মীৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চিবিআইৰ অভিযোগ অনুসৰি তেওঁ ঠিকা প্ৰদানৰ ক্ষেত্ৰত ই-টেণ্ডাৰিঙৰ সঠিক নিৰ্দেশনা মানি চলা নাছিল। এই প্ৰকল্পটো সম্পন্ন কৰিছিল চেনাব ভেলী পাৱাৰ প্ৰজেক্টছ প্ৰাইভেট লিমিটেডে। আনহাতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে চিকিৎসাধীন সত্যপাল মালিকৰ স্বাস্থ্যৰ বুজ লয়। নিশা প্ৰায় ৯ বজাত ৰামমনোহৰ লোহিয়া হাস্পতালত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে সোনকালে সুস্থ হোৱাৰ কামনা কৰে গান্ধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপলক আকৌ সকীয়ালে ড'নাল্ড ট্ৰাম্পে!

আন কোনো ঠাইত নহয়"। অন্যথা তেওঁ সকীয়াই দিয়ে যে এপলে তেওঁলোকৰ সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আদায় দিব লাগিব। উল্লেখ্য যে যোৱা সপ্তাহত ডোহাত মধ্যপ্ৰাচ্য ভ্ৰমণৰ সময়ত ট্ৰাম্পে কৈছিল যে তেওঁ নিবিচাৰে যে এপলে ভাৰতৰ মাটিত নিজৰ সামগ্ৰী নিৰ্মাণ কৰক। তেওঁ ছ'চিয়েল মিডিয়াত লিখিছে, "মই বহু আগতেই টিম কুকক কৈছিলো যে আমেৰিকাত বিক্ৰী হোৱা আইফোন ভাৰত বা আন ঠাইত নহয়, আমেৰিকাত নিৰ্মাণ হ'ব লাগিব। যদি নহয় তেন্তে এপলে অন্ততঃ ২৫% শুল্ক দিব লাগিব।" এপলৰ চিইঅ' টিম কুকে চলিত মাহৰ আৰম্ভণিতে কয় যে চলিত বৰ্ষৰ দ্বিতীয় ত্ৰিমাসিকত আমেৰিকাত বিক্ৰী হোৱা বেছিভাগ আইফোনৰ মূল দেশ হ'ব ভাৰত, আনহাতে আইপেড, মেক, এপল ৱাচ আৰু এয়াৰপডৰ নিৰ্মাণ দেশ হ'ব ভিয়েটনাম। অৰশ্যে আমেৰিকাৰ বাহিৰৰ সামগ্ৰীৰ এক বৃহৎ অংশ চীনৰ পৰাই নিৰ্মাণ হ'ব। কিন্তু ডোহাত ট্ৰাম্পে কয়, "মই টিম কুকক কৈছিলো, আমি আপোনাৰ বাবে এটা ডাঙৰ কাম কৰিলোঁ। আপুনি ইয়াত ৫০০ বিলিয়ন ডলাৰ বিনিয়োগ কৰিছে, কিন্তু শুনিছোঁ আপুনি ভাৰতত সকলো উপাৰ্জন কৰি আছে। মই নিবিচাৰো যে আপুনি ভাৰতত উপাৰ্জন কৰক। ভাৰতে যদি নিজৰ দেশৰ যত্ন ল'ব বিচাৰে তেন্তে দিয়ক। কাৰণ ভাৰত বিশ্বৰ ভিতৰতে সৰ্বাধিক শুল্কযুক্ত দেশসমূহৰ ভিতৰত অন্যতম।" তেওঁ লগতে কয়, "আমি আপোনালোকৰ সকলো প্লাণ্ট চীনত সহ্য কৰিছো। এতিয়া আপুনি আমেৰিকাত উৎপাদন কৰিব লাগিব। ভাৰতে নিজৰ কাৰ্যকলাপ চলাব আৰু আমি বিচাৰো যে আপুনি ইয়াত উৎপাদন কৰক। তেওঁলোকে আমেৰিকাত উৎপাদন বৃদ্ধি কৰিব। এপলে ইতিমধ্যে ৫০০ বিলিয়ন ডলাৰ বিনিয়োগ কৰিছে, আৰু তেওঁলোকে উৎপাদন বৃদ্ধি কৰিছে, যিটো ভাল হ'ব।" আনহাতে, গৱেষণা সংস্থা কাউণ্টাৰপইণ্ট ৰিছাৰ্চৰ সঞ্চালক তৰুণ পাঠকে এই সতৰ্কবাণীক "ট্ৰাম্পৰ চিনাকি কৌশল" বুলি অভিহিত কৰিছে। তেওঁ কয়, "ট্ৰাম্পে এপলক আমেৰিকাত প্ৰত্যক্ষ উৎপাদন আৰু যোগান শৃংখল গঢ়ি তুলিবলৈ হেঁচা প্ৰয়োগ কৰিছে, যিটো এদিনতে সম্ভৱ নহয়। ভাৰতত নিৰ্মাণ কৰাতকৈ আমেৰিকাত নিৰ্মাণ কৰাটো বহুত বেছি খৰচী।" ৰিছাৰ্চৰ উপাধ্যক্ষ নীল শ্বাহে কয়, "এপলে ভাৰতত বহু কাম কৰিছে, যাৰ ফলত ভাৰতীয় উৎপাদনক আমেৰিকাৰ বজাৰৰ বাবে সফল কৰি তুলিছে। ভৱিষ্যতে আমেৰিকাৰ সমগ্ৰ আইফোনৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতৰ ক্ষমতা যথেষ্ট, কিন্তু ইক'ছিষ্টেমটো আৰু অধিক বিকশিত হোৱাৰ প্ৰয়োজন। বিশ্বৰ আইফোনৰ ২৫-৩০ শতাংশ চালান ভাৰতত কৰা হ'ব।"

# পশ্চিম কাৰ্বি আলংঙৰ খেৰণিত যৌতুকৰ বাবে পত্নীক শাৰীৰিক-মানসিক নিৰ্যাতন টেট শিক্ষকৰ

**ই-সংবাদ, বৈঠালাংছ', ২৩ মে':** পৰকীয়া প্ৰেম-যৌতুক-মহিলা নিৰ্যাতন আদিৰ ঘটনাবোৰ দিনক দিনে বৃদ্ধি পাব ধৰিছে। নিতৌ ভিন্ন ঠাইত বিশিপ্ত ঘটনা সংঘটিত হোৱাৰ ঘটনা পোহৰলৈ আহিছে। তেনে এক ঘটনা সংঘটিত হয় পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰনি থানাৰ অন্তৰ্গত মাইলু বস্তিত। জানিব পৰা মতে, বিয়াৰ কেইদিনমানৰ পিছৰে পৰা সুশীল সিং নামৰ টেট শিক্ষকজনে নিজ পত্নীক যৌতুক বিচৰাত পিতা-পুত্ৰৰ একাউণ্টত এক লাখ সত্তৰ হাজাৰ টকা আৰু নগদ এক লাখ ত্ৰিশ হাজাৰ টকা দিয়ে। তাৰ কেইদিনমানৰ পাছতে আপাচি বাইক এখনো যৌতুক হিচাপে দিয়ে। তাৰ পাছতো যৌতুকৰ নামত ডেৰ লাখ টকা বাকী থাকিল বুলি প্ৰায়ে পত্নীক শাৰীৰিক নিৰ্যাতন চলাই আহে। আজিও পুৱাই যৌতুক বিচাৰি পত্নীক গালি-গালাজ আৰম্ভ কৰে। এনে সময়ত শাহুগৰাকীয়েও আক্ৰমণ কৰাত অচেতন হৈ মাটিত ঢলি পৰে বোৱাৰীগৰাকী। এটা সময়ত ক্ৰোধিত হৈ বোৱাৰীৰ ম'বাইল ফোনো ভাঙি পেলায়। ততাতৈয়াকৈ ওচৰ চুবুৰীয়া লোকে পাছলৈ পত্নীগৰাকীৰ পৰিয়ালৰ লোকে খেৰনি চিকিৎসালয়ত মুমুৰ্ষ অৱস্থাত ভৰ্তি কৰোৱাত প্ৰাথমিক চিকিৎসাৰ অন্তত মহিলাগৰাকীৰ জ্ঞান ঘুৰি আহে। শিক্ষক ৰূপী এই গৰাকী নৰপশুটোৰ এনে কাণ্ডক অঞ্চলবাসীয়ে একেমুখে তীব্ৰ ভাষাৰে নিন্দা কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তনু শ্বাহীক 'মাফ', থলগিৰিকহে হেণ্ডকাফ!

আপত্তিজনক মন্তব্য কৰা তনু শ্বাহী নামৰ যুৱতীগৰাকীক গ্ৰেপ্তাৰ কৰাকে ধৰি যোৱা ১৪ এপ্ৰিলত নাওশলীয়া আৰক্ষী চকী আক্ৰমণৰ লগত জড়িত দোষীক গ্ৰেপ্তাৰ কৰা, দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন গগৈৰ বাসগৃহৰ ক্ষতিসাধন কৰা দুষ্কৃতিকাৰীক কৰায়ত্ত কৰা, ১৫ এপ্ৰিলত গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পিক্ পেলাই অপমানিত কৰা দুষ্কৃতিকাৰীক কৰায়ত্ত কৰা আদি দাবীৰ সমৰ্থনত টাই আহোম ছাত্ৰ সন্থা, অসমীয়া মহিলা মঞ্চ, চুতীয়া ছাত্ৰ সন্থা, আছা, আটছা, বীৰ লাচিত সেনাকে ধৰি ১২ টা জাতীয়-জনগোষ্ঠীয় সংগঠনে এই বন্ধৰ আহ্বান কৰিছিল। আজি পুৱা ৫ বজাৰেপৰা আৰম্ভ হোৱা এই বন্ধৰ প্ৰতি সৰ্বস্তৰৰ ৰাইজে ব্যাপক সঁহাৰি জনাই বন্ধ সফল কৰি তোলে। বন্ধৰ সময়চোৱাত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয়, অসম গেছ কোম্পানী, বেংককে ধৰি সকলো দোকান-পোহাৰ, বজাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণ বন্ধ থাকে। জনশূন্য হৈ পৰে দুলীয়াজানৰ সদাব্যস্ত ৰাজপথৰ লগতে পুৱাৰেপৰা জনাকীৰ্ণ হৈ থকা অইল ইণ্ডিয়া বজাৰ, ডেইলী বজাৰ, টিপলিং, ১৬ নম্বৰ, ভৱানী মাৰ্কেট আদি স্থানসমূহ। তদুপৰি চহৰখনৰ উপকণ্ঠৰ ভাদৈ পাঁচআলি, নাওশলীয়া, বৰুৱা তিনিআলি, মধুটিং আদি অঞ্চলো স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। অৱশ্যে, বিদ্যালয়-মহাবিদ্যালয়ৰ লগতে জৰুৰীকালীন সেৱাৰ লগত জড়িত বিভাগসমূহ বন্ধৰ সময়ছোৱাত স্বাভাৱিকভৱে চলি থাকে। পুৱাৰেপৰা সহস্ৰাধিক আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে সম্পূৰ্ণ চহৰখনত কটকটীয়া নিৰাপত্তাবেষ্টনী গঢ়ি তোলাৰ মাজতে দুলীয়াজান থানাৰ সমীপতে একাংশ প্ৰতিবাদকাৰীয়ে তনু শ্বাহীক গ্ৰেপ্তাৰ কৰক, শংকৰজ্যোতি বৰুৱাক মুক্তি দিয়ক, বি এন সিং পেট্ৰ'ল ডিপুৰ স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ কৰক আদি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলাত আৰক্ষীয়ে অসমীয়া মহিলা মঞ্চৰ সভাপতি মিনাক্ষী গগৈ, সম্পাদক ৰানু তামুলী, আটাছুৰ বৰডুবি আঞ্চলিকৰ সভাপতি জ্যোতিস্মান হাজৰিকা, সম্পাদক ৰঞ্জিত গগৈ, গোৰ্খা মহিলা মঞ্চৰ দুলীয়াজানৰ আঞ্চলিক সমিতিৰ সভাপতি তুলসী ৰায়, সাধাৰণ সম্পাদক মঞ্জু থাপা, উপ-সভাপতি আশা থাপা আৰু বিনা গিৰীকে ধৰি ১২ টা সংগঠনৰ প্ৰায় ৩০ গৰাকী প্ৰতিবাদকাৰীক আৰক্ষীয়ে আটক কৰি টেঙাখাট থানালৈ লৈ যায়। বাতৰি লিখা পৰলৈকে আটকাধীন প্ৰতিবাদকাৰীসকলক মুকলি কৰি দিয়া নাই। ইফালে, দুলীয়াজানত আহি উপস্থিত হয়হি অসম আৰক্ষীৰ আইন-শৃংখলা বিভাগৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি উচ্চপদস্থ আৰক্ষী বিষয়াসকল। আনহাতে, বিয়লি আইন-শৃংখলা বিভাগৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙে সাংবাদিকৰ আগত তনু শ্বাহীৰ প্ৰসংগত কয় যে বৰ্তমান তনু শ্বাহী আৰক্ষীৰ জিম্মাত নাই। তনু শ্বাহীৰ বিৰুদ্ধে যেনেকৈ অভিযোগ আহিছে তেনেকৈ আইনী পদক্ষেপ গ্ৰহণ কৰি ইতিমধ্যে সোধাপোচা কৰা হৈছে।
শংকৰজ্যোতিৰ হেণ্ডকাফৰ প্ৰসংগত আৰক্ষী বিষয়াজনে স্পষ্টকৈ কয় যে এইক্ষেত্ৰত কোনো ৰাজনৈতিক হস্তক্ষেপ নাই। সমগ্ৰ তেল ডিপোৰ ঘটনাটো বিশেষ অপৰাধ হিচাপে গণ্য কৰি সম্পূৰ্ণ তথ্য- প্ৰমাণৰ ভিত্তিত অনুসন্ধান চলাই থকা হৈছে। উল্লেখ্য যে তনু শ্বাহীক কালি নিশা আৰক্ষীয়ে সোধাপোছা কৰি এৰি দিয়াৰ বিপৰীতে আজি দুলীয়াজানলৈ আহি থকা অৱস্থাত শিৱসাগৰৰ চেপনত বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাক আৰক্ষীয়ে আটক কৰে। ইতিমধ্যে শৃংখল চলিহাক মুক্তিৰ দাবীত শিৱসাগৰকে ধৰি বিভিন্ন স্থানত প্ৰতিবাদ হোৱাৰ বাতৰি পোৱা গৈছে ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইন্দিৰা ভৱনত কংগ্ৰেছৰ বিশেষ শিবিৰ

চৰকাৰৰ বিৰুদ্ধে এক প্ৰভাৱশালী ৰণকৌশল তৈয়াৰ কৰাৰ লক্ষ্যৰে কংগ্ৰেছে শুকুৰবাৰে দিল্লীত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ, মিডিয়া পেনেলিষ্টৰ লগতে প্ৰতিখন ৰাজ্যৰ মিডিয়া বিভাগৰ অধ্যক্ষসকলৰ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। এই প্ৰশিক্ষণ শিবিৰত দেশৰ প্ৰায় ১৪২ গৰাকী মুখপাত্ৰ, মিডিয়া পেনেলিষ্ট আৰু ৰাজ্যসমূহৰ মিডিয়া বিভাগৰ অধ্যক্ষসকলে অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ কোটলা ৰোডস্থিত কংগ্ৰেছৰ নতুন কাৰ্যালয় ইন্দিৰা ভৱনত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ শিবিৰত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী উপস্থিত থাকি সকলোকে সম্বোধন কৰে। নিজৰ সম্বোধনত ৰাহুল গান্ধীয়ে প্ৰতিটো বিষয়ত দলীয় দৃষ্টিভংগী কেনেদৰে টিভি আৰু অন্যান্য মাধ্যমত উপস্থাপন কৰিব লাগে সেয়া বুজাই দিয়ে। তেওঁ কয়, "আমি বিজেপিৰ ফান্দত পৰা উচিত নহয়। বিজেপি হৈছে এটা তথ্যবিহীন দল। আমাৰ ওচৰত প্ৰতিটো বিষয়ৰ ওপৰত তথ্য আছে—এই তথ্যৰ আধাৰতেই আমি সংবাদ মাধ্যমৰ তৰ্ক-বিতৰ্কত অংশ ল'ব লাগিব।" ৰাহুল গান্ধীয়ে সকলোকে কথা কোৱা ভংগীমাত নতুনত্ব আনিবলৈ আহ্বান জনাই আৰু কয়, "টিভি বিতৰ্কত আপোনালোকে নিজৰ মতামত সাহসেৰে আৰু আগ্ৰাসী ভংগীত উপস্থাপন কৰিব লাগিব। আমি আত্মৰক্ষামূলক ভংগীত কথা ক'লে নহ'ব। যদি প্ৰতিপক্ষ আৰু এংকৰে কোৱাৰ সুযোগ নিদিয়ে, তথাপিও আপোনালোকে নিজৰ কথা আগ্ৰাসীভাৱে উপস্থাপন কৰিবলৈ কোনো সংকোচবোধ নকৰিব।" এই শিবিৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ এটা ভিডিঅ' বাৰ্তাও প্ৰদৰ্শন কৰা হয়। ভিডিঅ'টোত খাৰ্গেই কয়, "এই শিবিৰ কেৱল এক কাৰ্যসূচী নহয়, এয়া হৈছে আমাৰ চিন্তা আৰু সংগ্ৰামৰ এক ধাৰাবাহিকতা। আজি সমগ্ৰ দেশতে জাতিগত ন্যায়ক লৈ চৰ্চা চলিছে, সেই সময়ত কংগ্ৰেছৰ দায়িত্ব হৈছে এই আলোচনাক শ্ল'গানৰ পৰা নীতি কৰি তোলা। এই কথাবোৰ আমি সকলোৱে তথ্য আৰু যুক্তিসহকাৰে দেশৰ ৰাইজৰ ওচৰত উপস্থাপন কৰিব লাগিব।" উল্লেখ্য যে, আজিৰ এই বৈঠকত দেশৰ প্ৰতিখন ৰাজ্যৰ প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষসকলৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাইয়ো অংশগ্ৰহণ কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰি মিডিয়া বিভাগৰ অধ্যক্ষগৰাকীয়ে যথেষ্ট আনন্দ প্ৰকাশ কৰে। তেওঁ কয়, "এই শিবিৰত অংশগ্ৰহণ কৰি আমি নতুন শক্তি লাভ কৰিছো। বিভিন্ন নতুন বিষয় সম্পৰ্কে আমাক ৰাহুল গান্ধী আৰু অন্যান্য বক্তাসকলে অৱগত কৰিছে। ভিতৰুৱা সকলো কথা মুকলিকৈ কোৱাতো সম্ভৱ নহয়। মুঠতে, এটা কথা ঠিক যে এতিয়াৰে পৰা আমাৰ মুখপাত্ৰ আৰু মিডিয়া পেনেলিষ্টসকলক এক নতুন ৰূপত ৰাইজে দেখিবলৈ পাব।" আজিৰ এই বৈঠকত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কেবাগৰাকী অভিজ্ঞ জ্যেষ্ঠ নেতাৰ লগতে মিডিয়া বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ পৱন খেৰাইয়ো অংশগ্ৰহণ কৰে।

# তামুলপুৰত ৬ জুনত অনুষ্ঠিত হ'বলগীয়া ঋণ মেলাৰ প্ৰস্তুতি

**ই-সংবাদ, তামুলপুৰ, ২৩ মে':** আজি তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত তামুলপুৰত লোন মেলা সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত তামুলপুৰত হ'বলগীয়া লোন মেলাখনৰ বিভিন্ন দিশ পুংখানুপুংখভাৱে আলোচনা কৰা হয়। উদ্যোগ, মীন, পশুপালন, হস্ততাঁত আদি বিভাগসমূহক হিতাধিকাৰীসকলৰ তালিকা প্ৰস্তুত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়, যি তালিকা শীঘ্ৰে বেংকলৈ প্ৰেৰণ কৰা হ'ব। বেংকৰ ভূমিকা সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে কয়, "যিহেতু বাৰ্ষিক কোটিৰ ঘৰত লেনদেন হয়, গতিকে যি বেংকে আমাক সহযোগ কৰিব, তেওঁলোকৰ লগতহে আমি জড়িত হ'ম।" যোৱা বৰ্ষৰ ডিচেম্বৰ মাহত তামুলপুৰত প্ৰথমখন লোন মেলা অনুষ্ঠিত হৈছিল, য'ত মুঠ ৩১.৩৮ কোটি টকাৰ ৭৮১টা লোন মঞ্জুৰ কৰা হৈছিল। উক্ত মেলাৰ কিমান বিতৰণ কৰা হৈছে, তাৰো খতিয়ান জিলা আয়ুক্তগৰাকীয়ে বিচাৰে। উল্লেখ্য যে অহা ৬ জুনত জিলাখনত দ্বিতীয়বাৰৰ বাবে লোন মেলা অনুষ্ঠিত হ'ব। আজিৰ সভাত অসম গ্ৰামীণ জীৱিকা অভিযান মিছন, ছেলকো ফাউণ্ডেছন, এছবিআই, ইউকোৰ বিষয়ববীয়াসকলে ভাগ লয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বোকাখাতত মহাসতী ৰাধিকাৰ ৫৬৯

হাজৰিকাই, মালা অৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদিকা চুমী দাসে। কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদিকা ৰূপা হাজৰিকা আৰু বিষয়ববীয়া, গোলাঘাট জিলা সমিতিৰ সভানেত্ৰী কুঞ্জলতা দাস, সম্পাদিকা চিতা দাস, উদযাপন সমিতি সম্পাদিকা লক্ষ্যণা দাস, আঞ্চলিক সমিতিৰ বিষয়-ববীয়া, শাখা সমিতিৰ বিষয়ববীয়া সকলোৱে বন্তি প্ৰজ্বলনত ভাগ লয় আৰু সতী ৰাধিকা আইক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। বিভিন্ন জিলাৰ পৰা অহা প্ৰতিনিধি আইসকলক আদৰণি জনাই বন্তি প্ৰজ্বলন কৰে ক্ৰমে আদৰণি সমিতিৰ সভানেত্ৰী কুঞ্জলতা দাস, উপ-সভানেত্ৰী আদিতা দাস, ৰজাবাৰী আঞ্চলিক সভানেত্ৰী হেলেন দাস, গোলাঘাট জিলাৰ সকলো শাখাৰ সভানেত্ৰী সম্পাদিকা বিষয়ববীয়া সকলোৱে মাধৱদেৱৰ ঘোষাৰে আদৰি আনি আসনত বহায়। কলাখোৱা শাখা, দৰং জিলাৰ আইসকলে সতী ৰাধিকাৰ দিহা নামেৰে নগাঁও জিলাৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শনেৰে আমাৰ সকলোৰে অতি শ্ৰদ্ধাৰ আই বাপ ঈশ্বৰৰ সহধৰ্মিনী শ্ৰীযুতা বীনাপ্ৰভা দাস আইক আদৰি আনি মঞ্চৰ আসনত বহায়। মুকলি সভাৰ আৰম্ভণিতে সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় সমিতিৰ বিষয়-ববীয়া, জিলা সমিতিৰ বিষয়-ববীয়া, আঞ্চলিক সমিতিৰ বিষয়-ববীয়া শাখা সমিতিৰ বিষয়-ববীয়াই কয় যে বোকাখাতত বিশ্ববিদ্যালয়ৰ স্থাপন, পাঠ্যপুথিত সতী ৰাধিকাৰ পাঠ অন্তভুক্ত কৰা লগতে প্ৰতিখন জিলাতে সতী ৰাধিকাৰ প্ৰতিমূৰ্তি স্থাপন, আসন সংৰক্ষণৰ দাবী জনায়। এগছি বন্তি প্ৰজ্বলন কৰি মুকলি সভাৰ মঞ্চ উদ্বোধন কৰে সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাসে। মুকলি সভাৰ সভাপতিত্ব কৰে কৈৱৰ্ত মহিলা সভাৰ সভানেত্ৰী ৰূপালী দাসে। সভাত অধ্যাপিকা, সমাজ সেৱিকা ৰঞ্জনা দাস নিৰ্দিষ্ট বক্তাৰ বক্তব্য আগবঢ়ায়। একশৰন ভাগৱতী সমাজৰ প্ৰতিস্থাপক আচাৰ্য ইলাৰাম বাপ ঈশ্বৰৰ সহধৰ্মিনী বীণাপ্ৰভা দাসক সতী ৰাধিকা বঁটা প্ৰদান কৰে। মুখপত্ৰ তেজস্বিনী উন্মোচন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈয়ে, ন- লেখিকা স্মৃতিৰেখা দাসৰ সতী ৰাধিকা আই আৰু সংস্কাৰ গ্ৰন্থখন ১২ মে'ত বৌদ্ধ পূৰ্ণিমাৰ দিনা সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাঙ্গনত উন্মোচন কৰা হয়। সভাত বিভিন্ন জিলাৰ বিশিষ্ট অতিথি উপদেষ্টা মণ্ডলী উপস্থিত থকাৰ লগতে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, বিশিষ্ট সাহিত্যিক কল্পনা চেতীয়া, নিজৰা বৰঠাকুৰ উপস্থিত থাকে। বিভিন্ন জিলাৰ পৰা অহা আইসকলে সতী ৰাধিকাৰ ওপৰত কবিতা ঘোষা পাঠ কৰি উপস্থিত ৰাইজক আমোদ দিয়ে। মুকলি সভাৰ আতধৰে কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদিকা ৰূপা হাজৰিকা আৰু উদযাপন সমিতিৰ সম্পাদিকা লক্ষণা দাসে। সাংস্কৃতিক সন্ধিয়া সতী ৰাধিকাৰ নাট্য উদ্বোধন কৰে বিশ্বনাথৰ সাংবাদিক অজিত দাসে। ৰূপা হাজৰিকা আৰু চুমী দাসৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাত টুনীৰাম হাজৰিকা আৰু বলিন দাসৰ পৰিচালনাত সতী ৰাধিকাৰ নাট্য প্ৰদৰ্শনৰ পিছতেই দিনজোৰা কাৰ্যসূচী সামৰণি পৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁৱৰ ৰহঢলাত মীন পালনৰ নামত

অচিলা লৈ পুখুৰীৰ পাৰত বিষাক্ত কীটনাশক প্ৰয়োগৰ ফলতেই এইদৰে মৃত্যুক সাবটিবলগীয়া হৈছে কেইবাটাও গো-ধনে। জানিব পৰা মতে, ৰহঢলাৰ ৰাইজৰ গো-চৰণীয়া পথাৰত কিছুবছৰ পূৰ্বে 'অংকুৰ মীন পালন' নামৰ এটি প্ৰকল্প আৰম্ভ কৰা হৈছিল। স্থানীয় ৰাইজে জনোৱা মতে, হৰেণ বৰা আৰু পুলিন বৰদলৈ নামৰ দুগৰাকী স্থানীয় ব্যক্তি জড়িত হৈ থকা উক্ত প্ৰকল্পতে নিয়োজিত কেইজনমান অনা অসমীয়াই এতিয়া নিবিয়ে চলাইছে সন্ত্ৰাস। ইয়াৰ অংশহিচাপে শেহতীয়াকৈ বিষাক্ত কীটনাশক প্ৰয়োগৰ ফলত খাটিখোৱা দৰিদ্ৰ কৃষকৰ গো-ধনৰ মৃত্যু হৈছে। উল্লেখ্য যে, বছৰ বছৰ ধৰি ৰহঢলাৰ গঞা ৰাইজে ব্যৱহাৰ কৰি অহা গো-চৰণীয়া পথাৰখনত এচাম সুবিধাবাদী অনা অসমীয়া লোকে কোনো ধৰণৰ জাননী নিদিয়াকৈ তথা বেৰ আদি নিদিয়াকৈ কীটনাশক ব্যৱহাৰ কৰিছে। সেয়ে স্থানীয় ৰাইজে কেতিয়াও ব্যৱহাৰ কৰি নোপোৱা এনে কীটনাশক সন্দৰ্ভত আগতীয়াকৈ অৱগত নকৰাৰ ফলতেই এইদৰে গো-ধনৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। যাৰ পৰিণতিত এই ঘটনাক লৈ অঞ্চলটোৰ ৰাইজৰ মাজত আতংকৰ চাপ বিয়পি পৰাৰ লগতে শংকিত হৈ পৰিছে খিলঞ্জীয়া কৃষকসকল। ইফালে, এনেদৰে গো-ধনৰ মৃত্যু হোৱাৰ দৰে শোকাৰহ ঘটনা সংক্ৰান্তত ইতিমধ্যে ভুক্তভোগীয়ে জাজৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ অপহৃত কিশোৰীক

পিছত গুৱাহাটী আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। নলবাৰী জিলাৰ মথুৰাপুৰ অঞ্চলত অভিযান চলাই উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, বশিষ্ঠ আৰক্ষী থানা এলেকাৰ পিঠাগুৰিপাহাৰ অঞ্চলৰ কিশোৰীগৰাকী ৮ এপ্ৰিলত গুৱাহাটীৰ লখৰাৰ পৰা সন্ধানহীন হৈছিল। পিছত পৰিয়ালে বশিষ্ঠ আৰক্ষীক অভিযোগ দাখিল কৰে। অভিযোগৰ ভিত্তিত অভিযান চলাই নলবাৰী জিলাৰ টিহু আৰক্ষী থানাৰ অন্তৰ্গত মথুৰাপুৰ অঞ্চলত উদ্ধাৰ হয় কিশোৰীগৰাকী। ধ্ৰুৱ বৰ্মনৰ বিৰুদ্ধে কিশোৰীগৰীকক অপহৰণ কৰা বুলি অভিযোগ উঠিছিল। অভিযুক্ত ধ্ৰুৱ বৰ্মনক স্থানীয় আৰক্ষীৰ সহযোগত নলবাৰী আৰক্ষী থানা এলেকাৰ আখৰা গাঁৱৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...


# ভুৱা নথি আৰু ৱৰ্ক অৰ্ডাৰেৰে প্ৰৱঞ্চনা

গুৱাহাটীৰ এফ এ আহমেদ নগৰৰ 'দ্য লেগেচি এপাৰ্টমেণ্টছ'ৰ বাসিন্দা ছামিম আলী নামৰ এজন লোকে জ্যোতিৰ্ময়ৰ বিৰুদ্ধে দাখিল কৰিছিল এজাহাৰ। অভিযোগ অনুসৰি চিকিৎসা সঁজুলি যোগানৰ সৈতে জড়িত ভুৱা ৱৰ্ক অৰ্ডাৰ দেখুৱাই তেওঁৰ পৰা ৪ লাখ টকা প্ৰতাৰণা কৰিছিল অভিযুক্তই। জানিব পৰা মতে, কেৱল ছামিম আলীয়েই নহয়, জ্যোতিৰ্ময় লহকৰে সমগ্ৰ গুৱাহাটী আৰু যোৰহাটতো একেদৰে বহু লোকক প্ৰতাৰণা কৰিছে। তেওঁ একাধিক ভুৱা নথি-পত্ৰ সৃষ্টি কৰি ৱৰ্ক অৰ্ডাৰৰ নামত টকা লৈ পিছত অন্তৰ্ধান হৈ পৰে। আৰক্ষীয়ে জনোৱা মতে, ৩২ বৰ্ষীয় অভিযুক্তজনৰ বিৰুদ্ধে ইতিমধ্যে আইনী ব্যৱস্থা আৰম্ভ কৰা হৈছে। দিছপুৰ আৰক্ষী থানাৰ বিষয়াসকলে কয় যে তদন্তৰ সময়ত প্ৰৱঞ্চনাৰ বলি হোৱা আৰু বহু লোকৰ সন্ধান পোৱাৰ সম্ভাৱনা আছে। তদুপৰি জ্যোতিৰ্ময় লহকৰৰ সৈতে এনেধৰণৰ আৰ্থিক লেনদেন কৰা সকলক আগবাঢ়ি আহি তথ্য প্ৰদান কৰিবলৈ আৰক্ষীয়ে আহ্বান জনাইছে। তদন্তকাৰীয়ে এতিয়া এই প্ৰৱঞ্চনাৰ জালখন কিমান দূৰলৈকে বিস্তৃত হৈ আছে, সেই সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পেহেলগাম কাণ্ডৰ এমাহ, দুৰ্ভোগ ভুগিছে পৰ্যটন ব্যৱসায়ীয়ে

**শ্ৰীনগৰ, ২৩ মে':** এসময়ৰ পৰ্যটকেৰে গিজগিজাই থকা পেহেলগামত এতিয়া মৰিশালিৰ নিস্তব্ধতা। ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ এমাহ সম্পূৰ্ণ হোৱাৰ পাছতো ইয়াৰ পৰিণতিৰ সৈতে যুঁজি আছে জম্মু-কাশ্মীৰে। বৈসাৰণৰ ঘাঁহনিত পৰ্যটকৰ ওপৰত হোৱা আক্ৰমণৰ ফলত কাশ্মীৰৰ পৰ্যটনত গভীৰ প্ৰভাৱ পৰিছে। জম্মু-কাশ্মীৰৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ অৰিহণা যোগোৱা (বছৰি প্ৰায় ১০,০০০ কোটি টকা) পৰ্যটন ক্ষেত্ৰখন ব্যাপকভাৱে লোকচানৰ সন্মুখীন হৈছে। পৰ্যটকৰ সমাগম পাতল হোৱাৰ ফলত পছমিনা চাদৰ, কেশৰ আৰু স্মৃতিচিহ্ন বিক্ৰী কৰা দোকান বন্ধ হৈ পৰিছে, যাৰ ফলত অঞ্চলটোৰ অৰ্থনীতিত যথেষ্ট প্ৰভাৱ পৰিছে। এটা হিচাপ অনুসৰি এই মাহত পৰ্যটন উদ্যোগটোৱে প্ৰায় দুহেজাৰ কোটি টকাৰ লোকচানৰ সন্মুখীন হৈছে। এতিয়া সমগ্ৰ ভাৰতৰ পৰ্যটন ব্যৱসায়ীসকলে কাশ্মীৰৰ পৰ্যটন ব্যৱসায়ীসকলৰ সৈতে "চলো কাশ্মীৰ" নামৰ এক অভিযান আৰম্ভ কৰিছে, য'ত প্ৰায় ২৪০০ টা ট্ৰেভেল মেম্বাৰ কোম্পানীয়ে জম্মু-কাশ্মীৰৰ পৰ্যটন উদ্যোগ পুনৰুদ্ধাৰ কৰাৰ লক্ষ্য লৈছে। সমগ্ৰ দেশৰ ট্ৰেভেল এজেন্টসকলে কয় যে তেওঁলোকৰ উদ্দেশ্য কাশ্মীৰৰ জনসাধাৰণৰ সৈতে সংহতি প্ৰদৰ্শন কৰা। চেম্বাৰ্ছ অব কমাৰ্চৰ সভাপতি তাৰিক ঘানীয়ে কয়, "কাশ্মীৰ চলোট'ৰে কেৱল কাশ্মীৰৰ পৰ্যটনক প্ৰসাৰিত কৰাই নহয়, লোকক পুনৰ আকৰ্ষণ কৰিবলৈ শীৰ্ষ বতৰত হোটেল, হাউছবোট, অতিথিশালাতো ৫০ শতাংশ ৰেহাই প্ৰদান কৰিব। 'চলো কাশ্মীৰ' অভিযান আৰম্ভ কৰা হৈছে আৰু মই আপোনালোকক জনাব বিচাৰিছোঁ যে ২৭ মে', ২৮, আৰু ২৯ মে', ২০২০ তাৰিখে। আমি এটা পৰিচিতি ভ্ৰমণ চলাইছোঁ য'ত সমগ্ৰ দেশৰ পৰা ভ্ৰমণ অংশীদাৰসকলে এই অভিযানক সমৰ্থন কৰিবলৈ আহিছে।" পেহেলগাম আক্ৰমণৰ পাছত উপত্যকাখনৰ স্থানীয় লোকে সমগ্ৰ উপত্যকাত অস্বস্তিকৰ নিৰ্জনতা বিৰাজ কৰাৰ কথা প্ৰকাশ কৰিছে। কোনো পৰ্যটক নথকাৰ বাবে গুলমাৰ্গ, পেহেলগাম, সোণমাৰ্গ আদি ঠাইবোৰ উদং হ'বলৈ আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।



শাৰী পিন্ধি, শিৰত সেন্দুৰ লৈ কাঁ চলচ্চিত্ৰ মহোৎসৱৰ ৰে'ড কাৰ্পেটত ঐশ্বৰ্য ৰায়, ফটো, শুকুৰবাৰ

# ধ্বংসস্তূপত গাজাৰ ৯৪শতাংশ চিকিৎসালয়

**গাজা, ২৩ মে':** বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা মতে গাজাৰ কমেও ৯৪ শতাংশ চিকিৎসালয় ক্ষতিগ্ৰস্ত বা ধ্বংস হৈ আছে আৰু ৩৬খন চিকিৎসালয়ৰ ভিতৰত মাত্ৰ ১৯খন চিকিৎসালয়হে আংশিকভাৱে কাৰ্যক্ষম হৈ আছে। ৰাষ্ট্ৰসংঘৰ সংস্থাটোৱে এক্সৰ এটা প'ষ্টত কয় যে, "চিকিৎসালয়সমূহক কেতিয়াও সামৰিকীকৰণ কৰিব নালাগে আৰু সেইবোৰ কেতিয়াও টাৰ্গেট হ'ব নোৱাৰে।" ইফালে, শুকুৰবাৰে পুৱা ইজৰাইলে উত্তৰ গাজাৰ জাবালিয়া আল-বালাদ অঞ্চলৰ এটা আৱাসিক ভৱনত বোমা বিস্ফোৰণ কৰাৰ পিছত ৫০ জনতকৈ অধিক পেলেষ্টাইনী নিহত হৈছে বা নিৰুদ্দেশ হৈ আছে। চাৰিজনৰ মৃতদেহ উদ্ধাৰ কৰি ধ্বংসাৱশেষৰ তলৰ পৰা ছয়জন লোকক উদ্ধাৰ কৰা গাজাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে এই দৃশ্যক 'ভয়ংকৰ হত্যাকাণ্ড' বুলি অভিহিত কৰিছে। স্থানীয় সাংবাদিকৰ ভিডিঅ'ত দেখা গৈছে ধ্বংসাৱশেষৰ পৰা উদ্ধাৰ হোৱা এটা কেঁচুৱা আৰু কেইবাটাও শিশুৰ মৃতদেহ।

## ১২ বছৰীয়া শিশুৰ ছুইচাইড নোট

# 'মা, মই চুৰি কৰা নাই, কুৰ্কুৰে ভাল পাওঁ'

**কলকাতা, ২৩ মে':** এপেকেট চিপ্‌চৰ বাবে আত্মহননৰ দৰে চৰম পথ বাছি ল'লে এটি ১২ বছৰীয়া কণমানিয়ে। এই হৃদয় বিদাৰক ঘটনাটো সংঘটিত হৈছে পশ্চিমবংগৰ পশ্চিম মেদিনীপুৰ জিলাত। ঘটনাৰ বিৱৰণি মতে চিপ্‌চ কিনিবলৈ গৈ দোকানত কাকো নেদেখি পেকেট এটা কৃষেন্দু দাস নামৰ সপ্তম শ্ৰেণীত পঢ়া শিশুটিয়ে লগত লৈ গৈছিল। শিশুটিয়ে চিপ্‌চ লৈ যোৱা দূৰৰ পৰা দেখা পাই দোকানী শুভংকৰ দীক্ষিতে শিশুটিক খেদা মাৰি আহে আৰু চুৰিৰ অভিযোগ তুলি শিশুটিক বেয়াকৈ মাৰধৰ কৰে। কেৱল সেয়াই নহয়, বজাৰৰ মাজত সকলোৰে দেখাকৈ শিশুটিক কাণত ধৰি উঠা-বহা কৰিবলৈ শুভংকৰে শিশুটিক বাধ্য কৰে। ইফালে শিশুটিয়ে বাৰে বাৰে দোকানীজনক কৈ আছিল যে দোকানৰ সন্মুখত চিপচৰ পেকেটটো পৰি থকা দেখিহে তেওঁ তুলি লৈছিল আৰু পাছত ঘৰৰপৰা পইচা আনি দি দিয়াৰ কথা ভাবিছিল। কিন্তু কৃষেন্দুৰ কোনো কথাই নুশুনিলে দোকানীজনে আৰু সমজুৱাকৈ শিশুটিক অপমান আৰু মাৰধৰ কৰিলে। এই ঘটনাৰ পাছতে ঘৰলৈ উভতি গৈ কীটনাশক পান কৰি আত্মহত্যা কৰে শিশুটিয়ে। সপ্তম শ্ৰেণীৰ ছাত্ৰজনে মাকলৈ ছুইচাইড নোটত লিখি যায় এনেদৰে- "মা মই চোৰ নহয়। চুৰি কৰা নাই। ৰৈ থাকোঁতে খুড়া (দোকানী) ওচৰত নাছিল। উভতি আহোঁতে ৰাস্তাত পৰি থকা কুৰ্কুৰে পেকেট এটা দেখা পাই তুলি ল'লোঁ। কুৰকুৰে ভাল পাওঁ।" সম্প্ৰতি দোকানী শুভংকৰ দীক্ষিত পলাতক হৈ আছে বুলি জানিব পৰা গৈছে।

# ক'ভিড-১৯ সন্দৰ্ভত বিশেষ নিৰ্দেশনা দিল্লী চৰকাৰৰ

**নতুন দিল্লী, ২৩ মে':** আজি দিল্লী চৰকাৰে ক'ভিড-১৯ সন্দৰ্ভত পৰামৰ্শ জাৰি কৰি ৰাষ্ট্ৰীয় ৰাজধানীৰ চিকিৎসালয়সমূহক বিছনা, অক্সিজেন, ঔষধ আৰু ভেকচিন মজুত ৰাখিবলৈ কয়। সকলো স্বাস্থ্য প্ৰতিষ্ঠানক জিন'ম ছিকুৱেন্সিঙৰ বাবে সকলো পজিটিভ ক'ভিড-১৯ নমুনা লোকনায়ক হাস্পতাললৈ প্ৰেৰণ কৰিবলৈ কোৱা হৈছে। লগতে, কোৱা হৈছে যে, 'বিছনা, অক্সিজেন, এন্টিবায়টিক, অন্যান্য ঔষধ আৰু ভেকচিনৰ উপলব্ধতাৰ ক্ষেত্ৰত চিকিৎসালয়সমূহে প্ৰস্তুতি নিশ্চিত কৰিব লাগিব।ভেন্টিলেটৰ, বাই-পিএপি, অক্সিজেন কনচেণ্ট্ৰেটৰ আৰু পিএছএৰ দৰে সকলো সঁজুলি কাৰ্যক্ষম অৱস্থাত থাকিব লাগিব। উল্লেখ্য যে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি বুধবাৰ পৰ্যন্ত কেৰালাত সৰ্বাধিক ৯৫ জন ৰোগীকে সমগ্ৰ দেশতে মুঠ ২৫৭ জন ক'ভিড আক্ৰান্ত হোৱাৰ কথা ধৰা পৰিছে।

# অন্ধ্ৰ প্ৰদেশত পথ দুৰ্ঘটনাত নিহত ৬ জন

**গুণ্টুৰ, ২৩ মে':** আজি অন্ধ্ৰ প্ৰদেশৰ বাপাটলাৰ জিলাত সংঘটিত এক পথ দুৰ্ঘটনাত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে দুটা শিশু গুৰুতৰভাৱে আহত হয়। প্ৰকাশম জিলাৰ কোমাৰলু মণ্ডলৰ থাটিচেৰলা মটুৰ সমীপত দিনৰ প্ৰায় ১.৪০ বজাত এটা ঘাইপথত সংঘটিত হয় এই দুৰ্ঘটনা। নন্দিয়াল জিলাৰ মহানন্দী মন্দিৰৰ পৰা উভতি অহা এখন গাড়ীত খুন্দা মাৰে এখন ল'ৰীয়ে। গাড়ীখনৰ আঠজন যাত্ৰী প্ৰকাশাম আৰু গুণ্টুৰ জিলাৰ মাজত অৱস্থিত বাপাটলাৰ ষ্টুয়াৰ্টপুৰম গাঁৱৰ আছিল।

# পাকিস্তানৰ বাবে আকাশমাৰ্গ বন্ধ ভাৰতৰ

**নতুন দিল্লী, ২৩ মে':** পাকিস্তান বিমানবন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা এক বিবৃতি অনুসৰি ভাৰতীয় বিমান সংস্থাসমূহৰ বাবে আকাশমাৰ্গ বন্ধৰ সময়সীমা ২৪ জুনৰ পুৱা ৪:৫৯ বজালৈ বৃদ্ধি কৰা হৈছে। সামৰিক বিমানকে ধৰি ভাৰতৰ পঞ্জীয়নভুক্ত, মালিকানাধীন, লিজত দিয়া বা পৰিচালিত সকলো বিমানৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে গ্ৰহণ কৰা কূটনৈতিক ব্যৱস্থাৰ পাছত প্ৰথমে ২৪ এপ্ৰিলত এই নিষেধাজ্ঞা জাৰি কৰা হৈছিল। মূলতঃ আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাৰ নিয়ম অনুসৰি এমাহৰ বাবে নিৰ্ধাৰণ কৰা এই বন্ধৰ সময়সীমা পিছলৈ বৃদ্ধি কৰা হয়। ইয়াৰ উত্তৰত ভাৰতে ৩০ এপ্ৰিলত পাকিস্তানী বিমান সেৱাৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিয়ে। এই দীৰ্ঘদিনীয়া নিষেধাজ্ঞাই ভাৰতীয় বিমান পৰিবহণ খণ্ডত ভয়াৱহ প্ৰভাৱ পেলাইছে। ইফালে পাৰম্পৰিক পদক্ষেপ গ্ৰহণ কৰি ভাৰতে উত্তৰ আৰু পশ্চিম অঞ্চলৰ ৩২টা বিমানবন্দৰত অসামৰিক বিমানবন্দৰত ২৩ জুনলৈকে অসামৰিক বিমানবন্দৰত অসামৰিক বিমান সেৱা বন্ধ কৰাৰ সময়সীমা বৃদ্ধি কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মঙলদৈ আদালতত ক'ৰ্ট ফীৰ নাটনি

কৰ্তৃপক্ষক ক'ৰ্ট ফী যোগানৰ বাবে কোনো ৰিকিউজিচন নিদিয়াৰ আঁৰত কি ৰহস্য আছে সি এক সাঁথৰ হৈ পৰিছে। এটকাৰ ক'ৰ্ট ফী দুটকাত, দুটকাৰ ক'ৰ্ট ফী চাৰি টকাত বিক্ৰী কৰাৰ বাবে মধ্যভোগীক সুবিধা দি ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক লুণ্ঠনৰ বাট মুকলি দিয়াৰ অভিযোগ কৰে। ক'ৰ্ট ফী যোগানৰ বাবে মঙলদৈ উকীল সন্থাই দৰং জিলাৰ আয়ুক্তক আবেদন দাখিল কৰাৰ পিছতো কোনো সুফল নধৰাত সংবাদ মেলত উকীল সন্থাৰ সভাপতি ৰাজবংশীয়ে আক্ষেপ প্ৰকাশ কৰে। এই ক্ষেত্ৰত এচাম ক'ৰ্ট ফী বিক্ৰেতাৰ স'তেও জিলা কোষাগাৰৰ এচাম বিষয়াৰ গোপন বুজা বুজি থকাৰ সন্দেহ প্ৰকাশ কৰে মঙলদৈ উকীল সন্থাৰ সম্পাদক ফজলুল হকে। উকীল সন্থাৰ সম্পাদকগৰাকীয়ে তথ্য জনা অধিকাৰ আইনৰ আবেদনৰ উত্তৰত পোৱা তথ্য অৱগত কৰি মঙলদৈ জিলা কোষাগাৰে যোৱা বছৰৰ মে' মাহৰ পৰা ক'ৰ্ট ফী যোগান নধৰাৰ বাবে ১ টকা, ২ টকা, ৫ টকা, ১০ টকা আৰু ২০ টকা মূল্যৰ ক'ৰ্ট ফীৰ নাটনি হোৱাত এচাম ক'ৰ্ট ফী বিক্ৰেতাই আন জিলাৰ পৰা ক'ৰ্ট ফী অনাৰ সুযোগ লৈ দ্বিগুণ মূল্য আদায় লোৱাৰ পিছতো সংশ্লিষ্ট বিষয়াই চকু মুদি থকাৰ অভিযোগ তোলে। সংবাদ মেলত মঙলদৈ উকীল সন্থাৰ উপদেষ্টা জয়ন্ত ডেকা, জ্যেষ্ঠ সদস্য মৃণাল কুমাৰ নাথ আদি উপস্থিত থাকি দৰং জিলাত ক'ৰ্ট ফী যোগান নিয়মীয়া কৰিবলৈ সংশ্লিষ্ট পক্ষক আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পাকাবেতবাৰী আৰু মন্দিয়া সমষ্টিত

বিজেপিত যোগদান বিভিন্ন গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত ৱাৰ্ড সদস্যৰ। জানিব পৰা মতে ২০ নং ৰাধাকুছি গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত ৭ জন সংখ্যালঘু ৱাৰ্ড সদস্যই বিজেপিৰ জিলা কাৰ্যলয়ত উপস্থিত হৈ যোগদান কৰে। জিলাখনৰ সভাপতি মহেন্দ্ৰ দাসৰ বলিষ্ঠ নেতৃত্বৰ বাবে ইজনৰ পিছত সিজন সংখ্যালঘু জনপ্ৰতিনিধিয়ে যোগদান কৰিছে বিজেপিত। ৰাধাকুছি গাঁও পঞ্চায়ত'ত বিজেপি সংখ্যালঘু মৰ্চাৰ উপ সভানেত্ৰী তথা জ্যেষ্ঠ নেত্ৰী মামণি বেগম আৰু কেইবা গড়াকী নেতাসকলৰ সবল নেতৃত্ব আৰু বিজেপি দলৰ কামত আকৃষ্ট হৈ ৭ জন ৱাৰ্ড সদস্যই যোগদান কৰে বিজেপিত। জিলা উপ-সভাপতি ব্ৰজ কুমাৰ দাস, সাধাৰণ সম্পাদক হেমন্ত কুমাৰ দেউৰী , তাঁতিকুছি মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সভাপতি ইয়াকুব আলীসহ অইন নেতাসকলৰ উপস্থিতিত বিজেপিত যোগদান কৰা ৱাৰ্ড সদস্যসকল হৈছে- -- ছামিৰন বেগম, ছানিয়াৰা বেগম, ববিতাজ বেগম, হেলমিনা বেগম, জাহিদুল, ছফৰ আলী আৰু মোবাৰক খান। ৱাৰ্ড সদস্যৰ উপৰি সৰবেশ আলীসহ কেইবাগৰাকীও কংগ্ৰেছ নেতাই বিজেপিত যোগদান কৰে বুলি জানিব পৰা গৈছে। আনফালে কলগাছিয়া, বলাইপাথাৰ, লাচাংগা, গুলেইলেজা আদি পঞ্চায়তত ঠিক একেই অৱস্থা। বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামৰ গৃহ কলগাছিয়া পঞ্চায়ত গঠন কৰিব অগপ দলে। ৭ গৰাকী নিৰ্বাচিত পঞ্চায়ত সদস্যই যোগ দিলে অসম গণ পৰিষদত। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত গঠনৰ দিন ঘোষণা কৰাৰ পিছতেই গাওঁ পঞ্চায়ত গঠনক লৈ বিভিন্ন কুট কৌশল ৰচনা কৰিছে নিৰ্বাচিত ৱাৰ্ড মেম্বৰ সকলে। একাংশ পঞ্চায়ত সদস্যই সভাপতিৰ আসন দখল কৰিবলৈ লাখ লাখ টকা খৰচ কৰি সদস্য ক্ৰয় কৰিবলৈ উঠি পৰি লাগিছে। এনে সময়ত ৪০ নং কলগাছিয়া গাওঁ পঞ্চায়তৰ সভাপতিৰ আসন দখল কৰিবলৈ কলগাছিয়া ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিৰ নেতৃত্বত ৭ গৰাকীকৈ নিৰ্বাচিত ৱাৰ্ড সদস্যই অসম গণ পৰিষদ দলত আনুষ্ঠানিক ভাৱে যোগদান কৰে। মন কৰিবলগীয়া যে, জনীয়া সমষ্টিৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামৰ গৃহ পঞ্চায়ত ৪০ নং কলগাছিয়া গাওঁ পঞ্চায়তখন অগপ দলে দখল কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। পঞ্চায়তৰ ৱাৰ্ড সদস্য সকল নিৰ্দলীয় ভাৱে নিৰ্বাচিত হৈছিল যদিও টকাৰ লোভত পৰি ভোটাৰ ৰাইজক বুঢ়া আঙুলি দেখুৱাই ৬/৭ লাখ টকাত নিজকে বিক্ৰী কৰি এজনক সভাপতি বনোৱাৰ স্বাৰ্থত অসম গণ পৰিষদ দলত আনুষ্ঠানিক যোগদান কৰিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই ঘটনাক কেন্দ্ৰ কৰি কলগাছিয়াত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। জানিব পৰা মতে, ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ১ নং খণ্ডৰ নাজমা খাতুন, ৩ নং খণ্ডৰ ছালেহা খাতুন, ৪ নং খণ্ডৰ জাকিৰ হুছেইন, ৫ নং খণ্ডৰ ছাইফুল ইছলাম খান, ৬ নং খণ্ডৰ শিৰাজুল হক, ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদি আৰু ১০ নং খণ্ডৰ সদস্য ছাহানাজ পাৰবীনে সোমবাৰে বৰপেটাতস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত অগপৰ বৰপেটা জিলা সভাপতি গুণীন্দ্ৰ নাথ দাস আৰু ৰাজ্যিক উপ-সভাপতি তাৰা প্ৰসাদ দাসৰ উপস্থিতিত আনুষ্ঠানিক ভাৱে অগপত যোগদান কৰে। ফলত ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিয়ে ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ সভাপতি হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ইফালে নিৰ্বাচনত জয়ী হোৱাৰ পিছত জনপ্ৰতিনিধিয়ে ৰাইজৰ কাম কৰিব বুলি ভোটাৰ ৰাইজে আশা কৰিছে যদিও কোটি টকা খৰচ কৰি সভাপতিৰ আসন দখল কৰা প্ৰতিনিধি গৰাকীয়ে দুৰ্নীতি নকৰাকৈ এই বৃহৎ সংখ্যক টকা কেনেকৈ তুলিব বুলি ভোটাৰ ৰাইজে চিন্তিত হৈ পৰিছে। সেয়ে পঞ্চায়তত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিবলৈ অসম চৰকাৰক আহ্বান জনাইছে ৰাইজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নামঘৰ নিৰ্মাণৰ ধন পুনৰ ঘূৰাই নিদিলে

ধৰণে চৰাইবাহীৰ বেলগুৰি নামঘৰৰ অসম দৰ্শন আঁচনিৰ ধন বিধায়কৰ অনুগত লোকে ঘূৰাই লৈ যোৱা খবৰে পুনৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চৰাইবাহীৰ বেলগুৰি গাঁৱৰ ৰাইজে সংবাদ মাধ্যমৰ আগত অভিযোগ উত্থাপন কৰি কয় যে গাঁৱৰ নামঘৰটোৰ মণিকূট পুনৰ নিৰ্মাণৰ বাবে আনটাইড আঁচনিৰ জৰিয়তে ৪ লাখ টকাৰ আৰ্থিক সাহায্য লাভ কৰি নিৰ্মাণৰ কামটো চলাই থকা হৈছে। ইয়াৰ মাজতে অসম দৰ্শন আঁচনিৰ পৰাও ডেৰ লাখ টকা লাভ কৰা হৈছিল। উদ্যোক্তাসকলে বিধায়ক দেউৰীৰ ঘৰলৈ কেইবাদিনো বাটকুৰি বাই অসম দৰ্শন আঁচনিৰ চেকখন সংগ্ৰহ কৰিছিল। পঞ্চায়ত নিৰ্বাচনৰ পিছতে বিধায়ক দেউৰীৰ দ্বাৰা নিয়োজিত মানুহ আহি চেকখন ঘূৰাই লৈ যায়। এনে কাৰ্যই ৰাইজক হতবাক কৰি তোলে। উল্লেখ্য যে মৰিগাঁও বিধানসভা সমষ্টিত অসম দৰ্শন আঁচনিৰ বাবে ৩৪৩ টা নামঘৰ নিৰ্বাচন কৰা হৈছে। নামঘৰ নিৰ্মাণ সমিতিৰ নামত অনুমোদন লাভ কৰা অসম দৰ্শন আঁচনিৰ চেকখন জিলা পৰিকল্পা বিভাগৰ কাৰ্যালয়ৰ পৰা নামঘৰ নিৰ্মাণ সমিতিসমূহে সংগ্ৰহ কৰিব লাগে যদিও বিধায়ক দেউৰীৰ ঘৰৰ পৰাহে এই চেকসমূহ বিতৰণ কৰি থকাক লৈ একাংশ লোক সন্দিহান হৈ পৰিছে। আনহাতে অসম দৰ্শন আঁচনি ৰূপায়নত মৰিগাঁও সমষ্টিৰ বিজেপিৰ বিধায়ক ৰমাকান্ত দেউৰীৰ নেতৃত্বত সমষ্টিটোত ব্যাপক অনিয়ম আৰু স্বজন তোষণৰ অভিযোগ এটাৰ পিছত আন এটা উত্থাপন হৈছে। শাসকীয় বিজেপি দলৰ বিধায়ক হোৱাৰ বাবেই দেউৰীক এতিয়া কোনো ধৰণৰ আইন কানোনে ঢুকি নোপোৱাৰ এক পৰিবেশ পৰিস্থিতি উদ্ভৱ হোৱা বুলি শাসকীয় বিজেপি দলৰে একাংশ কৰ্মীয়ে অভিযোগ উত্থাপন কৰিছে। অসম দৰ্শন আঁচনিত কৰা ক্ষমতা অপপ্ৰয়োগ আৰু বৈষম্যমূলক আচৰণৰ বিষয়টোত জিলা প্ৰশাসনক হস্তক্ষেপ কৰিবলৈ দাবী জনাইছে সমষ্টিটোৰ একাংশ লোকে।আনহাতে ৰাইজৰ আস্থাবিজড়িত নামঘৰক লৈ কৰা এনে কাগুৰ কৰ্মফল এদিন নামঘৰেই দিব বুলি একাংশ লোকে প্ৰকাশ কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডিমাকুছিত ভয়ংকৰ দুৰ্ঘটনাঃ থিতাতে

দুৰ্ঘটনাগ্ৰস্ত হয় এখন ট্ৰেক্টৰ। এই দুৰ্ঘটনাটোত থিতাতে নিহত হয় দুজনকৈ যুৱক। আনহাতে গুৰুতৰভাৱে আহত হয় আন এজন যুৱক। আহত যুৱকজনক সংকটজনক অৱস্থাত প্ৰেৰণ কৰা হয় নাওকাটা চিকিৎসালয়লৈ। প্ৰাপ্ত তথ্য অনুসৰি শুকুৰবাৰে দিনৰ দুই মান বজাত খাগ্ৰাবাৰী-ডিমাকুছি পথৰ খাচীয়াচুবা গাঁৱত সংঘটিত হয় এই শোকাৱহ ঘটনাটো। দুৰ্ঘটনাটোত ট্ৰেক্টৰ চালক খাৰুপেটীয়াৰ ছাদ্দাম আলী (২০) আৰু খাচীয়াচুবাৰ প্ৰণৱ বড়ো (৩০) নামৰ যুৱক দুজন থিতাতে নিহত হোৱাৰ বিপৰীতে একেলগে থকা আনজন যুৱক দেৰচাং দৈমাৰী (৩০) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজে ডিমাকুছি আৰু খাগ্ৰাবাৰী আৰক্ষীৰ সহায়ত লগে লগে আহত দেৰচাং দৈমাৰীক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে নিহত প্ৰণৱ বড়োৱে ট্ৰেক্টৰখন পথাৰত মাটি চহাবলৈ মাহিলি ভাড়াত খাৰুপেটিয়াৰ পৰা চালক ছাদ্দাম আলীসহ খাচীয়াপথাৰলৈ আনিছিল। এখন খেতিপথাৰৰ পৰা মাটি চহাই আন এখন পথাৰলৈ মাটি চহাবলৈ গৈ থকা অৱস্থাতে এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুমন সাহা আৰু খাগ্ৰাবাৰী আৰক্ষী উপস্থিত হৈ দুয়োটা মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পদ্মশ্ৰী মামাং দাইলৈ অসম সাহিত্য

দেৱজিৎ বৰাই আজি কাকতলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত জানিবলৈ দিয়া মতে মামাং দাই অৰুণাচল প্ৰদেশৰ ইটানগৰ নিবাসী এগৰাকী ভাৰতীয় কবি, ঔপন্যাসিক তথা সাংবাদিক। উপন্যাস 'দ্য ব্লেক হিল'-ৰ বাবে ২০১৭ চনত তেওঁ ইংৰাজী ভাষাৰ সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৫৭ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে অৰুণাচল প্ৰদেশৰ পূব ছিয়াং জিলাৰ পাছিঘাটত জন্ম লাভ কৰা মামাং দাই 'আদি জনগোষ্ঠী'ক প্ৰতিনিধিত্ব কৰা আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ বাবে নিৰ্বাচিত অৰুণাচল প্ৰদেশৰ প্ৰথমগৰাকী মহিলা। সাংবাদিক হিচাপে কাম কৰাৰ সময়ত তেওঁ 'দ্য টেলিগ্ৰাফ', 'হিন্দুস্থান টাইমছ' আৰু 'দ্য ছেন্টিনেল' কাকতত সেৱা আগবঢ়ায়। তেওঁ ৰেডিঅ'ৰ লগতে টি ভি এয়াৰ আৰু ইটানগৰ দূৰদৰ্শন কেন্দ্ৰতো কাম কৰিছিল। তেওঁ ইটানগৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক তথা বৰ্তমান অৰুণাচল সাংবাদিক সংগঠনৰ সভাপতি। ২০১১ চনত তেওঁ অৰুণাচল প্ৰদেশৰ পাব্লিক ছাৰ্ভিচ কমিছনৰ সদস্যৰূপে নিযুক্ত হয়। ২০০৬ চনত তেওঁৰ প্ৰথম উপন্যাস 'দ্য লেজেন্ড অৱ পেনচাম' প্ৰকাশ পায়। পৰৱৰ্তী সময়ত 'ষ্টুপিড কিউপিড', 'দ্য ব্লেক হিল', 'বিভাৰ পয়েমছ', 'দ্য বাল্ম অৱ টাইম', 'হেমব্ৰেলাইচ লুম' আৰু মিডছামাৰ ছাৰভাইভেল লিৰিক্স' প্ৰকাশ পায়। 'দ্য বাল্ম অৱ টাইম' কিতাপখন অসমীয়ালৈ অনূদিত হৈছে। 'দ্য স্কাই কুইন' আৰু 'ৰান্‌ছ আপন এ মুনটাইম' তেওঁৰ দ্বাৰা ৰচিত লোককথাৰ চিত্ৰিত গ্ৰন্থ। তেওঁৰ অ-কাল্পনিক ৰচনাৱলীসমূহ হৈছে- 'অৰুণাচল প্ৰদেশ: দ্য হিডেন লেণ্ড' আৰু 'মাউন্টেইন হাৰভেষ্টঃ দ্য ফুড অৱ অৰুণাচল প্ৰদেশ' আদি। অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটিৰ সাধাৰণ সম্পাদক তথা উত্তৰ-পূব লেখক ফ'ৰামৰ সদস্য, সাহিত্য আৰু সংগীত-নাটক অকাডেমিৰ সাধাৰণ পৰিষদৰ সদস্য পদত সেৱা আগবঢ়োৱা ইংৰাজী ভাষাৰ সাহিত্য অকাডেমি বঁটা প্ৰাপক পদ্মশ্ৰী মামাং দাইক এই বঁটা প্ৰদানেৰে অসম সাহিত্য সভাই অসম আৰু অৰুণাচল প্ৰদেশৰ ভাতৃত্ববোধক অধিক শক্তিশালী কৰিব বুলি আশা ব্যক্ত কৰিছে। উল্লেখ্য যে এই বঁটা প্ৰাপক নিৰ্বাচনৰ বাবে সাহিত্য সভাৰ সভাপতি ড০ বসন্তকুমাৰ গোস্বামীৰ সভাপতিত্বত অলপতে অনুষ্ঠিত এখন সভাত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ হিতেশ ডেকা, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰশান্ত চক্ৰৱৰ্তী, অৰুণাচল প্ৰদেশৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক তথা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গিবিন তামুলী আৰু সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা উপস্থিত থাকে।

# সামাজিক মাধ্যমত বিতৰ্কিত পোষ্ট দি ক্ষমা খুজিবলৈ বাধ্য হ'ল ঔষধ কোম্পানীৰ কৰ্মচাৰী

**ই-সংবাদ, আমগুৰি, ২৩ মে':** শিৱসাগৰ জিলাৰ নামতি চাৰি আলিস্থিত সম্প্ৰীতি মেডিকেল ষ্টʼৰৰ স্বত্বাধিকাৰী নিখিলজ্যোতি বড়াৰ বিৰুদ্ধে সামাজিক মাধ্যমত বিতৰ্কিত পোষ্ট দি ক্ষমা খুজিবলৈ বাধ্য হ'ল ঔষধ কোম্পানীৰ কৰ্মচাৰীয়ে। উল্লেখ্য যে, চলিত মাহৰ ১৬ মে'ৰ দিনা ঔষধ কোম্পানীৰ হিমাংশু চেতিয়া নামৰ এজন কৰ্মচাৰীয়ে "সম্প্ৰীতি মেডিকেল ষ্ট'ৰ"ত থকা এগৰাকী চিকিৎসকক সাক্ষাৎ কৰিবলৈ আহিছিল। কিন্তু উক্ত সময়ত মেডিকেল ষ্ট'ৰখনত চিকিৎসক নাই বুলি কোৱাত ঔষধ কোম্পানীৰ কৰ্মচাৰীজনে চিকিৎসকগৰাকীৰ এখন খালী প্ৰেছক্ৰিপচন নিবলৈ বিচাৰে। সেই ক্ষেত্ৰত "সম্প্ৰীতি মেডিকেল ষ্টʼৰ"ৰ স্বত্বাধিকাৰী নিখিলজ্যোতি বড়া অমান্তি হোৱাত দিয়াত হিমাংশু চেতিয়াৰ সৈতে কিছু সংঘাত হয়। ফলত উক্ত ঘটনাক কেন্দ্ৰ কৰি মেডিকেল ষ্ট'ৰখনৰ স্বত্বাধিকাৰী তথা কালুগাঁও নিবাসী নিখিলজ্যোতি বড়াৰ বিৰুদ্ধে মেডিচিন কোম্পানীৰ ভালেসংখ্যক কৰ্মচাৰীয়ে মেডিকেল ষ্ট'ৰখনৰ সন্মুখত বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। লগতে হিমাংশু চেতিয়াই নিখিলজ্যোতি বড়াৰ বিৰুদ্ধে আমগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। আনহাতে, নিখিলজ্যোতি বড়াও ঘটনাৰ সন্দৰ্ভত আমগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আমগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে যদিও মেডিচিন কোম্পানীৰ কৰ্মচাৰীসকলে নিখিলজ্যোতি বড়াক বিনাচৰ্তে ক্ষমা খোজাৰ দাবী জনায়। পৰৱৰ্তী সময়ত উৰ্ধতম কৰ্তৃপক্ষ "সম্প্ৰীতি মেডিকেল ষ্ট'ৰ"ত উপস্থিত হৈ সম্পূৰ্ণ বিষয়টো নিৰীক্ষণ কৰি দুয়োপক্ষকে মিলাই দিয়ে। তাৰ পাছতেই এই সংঘাতৰ বাবে "সম্প্ৰীতি মেডিকেল ষ্ট'ৰ"ৰ স্বত্বাধিকাৰী নিখিলজ্যোতি বড়াই উক্ত মীমাংসাৰ যোগেদি ঔষধ কোম্পানীৰ কৰ্মচাৰীজনক শৰাইত তামোল-পাণ দি ক্ষমা বিচৰাত বিষয়টো অৱসান ঘটে। ইফালে, তেনে সময়তে ঔষধ কোম্পানীৰ এজন কৰ্মচাৰীয়ে পুনৰ সামাজিক মাধ্যমত সম্প্ৰতি মেডিকেল ষ্ট'ৰৰ স্বত্বাধিকাৰী নিখিলজ্যোতি বড়াৰ বিৰুদ্ধে বিতৰ্কিত পোষ্ট দি নিখিল বৰাক সমাজত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰে। যাৰ বাবে মানসিক কষ্টত ভুগিব লগা হয় নিখিলজ্যোতি বড়াৰ লগতে পৰিয়ালৰ লোক। উপায়হীন হৈ নিখিলজ্যোতি বড়াই বিষয়টো বিভাগীয় সংস্থাক অৱগত কৰে। অৱশেষত দুয়োপক্ষৰ সিদ্ধান্ত মৰ্মে নামতি চাৰি আলিস্থিত "সম্প্ৰীতি মেডিকেল ষ্ট'ৰ"ত উপস্থিত হৈ সামাজিক মাধ্যমত বিতৰ্কিত পোষ্ট দিয়া ঔষধ কোম্পানীৰ কৰ্মচাৰীজনে স্বত্বাধিকাৰী নিখিলজ্যোতি বড়াক শৰাইত তামোল-পাণ দি ক্ষমা বিচাৰি ভুলৰ শুধৰণি কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# মঙলদৈ চহৰৰ গছ নাকাটিবলৈ সকীয়নি জিলা আয়ুক্তক স্মাৰক-পত্ৰ অসমীয়া যুৱ মঞ্চৰ

**ই-সংবাদ, দুনী, ২৩ মে':** মঙলদৈ চহৰৰ নলা নিৰ্মাণৰ অচিলাৰে বৃক্ষ ধ্বংসৰ বিৰুদ্ধে অৱশেষত ওলাই আহিল দল-সংগঠন। চহৰৰ এলএনবি পথৰ দাঁতিৰ গছ নাকাটিবলৈ সকীয়নি দি আজি দৰঙৰ জিলা আয়ুক্তৰ হাতত অৰ্পণ কৰা হয় স্মাৰক পত্ৰ। লক্ষণীয় যে, মঙলদৈ চহৰৰ দীৰ্ঘদিনে সম্প্ৰসাৰণৰ দাবী উত্থাপিত হৈ আহিছে। কিন্তু চহৰৰ একাংশ বাণিজ্যিক প্ৰতিষ্ঠানে অবৈধভাৱে পথৰ দাঁতিৰ ভূমি দখল কৰি বাৰে বাৰে ভিন্ন মহলত হেঁচা দি অহাৰ বাবেই কোনো জনপ্ৰতিনিধি অথবা প্ৰশাসনে উচ্ছেদ কৰিবলৈ সাহস নকৰে। এইক্ষেত্ৰত মঙলদৈ পৌৰসভা আকৌ এখোপ চৰা। চহৰৰ যিকোনো পৰিত্যক্ত ভূমি যিকোনো প্ৰকাৰে ব্যৱসায়ীক গতাই দিবলৈ ভৰি ডাঙি থকা পৌৰসভাই বিগত কুৰি বছৰে বেদখলকাৰীক এখন জাননী প্ৰদানতো ব্যৰ্থ হৈছে। চহৰৰ বাকী অংশতো ইয়াৰ প্ৰভাৱ লাহে লাহে ৰাইজে উপলব্ধি কৰিছে। চহৰৰখনৰ মূল পথ এলএনবি পথটো আহল বহলকৈ নিৰ্মাণ কৰিব নোৱাৰাৰ বাবেই দিনৰ ভাগত আৰক্ষীৰ বাহন অথবা এম্বুলেন্স এখনো সুকলমে পাৰ হ'ব নোৱাৰা



পৰ্যায় পাইছে। বিশেষকৈ পথৰ দুয়ো দাঁতিত ৬/৭ ফুটকৈ বাহনসমূহ পাৰ্কিং কৰি ৰখাৰ পাছত মাত্ৰ ১৪/১৫ ফুট এলেকাহে অহা-যোৱাৰ বাবে খোলা থাকে। ফলত এলএনবি পথত যান-জঁট নিতৌ পৰিচিত এক ছবি। ইয়াৰ মাজতে শেহতীয়াভাৱে মঙলদৈ এলএনবি পথ সম্প্ৰসাৰণ আৰু নলা নিৰ্মাণৰ বাবে ৫ কোটি টকা ৰাজ্য চৰকাৰে আবণ্টন কৰিছিল। এই আবণ্টন অত্যন্ত জৰুৰী আছিল। কিন্তু, অভিযোগ অনুসৰি, আবণ্টনৰ পাছত লোকনিৰ্মাণ বিভাগে পথৰ দাঁতিৰ ভূমি উদ্ধাৰ কৰি পথ সম্প্ৰসাৰণ, নলা নিৰ্মাণত গুৰুত্ব দিয়া নাই। কেৱল কোনোদিনে গছপুলি এটা ৰুই নোপোৱাসকলে পথৰ দাঁতিৰ গছসমূহ কটা আৰম্ভ কৰিলে। যেন পথৰ দাঁতিৰ গছ কাটিবলৈহে চৰকাৰে ৫ কোটি টকা আবণ্টন দিছিল। আজি অসমীয়া যুৱ মঞ্চৰ দৰং জিলা সমিতিয়ে দৰঙৰ জিলা আয়ুক্তক এখন স্মাৰক- পত্ৰ প্ৰদান কৰি গছ নাকাটিবলৈ দাবী উত্থাপন কৰে। বন বিভাগৰ অনুমতি নোহোৱাকৈ ইতিমধ্যে গছ কটাৰো তদন্ত কৰিবলৈ স্মাৰক পত্ৰ যোগে দাবী উত্থাপন কৰে সংগঠনটোৱে। অৱশ্যে, স'ততে চহৰখনৰ স্বাৰ্থত মাত দি অহা আছু আৰু যুৱ ছাত্ৰ পৰিষদে এই পৰ্যন্ত ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰা পৰিলক্ষিত হৈছে। ইফালে, পুৱাৰ এজাক বৰষুণতে মঙলদৈ চহৰৰ কেবাটাও ৱাৰ্ড কৃত্ৰিম বানপানীৰে উপচি পৰে। মূলতঃ জল নিষ্কাশনৰ কোনো দীৰ্ঘম্যাদী পৰিকল্পনা নথকাত ৱাৰ্ডসমূহৰ নলাৰে পানী ওলাই যোৱাৰ সলনি ঘূৰি, অতিৰিক্ত পানীভাগ পথলৈ ওলাই অহা দেখা গৈছে। দুখনকৈ নদী দুই মূৰত অৱস্থিত হোৱাটো মঙলদৈ চহৰৰ বাবে আশীৰ্বাদ আছিল যদিও একাংশ অভিযন্তাৰ দায়িত্বজ্ঞানহীন আচৰণৰ বাবে চহৰবাসী যমৰ যাতনা ভুগিবলগীয়া হৈছে।

# ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত 'সংবিধান কা অমৃত মহোৎসৱ'

**ই-সংবাদ, মোৰাঝাৰ, ২৩ মে':** ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে 'সংবিধান কা অমৃত মহোৎসৱ' শীৰ্ষক এটি আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। অসমৰ জাতীয় সংগীতেৰে শুভাৰম্ভ হোৱা আলোচনাচক্ৰখনি এগছি বন্তি প্ৰজ্জ্বলনেৰে উদ্বোধন কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য প্ৰফেছৰ মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে। উদ্বোধনী ভাষণত প্ৰফেছৰ দত্ত চৌধুৰীয়ে ভাৰতীয় সংবিধানৰ মহত্ব আৰু সংবিধান প্ৰণয়নৰ সৈতে জড়িত নমস্য ব্যক্তিসকলক স্মৰণ কৰি কয় যে আমাৰ পবিত্ৰ সংবিধানখনে ভাৰতবৰ্ষৰ দৰে বিশাল আৰু বৈচিত্ৰ্যময় এখন ৰাষ্ট্ৰক অতুলনীয় আৰু প্ৰোজ্জ্বল ৰূপত তুলি ধৰা জীৱন্ত দস্তাবেজ হিচাপে আত্মপ্ৰকাশ কৰিছে। এইখনে দেশৰ ১৫০ কোটি নাগৰিকৰ বাবে জীৱন আৰু সুৰক্ষাৰ গেৰাণ্টি হিচাপে সগৌৰৱে থিয় দি আছে। বিগত ৭৫ বছৰত, ই এক অনৱদ্য পথপ্ৰদৰ্শক শক্তি হিচাপে পৰিগণিত হৈছে, যিয়ে আমাক অনাগত শতিকাজুৰি আগুৱাই নিব। ৰাজনীতি বিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান ড০ প্ৰেমসাগৰ প্ৰসাদে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোৰ বীজ ভাষণ প্ৰদান কৰে সহকাৰী অধ্যাপক ড০ দিজমণি শৰ্মাই। মুঠ সাতগৰাকী গৱেষকে ভাৰতীয় সংবিধানৰ ভিন্ন দিশত আলোকপাত কৰি গৱেষণাপত্ৰ পাঠ কৰা আলোচনাচক্ৰখনিৰ বিদ্যায়তনিক সত্ৰখনি সঞ্চালনা কৰে বিভাগৰ মুৰব্বী অধ্যাপক ড০ প্ৰেমসাগৰ প্ৰসাদে আৰু তেওঁক সহযোগিতা কৰে বিভাগৰ সহযোগী অধ্যাপক ড০ অক্ষয়জ্যোতি শৰ্মাই। শতাধিক শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটিৰ শেষত বিভাগৰ সহকাৰী অধ্যাপিকা এপ্ৰিলী টিমুংপীয়ে শলাগৰ শৰাই আগবঢ়ায়। গাম্ভীৰ্যময় অনুষ্ঠানটি সুচাৰুৰূপে আঁত ধৰে বিভাগৰ সহকাৰী অধ্যাপিকা ড০ জেছমিন আহমেদে। সামৰণিত উপস্থিত সকলোৱে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে।

# শিঙৰী চাহ বাগিচাত বাঘৰ সন্ত্ৰাস

**ই-সংবাদ, ঢেকীয়াজুলি, ২৩ মে':** ঢেকীয়াজুলিৰ শিঙৰী চাহ বাগিচাত আজি কিছুদিনৰ পৰা এটা ঢেকীয়াপতীয়া বাঘে সন্ত্ৰাস চলাই আহিছে। জানিব পৰা মতে, যোৱা সপ্তাহত চাৰিটাকৈ পশুধনো হত্যা কৰিছে বাঘটোৱে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এই বাঘটোৱে শিঙৰী চাহ বাগিচাত বিগত এসপ্তাহত চাৰিটাকৈ পশুধন হত্যাৰ কৰাৰ পিছত ৰাইজৰ মাজত ভয় আৰু শংকা বৃদ্ধি পাইছে। জানিব পৰা মতে, যোৱা নিশাও শিঙৰী চাহ বাগিচাৰ বগৰীবাৰী লাইনৰ এঘৰ গৃহস্থৰ চোতালৰ পৰাই এটা পশুধন চোঁচৰাই নিয়ে বাঘটোৱে। ফলত অত্যাধিক ভয়-শংকাই বিৰাজমান কৰিছে অঞ্চলটোত। ঘটনাটোৰ পাছতেই স্থানীয় বন বিভাগে বাঘটোৰ গতিবিধি নিৰীক্ষণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ৰাইজক সতৰ্কতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাইছে। স্থানীয় ৰাইজে বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ বন বিভাগক দাবী জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অভয়াপুৰীৰ সাংস্কৃতিক কৰ্মী, শিক্ষক মৃণাল কুমাৰ সৰকাৰ দেহাৱসানঃ বিভিন্ন সংগঠনৰ শোক

**ই-সংবাদ, অভয়াপুৰী, ২৩ মে':** বঙাইগাঁও জিলাৰ অভয়াপুৰী বিশিষ্ট সাংস্কৃতিক কৰ্মী, সংগঠক, শিক্ষক মৃণাল কুমাৰ সৰকাৰে আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰাত অঞ্চলটোত শোকৰ ছাঁ পৰে। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকাৰ অন্তত আজি পুৱা গুৱাহাটী মেডিকেল কলেজ হাস্পালত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। পাছত মৃতদেহটো অভয়াপুৰীৰ নিজা বাসগৃহ আৰু কৰ্মস্থলী ধূলাউৰা প্ৰাথমিক বিদ্যালয়লৈ নিয়ে। দুয়ো স্থানতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা যাঁচে। মৃত্যুৰ সময়ত সৰকাৰে পত্নী, এগৰাকী ১২ বছৰীয়া কন্যা সন্তান তথা আত্মীয়-স্বজন এৰি থৈ যায়। উল্লেখ্য যে ১৯৭৪ চনত দেওহাটীত জন্ম গ্ৰহণ কৰা সৰকাৰৰ পিতৃ প্ৰয়াত সতীশ সৰকাৰ আৰু মাতৃ প্ৰয়াত যমুনা সৰকাৰ। আনুষ্ঠানিক শৈক্ষিক জীৱন সমাপ্ত কৰা প্ৰয়াত সৰকাৰে ধূলাউৰা প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰাৰ লগতে শেহতীয়াভাৱে বঙাইগাঁও দেউৰীপাৰাৰ ভাড়াঘৰত থাকিবলৈ লয়। কৰ্মজীৱন, সাংসাৰিক জীৱনৰ সমান্তৰালকৈ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ সৈতে নিবিড়ভাৱে জড়িত আছিল সৰকাৰ। প্ৰয়াত সৰকাৰে বিহুৱা, ঢুলীয়া, সুদক্ষ অভিনেতা আৰু বিচাৰক হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। সৰকাৰ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বঙাইগাঁও জিলা সমিতিৰ প্ৰাক্তন উপ-সভাপতিপদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। অভয়াপুৰী কচমচ ক্লাবৰ সোণালী জয়ন্তী উৎসৱত প্ৰয়াত লক্ষী বৰঠাকুৰৰ ৰচিত আৰু জ্যোতিপ্ৰসাদ দাস পৰিচালিত নাট "গদাপৰ্ব" নাটৰ জৰিয়তে নাট্য প্ৰতিভাৰ পৰিচয় দাঙি ধৰা সৰকাৰৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বঙাইগাঁও জিলাৰ সভাপতি ছফিকুল আলম শ্বেইখ, সম্পাদক মহন্ত বৰ্মন, কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সমস্য গণেশ দাস, পূৰ্ণজ্যোতি দাস, বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতি, কচমচ ক্লাব, "উৎস"ৰ জ্যোতিপ্ৰসাদ দাস, জেনিথ ক্লাব, সমন্বয় গোষ্ঠী, বৰপাৰা নৱজ্যোতি ক্লাব, বঙাইগাঁও জিলাৰ শিক্ষক সমাজ, সাংস্কৃতিক অনুষ্ঠান আদিয়ে গভীৰ শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

# নগাঁৱৰ পশ্চিমাঞ্চলত ভূ-মাফিয়াৰ দৌৰাত্ম্য!পথাৰে পথাৰে উন্মুক্ত গাঁত

**ই-সংবাদ, বেবেজীয়া, ২৩ মে':** নগাঁও জিলাৰ পশ্চিম প্ৰান্তত অব্যাহত থকা ভূ-মাফিয়াৰ চৰম দৌৰাত্ম্যই শেহতীয়াভাৱে সৰ্বস্তৰৰ ৰাইজক ব্যাপক সমস্যাৰ সন্মুখীন কৰাইছে। ইয়াৰ ভিতৰত কিছু গ্ৰামাঞ্চলৰ বিভিন্ন পথাৰত এচাম ভূ-মাফিয়াই ধনবল দেখুৱাই ইতিমধ্যে কেইবা ফুট দকৈ খান্দি উন্মুক্ত কৰি ৰখা পুখুৰীসদৃশ বৃহৎ বৃহৎ গাঁতবোৰে সৰ্বসাধাৰণ লোকৰ লগতে ৰাইজৰ পোহনীয়া জীৱ-জন্তুৰ প্ৰতি বিপদ মাতিছে। বিশেষকৈ বিপদৰ সংকেত বহন কৰি অহা এই উন্মুক্ত গাঁতবোৰ বিগত দিনকেইটাত হোৱা বৰষুণৰ ফলত পানীৰে ভৰি পৰাত এইবোৰ বৰ্তমান অতিকে বিপজ্জনক হৈ পৰিছে। আনকি পথাৰে পথাৰে খন্দা উন্মুক্ত বৃহৎ গাঁতবোৰৰ পৰা ৰাইজ তথা জীৱ-জন্তুৰ জীৱন ৰক্ষা কৰাৰ হেতু গাঁতবোৰৰ কাষত কোনো নিৰ্দেশনা আঁৰি নিদিয়াত সৰ্বসাধাৰণ লোক চৰম বিপাঙত পৰিছে। ইয়াৰ উদাহৰণ হিচাপে জিলাখনৰ চকলাঘাটৰ ঐতিহাসিক হাঁহচ'ৰা পথাৰৰ কথাকে ক'ব পাৰি। এই বিশাল পথাৰখনৰ য'তে-য'তে ভূ-মাফিয়াই মাটি সৰবৰাহৰ বাবে জেচিবি আৰু এক্সকেভেটৰেৰে খান্দি থোৱা উন্মুক্ত বৃহৎ বৃহৎ গাঁতবোৰ বৰ্তমান বৰষুণৰ পানীৰে উপচি পৰাত সম্ভাব্য বিপদৰ আশংকাত স্থানীয় ৰাইজক শংকিত কৰি তুলিছে। আচলতে, পথাৰখনৰ এই উন্মুক্ত দ গাঁতবোৰৰ বাবেই অঞ্চলৰ কৃষিজীৱি লোক, গৰখীয়া, জীৱকুল আদিৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে । কিয়নো, এনেদৰে পথাৰখনত উন্মুক্ত হৈ থকা দ দ পুখুৰীসদৃশ গাঁতবোৰত মানুহ বা জীৱ-জন্তু কেনেবাকৈ সোমাই পৰি অঘটন সংঘটিত হোৱাৰ সম্ভাৱনীয়তাই দেখা দিছে। সেয়ে পথাৰৰ এনে উন্মুক্ত পুখুৰীসদৃশ দ গাঁতবোৰৰ দ্বাৰা যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ প্ৰতি সচেতন ৰাইজে অনুৰোধ জনাইছে।

## ৰাইদঙীয়াত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২৩ মে':** শিশুৰ বাবে উৎসৰ্গিত সংগঠন 'বিকাশ'-য়ে সময়ে সময়ে বিভিন্ন জনকল্যাণমূলক পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ অংশ হিচাপে 'বিকাশ'ৰ উদ্যোগত তথা ৰাষ্ট্ৰীয় অন্ধতা নিবাৰণ কাৰ্যক্ৰম, নগাঁৱৰ সহযোগত অহা ২৫ মে'ত এটি বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা ৯.৩০ বজাৰ পৰা দুপৰীয়া ১ বজালৈকে এই শিবিৰটি নগাঁৱৰ ৰাইদঙীয়াৰ পাঁচআলিস্থিত সৌৰভ ভৱনত অনুষ্ঠিত হ'ব। উক্ত শিবিৰত চকুত চানি পৰা ৰোগী চিনাক্ত কৰি বিনামূলীয়াকৈ অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰা হ'ব। শিবিৰত এটি বিশেষজ্ঞ চকু চিকিৎসক আৰু চিকিৎসাকৰ্মীৰ দলে সেৱা আগবঢ়াব। সেয়ে উক্ত শিবিৰত ৰাইজৰ উপস্থিতি 'বিকাশ'ৰ প্ৰধান সম্পাদক শংকৰ জ্যোতি শৰ্মাই আন্তৰিকতাৰে কামনা কৰিছে।

# ঝাপুচাবাৰীত চোৰাং গৰুসহ আটক সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ২৩ মে':** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱত যোৱা নিশা ঝাউকুঠীৰ বিএছএফে অভিযান চলাই তিনিটা চোৰাং গৰুসহ এটা সৰবৰাহকাৰীক আটক কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযোগ মতে, ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁওখন গৰুৰ চোৰাং বেহাৰ অন্যতম ঘাটি। পশ্চিমবংগৰ বিভিন্ন অঞ্চলৰ পৰা চোৰাং গৰুসমূহ আগমনি থানাৰ অন্তৰ্গত খেৰবাৰী হৈ অসমত প্ৰৱেশ কৰে। ইয়াৰ পিছতেই খোজকঢ়াই নি ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱত জমা কৰে। তাৰ পৰা ছেগ বুজি কাষতে থকা কালজানী নদী পথেৰে বাংলাদেশ লৈ চালান কৰে। গাঁওখনত গৌড় ঝাপুচাবাৰী বুলি এখন আৰক্ষী নিৰীক্ষণ কেন্দ্ৰ আছে। নিৰীক্ষণ কেন্দ্ৰত অস্ত্ৰধাৰী আৰক্ষী বেটেলিয়ন থকা সত্ত্বেও অব্যাহত আছে গৰুৰ অবৈধ চোৰাং চালান। নিশা আৰক্ষীক ভেঙুচালি কৰি জাক জাক গৰু চালান হয় বাংলাদেশলৈ। নিশা গৰুৱে খেতি পথাৰ নষ্ট কৰাৰ বাবে এবছৰ পূৰ্বে স্থানীয় এজন লোকে চোৰাং চালানত জৰিত গাঁওখনৰ কেইজনমান ব্যৱসায়ীৰ বিৰুদ্ধে আদালতত গোচৰ তৰিছিল। ইয়াতে ক্ষুব্ধ হৈ চোৰাং ব্যৱসায়ীয়ে স্থানীয় লোকজনৰ পৰিয়ালক কেইবাবাৰো আক্ৰমণ কৰে। লোক কেইজনক বচাবলৈ যোৱাৰ বাবে অসাধু চক্ৰটোৱে বৰ্তমানৰ ভাৰপ্ৰাপ্ত বিষয়া বি শৰ্মাকো মাৰপিট কৰি সোণৰ চেইন কাঢ়ি নিয়ে। গৰুৰ চোৰাং বেপাৰীৰ অতপালিত আৰক্ষীও থৰহৰি কম্পমান হৈ পৰা বুলি স'ততে অভিযোগ উত্থাপন হৈ আহিছে। কালি সন্ধিয়া ঝাউকুঠীৰ বিএছএফে গাঁওখনত অতৰ্কিতে অভিযান চলাই তিনিটা চোৰাং গৰুসহ এজনক আটক কৰে। আটকাধীন ধুবুৰী থানাৰ শিলঘাগৰী দ্বিতীয় খণ্ড গাঁৱৰ বেল্লাল হুছেইনৰ পুত্ৰ জালাল হুছেইন। বিএছএফে নিশা গৰুসহ সৰবৰাহকাৰীটোক আগমনি থানাত গতাই দিয়ে। আৰক্ষীয়ে সৰবৰাহকাৰীটোক ধুবুৰী আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰে।

# পলাশবাৰীত সান্ধ্য আইন জাৰি কৰি বন বিভাগে খেদিলে হাতী

**ই-সংবাদ, মিৰ্জা, ২৩ মে':** অৱশেষত গা লৰিল প্ৰশাসনৰ। যোৱা চাৰি-পাচ বছৰ ধৰি পলাশবাৰীৰ বিভিন্ন অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই আহিছে। এই অঞ্চলটোত হাতীৰ মুক্ত বিচৰণৰ ফলত বহুসংখ্যক মানুহৰ সা- সম্পত্তি বিনষ্ট হয়। যোৱা ১৬ মে শুক্ৰবাৰে অশোক দাস নামৰ এজন স্নাতক ডিগ্ৰীধাৰী উদ্যমী ব্যক্তিয়ে বনৰীয়া হাতীৰ গচকত মৃত্যুক সাবতিব লগা হৈছিল। ফলত বহু দলসংগঠন আৰু স্থানীয় ৰাইজে বন্যহস্তী কেইটাক জনাঞ্চলৰ পৰা বনাঞ্চলৈ খেদি পঠিয়াবলৈ চৰকাৰক আহ্বান জনাই ।যাৰ পৰিপেক্ষিতত যোৱা ২২ মে বৃহস্পতিবাৰ বিয়লি ৩ বজাৰ পৰা ২৩ মে শুক্ৰবাৰ আবেলি ৫-৩০ বজালৈ কামৰূপ জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে পলাশবাৰীৰ বিভিন্ন অঞ্চলত সন্ধ্যা আইন জাৰি কৰি বন্যহস্তী খেদা অভিযান আৰম্ভ হয়। বনবিভাগ, আৰক্ষী প্ৰশাসন আৰু হাতী খেদা বিশেষজ্ঞ দললৈ পলাশবাৰীৰ ভাগৰতী পাৰাৰ পৰা ৰাণী পাহাৰলৈ হাতী খেদি পঠিওৱা অভিযান আৰম্ভ হয়। সন্ধ্যা



আইন চলি থকা সময়ত জনসাধাৰণক নিৰাপদ স্থানত অৱস্থান কৰাৰ কথা অৱগত কৰা হৈছিল,লগতে দোকানপোহাৰ,ব্যৱসায় প্ৰতিষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ আছিল যদিও জনসাধাৰণে সন্ধ্যা আইনৰ নীতি অৱজ্ঞা কৰা দেখা যায়,বহু ব্যৱসায় প্ৰতিষ্ঠান খোলা থকা দেখা যায়। প্ৰশাসনে হাতীৰ লগতে মানুহবোৰকো খেদিবলৈ বাধ্য হয়। আনহাতে বিয়লি ৫ বজাৰ পৰা ভাগৰতী পাৰাৰ পৰা আৰম্ভ হোৱা অভিযানত হাতী কেইটা খেদি খেদি ৰঙামাটি, মাগুৰপাৰা, সৰপাৰা, পাৰাকুচি, মনিয়াৰী হৈ নিশা ৯-৩০ বজাত মিৰ্জাৰ জামৰতলত অভিযানকাৰী উপস্থিত হয়। অভিযানকাৰী প্ৰত্যক্ষদৰ্শীয়ে প্ৰায় চাৰিটা হাতী খেদিবলৈ সক্ষম হৈছে বুলি জানিব দিছে। নিশা মনিয়াৰীৰ ৰেলপথত ৰেল অহা বাবে খেদি অনা হাতী কেইটা ৰাণী পাহাৰৰ সলনি মিৰ্জাৰ মালিয়াটা পাহাৰত নিশা ১২-৩০ বজাত প্ৰৱেশ কৰে। পৰৱৰ্তী দ্বিতীয় পৰ্যায়ত হাতী কেইটা মালিয়াটা পাহাৰৰ পৰা ৰাণী পাহাৰলৈ খেদি নিয়াৰ ব্যৱস্থা কৰিব বুলি প্ৰশাসনে জানিবলৈ দিয়ে। হাতীকেইটাক ট্ৰেংকুইলাইজ কৰি কাজিৰঙাৰ অথবা মানস অভয়াৰণ্যলৈ প্ৰেৰণ কৰিলে ৰাইজ বেছি উপকৃত হলহেঁতেন বুলি সচেতনমহলে মত ব্যক্ত কৰা দেখা গৈছে।

# আগমনিত সাতটা চোৰাং গৰুসহ আটক দুই সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ২৩ মে':** ধুবুৰী জিলাৰ আগমনি থানাৰ আৰক্ষীয়ে আজি পুৱতি নিশা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খেদি খেদি এখন বলেৰো পিকআপ ভেনৰ পৰা সাতটা চোৰাং গৰুসহ দুটা সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আগন্তুক ঈদৰ প্ৰতি লক্ষ্য ৰাখি অসম-পশ্চিমবংগ সীমান্তত বৃদ্ধি পাইছে চোৰাং গো-ধনৰ অবৈধ সৰবৰাহ। ঈদত গো-ধন চালানৰ উদ্দেশ্যে সীমান্তত অসাধু চক্ৰই গো-ধন জমা কৰাৰো অভিযোগ পোৱা গৈছে। জানিব পৰা মতে, AS-17 C-5111 নম্বৰৰ বলেৰো পিকআপ ভেনখন পশ্চিমবংগৰ পৰা তীব্ৰ বেগত ধুবুৰী অভিমুখে গৈ আছিল। গোলকগঞ্জ আৰক্ষীৰ নৈশ টহলদাৰী দলে সন্দেহবশতঃ বাহনখনক ৰ'বলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি তীব্ৰ বেগত পলায়ন কৰে। আৰক্ষীৰ দলটোৱে খেদি খেদি বেলগুৰিত বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। বাহনখনত আৰক্ষীয়ে তালাচী চলোৱাত চাৰিটা গাই গৰু, দুটা দমৰা আৰু এটা চেউৰী উদ্ধাৰ কৰে। পিকআপ ভেনখনত সাতটা গো-ধন পাণ জপা দি জাপি অনাত এটা দেশী গাই গৰুৰ মৃত্যু হয়। আৰক্ষীয়ে বলেৰো পিকআপ ভেনখনৰ পৰা দুটা সৰবৰাহকাৰীক আটক কৰে। আটকাধীন পোকালাগী তৃতীয় খণ্ড গাঁৱৰ আক্কাছ আলীৰ পুত্ৰ আলী হুছেইন (২২) আৰু ইমান আলীৰ পুত্ৰ মোছলেম উদ্দিন (২৭)। ধৃত সৰবৰাহকাৰীয়ে জানিবলৈ দিয়া মতে, খেৰবাৰীৰ ছালামে গৰুকেইটা ধুবুৰীৰ আয়নাল হকৰ ওচৰলৈ প্ৰেৰণ কৰিছিল।

# দৌলগুৰিত কালী, বিষ্ণু আৰু শীতলা পূজাৰ আয়োজন

**ই-সংবাদ, দুমুনিচকী, ২৩ মে':** দৰং জিলাৰ আধ্যাত্মিক চেতনাৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ দৌলগুৰিত দৌলগুৰি মন্দিৰ প্ৰাংগণত শতিকা প্ৰাচীন নিৰবিচ্ছিন্নভাৱে উদযাপিত হৈ অহা বাৰ্ষিক শ্ৰী শ্ৰী কালী পূজা, শ্ৰী শ্ৰী বিষ্ণু পূজা আৰু শ্ৰী শ্ৰী শীতলা পূজা চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ২৬, ২৭, ২৮ আৰু ২৯ মে'ত উদযাপন আয়োজন কৰা হৈছে। এই উপলক্ষে অজিত কুমাৰ ডেকাক সভাপতি, বাবুল কলিতাক মুখ্য সম্পাদক, লোকেশ্বৰ কলিতা আৰু দিলীপ কলিতাক উপ-সভাপতি, বিপুল কলিতাক সম্পাদক, বিনয় হাজৰিকা আৰু বুবু শৰ্মাক সহকাৰী সম্পাদক হিচাপে লৈ গঠিত পূজা উদযাপন সমিতিয়ে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। পূজা উদযাপনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা গৌতম বৰা আৰু দুগ্ধ ডেকাৰ পৰিচালনাত প্ৰভাত ফেৰী, পূজা উদযাপন সমিতিৰ মহিলা মঞ্চৰ পৰিচালনাত সামূহিক চাফাইৰ অন্তত ধৰ্মধ্বজা উত্তোলন কৰিব পূজা উদযাপন সমিতিৰ সভাপতি অজিত কুমাৰ ডেকাই। গছপুলি ৰোপণ কৰিব জ্যেষ্ঠ নাগৰিক প্ৰিয়নাথ কলিতাই। সন্ধিয়া শ্ৰী শ্ৰী কালী মূৰ্তি আদৰণি, আৰতি প্ৰদৰ্শনৰ অন্তত নিশা শ্ৰী শ্ৰী কালী পূজা, হিতেশ শৰ্মা আৰু সংগীবৃন্দৰ দ্বাৰা সুকনান্নী ওজাপালি পৰিৱেশন আৰু দেৱীলৈ বলি উছৰ্গা সম্পন্ন হ'ব। দ্বিতীয় দিনা পৰিৱেশ নিকাকৰণ, শ্ৰী শ্ৰী বিষ্ণু পূজাৰ অধিবাস, সন্ধিয়া বৰভট্ট প্ৰজ্বলন শুভাৰম্ভ কৰিব ভেৰগাঁও মহকুমাৰ আৰক্ষী বিষয়া দুৰ্গা কিংকৰ শৰ্মাই। ব্যাসৰ ওজাপালি পৰিৱেশন কৰিব কমলা ডেকা আৰু সংগীবৃন্দই। তৃতীয় দিনা শ্ৰী শ্ৰী বিষ্ণু পূজা, পূৰ্ণাহুতি, পুষ্পাঞ্জলি প্ৰদান আৰু নিৰ্মালি গ্ৰহণ, ব্যাসৰ ওজাপালি পৰিৱেশন, সম্বৰ্ধনা অনুষ্ঠানৰ অন্তত বন্তি প্ৰজ্বলন কৰিব দৌলগুৰি শ্ৰী শ্ৰী বিষ্ণু মন্দিৰৰ দেউৰী ৰশ্মিকলিতাই। নিশা অনুষ্ঠিতব্য মহিলাৰ পালনাম উদ্বোধন কৰিব গনজ্যোতি বিদ্যাপীঠৰ শিক্ষক অনিল ডেকাই। চতুৰ্থ দিনা শ্ৰী শ্ৰী শীতলা পূজা উপলক্ষে আয়তীৰ নাম উদ্বোধন কৰিব ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা ৰূপামণি চহৰীয়াই। ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত অৱসৰপ্ৰাপ্ত শিক্ষক আৰু দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাৰত ভূষণ মহন্তৰ সভাপতিত্বত অনুষ্ঠিতব্য ধৰ্মালোচনা সভা উদ্বোধন কৰিব প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আৰু অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক মুকুট শৰ্মা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব বিশিষ্ট কবি, সাহিত্যিক ড০ নন্দ সিং বৰকলাই। আবেলি দুখ-দুৰ্গতি নাশৰ প্ৰতীক 'মজু ভাহন যাত্ৰা' উদ্বোধন কৰিব শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মনোজ কুমাৰ শৰ্মাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব দৌলগুৰি বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা মথুৰা মোহন ডেকাই। নিশা সেৱাৰ ভোগ বিতৰণেৰে কাৰ্যসূচীৰ সামৰণি পৰিব। সকলো কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে পূজা উদযাপন সমিতিৰ তৰফৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণ আৰু সহযোগ আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## লাংহেমফিত ৩২ গাঁৱৰ গাঁওবুঢ়া আৰু চৰকাৰী গাঁওবুঢ়াৰ গুৰুত্বপূৰ্ণ বৈঠক

**ই-সংবাদ, বৈঠালাংছ', ২৩ মে' :** পশ্চিম কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তৰ চ'ছেং আৰু আমৰেং স্বায়ত্বশাসিত পৰিষদৰ সীমান্ত সুৰক্ষা সমিতি আৰু ৩২ খন গাঁৱৰ গাঁওবুঢ়া আৰু চৰকাৰী গাঁওবুঢ়াসকলৰ এক গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত কৰা হয় । য'ত দুইখন সীমান্তৱৰ্তী ৰাজ্যৰ ভূমি বিবাদ মখীমুৰ কৰা, শান্তি-সম্প্ৰীতি অটুট ৰখা, সীমান্তৱৰ্তী অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়ন ত্বৰান্বিত কৰা আদি বিষয়ৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয় । কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সীমান্ত উন্নয়ন বৰ্ডৰ প্ৰাক্তন অধ্যক্ষ আগষ্টিন হাঞ্চেৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত সীমান্ত সংঘাত, গোষ্ঠীগত সংঘাত আঁতৰাই ইতিবাচক চিন্তাধাৰাৰে সকলোকে আগবাঢ়ি যোৱাৰ বিষয়ত গুৰুত্বসহকাৰে আলোচনা কৰা হয় ।

## ৰাৰিয়ৰ্ছৰ উদ্যোগত জৰুৰীকালীন অৱস্থাত ল'বলগীয়া সাৱধানতা, ম'কড্ৰিল

**ই-সংবাদ, মৰিগাঁও, ২৩ মে':** ৰাৰিয়ৰ্ছৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত মৰিগাঁও জিলাৰ ভূৰবন্ধাত জিলা অগ্নিনিৰ্বাপক আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সহযোগত বৃহস্পতিবাৰে ভূৰবন্ধা মজলীয়া বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে ম'কড্ৰিল অনুষ্ঠান অনুষ্ঠিত হয়। বাৰিষা তথা অপাতকালীন সময়ত কেনেদৰে সুৰক্ষিত হ'ব পাৰে সেই সন্দৰ্ভত বিভিন্ন কৌশল প্ৰদৰ্শন কৰে। এই সজাগতা অনুষ্ঠানত জিলা অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়াসকলে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত, যেনে বাৰিষাৰ সময়ত কি পথ অৱলম্বন কৰিব লাগে, ভূমিকম্প সময়ত কি কৰিলে নিজকে সুৰক্ষিত কৰি ৰাখিব পাৰি আৰু বৰ্তমান সময়ত বিস্ফোৰণ ঘটি থকা গেছ চিলিণ্ডাৰ পৰা অনাকাংক্ষিতভাৱে গেছ বাহিৰ হৈ জুই জ্বলিলে কেনেকৈ নিৰ্বাপিত কৰিব পাৰে-এই সকলোবোৰৰ পৰা কেনেকৈ নিজৰ লগতে সমাজখনক সুৰক্ষিত কৰিব পাৰি সেই কৌশলসমূহ প্ৰদৰ্শন কৰে। এই ক্ষেত্ৰত জিলা অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া চফিক উদ্দিনে আংশিকভাৱে ছাত্ৰ-ছাত্ৰীসকলক লৈ এক প্ৰশিক্ষণ দিয়ায় আৰু প্ৰশিক্ষণ ল'বলৈ পাই ছাত্ৰ-ছাত্ৰীয়ে বৰ আনন্দিত হয়।উক্ত অনুষ্ঠানত উপস্থিত থাকে মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়া দীপক কুমাৰ নাথ, প্ৰদীপ বৰদলৈ, অচ্যুত ডেকা, প্ৰাঞ্জিত বৰা, মনোজ ঠাকুৰৰ লগতে ভূৰবন্ধা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু সহকৰ্মীসকল, সাংবাদিক পুলিন কাকতি, মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সন্থা তথা জ্যোতিৰ্ময় সমাজৰ মৰিগাঁও জিলাৰ সভাপতি ধৰ্মেন্দ্ৰ ডেকা, সাধাৰণ সম্পাদিকা ৰাবিয়া বেগম, জনসংযোগ সম্পাদিকা পৰিণীতা মছৰং, সহঃ সম্পাদক প্ৰাণ কৃষ্ণ সেনাপতি, ভূৰবন্ধা আঞ্চলিকৰ সভানেত্ৰী দীপশিখা মহন্ত, সম্পাদিকা চম্পা দেৱীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## নলবাৰীৰ ব্ৰাইট ষ্টাৰ একাডেমীৰ উদ্যোগত বক্তৃতানুষ্ঠান

**ই-সংবাদ, বাঁহজানী, ২৩ মে' :** নলবাৰীৰ এখন আগশাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠান হ'ল ব্ৰাইট ষ্টাৰ একাডেমী। শুকুৰবাৰে ব্ৰাইট ষ্টাৰ একাডেমীত "বৰ্তমান সময়ত নিচাজাতীয় দ্ৰব্যই ছাত্ৰ সমাজক বিপথে পৰিচালিত কৰিছে" শীৰ্ষক বিষয় টোৰ উপৰত এটি বক্তৃতা অনষ্ঠান অনুস্থিত কৰা হয়। উক্ত বক্তৃতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে নলবাৰী প্ৰেছ ক্লাৱৰ সভাপতি তথা অৱসৰী শিক্ষক জীতেন শৰ্মাই। শৰ্মাই ভাষণত কয় - ড্ৰাগছ, সুৰাৰ নিচা বিষধৰ সৰ্প দংশনতকৈও ভয়ংকৰ । বিষধৰ সৰ্পৰ দংশনে শৰীৰ ধ্বংস কৰে । কিন্তু ড্ৰাগছ, সুৰাৰ দংশনত মন, মগজু, বিবেক, শৰীৰ এই সমস্ত ধ্বংস হয় বুলি মন্তব্য কৰে সাংবাদিক, নলবাৰী প্ৰেছ ক্লাৱৰ সভাপতি জিতেন শৰ্মাই । নলবাৰীৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান ব্ৰাইট ষ্টাৰ একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষ্যে আজি আয়োজন কৰা এক বিশেষ অনুষ্ঠানত বৰ্তমান সময়ত নিচাজাতীয় দ্ৰব্যই ছাত্ৰসমাজৰ ক্ষতি কৰিছে শীৰ্ষক বক্তৃতানুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত তেওঁ কয় যে বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী আৰু যুৱকৰ সোণালী ভৱিষ্যত নিচা বা ড্ৰাগছৰ কবলত পৰি ইতিমধ্যে ধ্বংস হৈছে । গতিকে ছাত্ৰ-ছাত্ৰীসকলক মাৰাত্মক ড্ৰাগছ বৰ্বিহৰ পৰা দৃঢ়মনা হৈ আঁতৰিথাকিবলৈ তেওঁ সকলোকে আহ্বান জনায় । ব্ৰাইট ষ্টাৰ একাডেমীৰ অধ্যক্ষ কমল শৰ্মাই পৌৰোহিত্য কৰা আৰু সমন্বয়ক তথা জ্যেষ্ঠ প্ৰবক্তা জয়ন্ত কুমাৰ শৰ্মাই পৰিচালনা কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত জ্যেষ্ঠ সাংবাদিক ক্ৰমে এম মহিবৰ ৰহমান, অজিত বৰ্মন, প্ৰাক্তন ছাত্ৰনেতা ৰুবুল বৰ্মন প্ৰমুখ্যে বিভিন্নজনে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰে । অনুষ্ঠানৰ আৰম্ভণিতে বন্তি জ্বলায় সাংবাদিক এম মহিবৰ ৰহমানে । ব্ৰাইট ষ্টাৰ একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্যাপন উপলক্ষ্যে কেক কাটি বছৰজোৰা কাৰ্যসূচী মুকলি কৰে বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদ আৰু সাংবাদিক জিতেন শৰ্মাই । জ্যেষ্ঠ প্ৰৱক্তা জয়ন্ত কুমাৰ শৰ্মাৰ সুৰীয়া কণ্ঠৰ কবিতা আবৃত্তি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ গীতে-মাতে জীপাল কৰা অনুষ্ঠানটিত অসমীয়া খবৰৰ ষ্টাফ ৰিপৰ্টাৰ তথা অৱসৰি কৃতি শিক্ষক জিতেন শৰ্মা, অসম টাইমৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, জেষ্ঠ সাংবাদিক অজিৎ বৰ্মন, প্ৰাক্তন ছাত্ৰ নেতা ৰুবুল বৰ্মন, বিশিষ্ট চিত্ৰ শিল্পী খছনুৰ আহমেদ, ব্ৰাইট ষ্টাৰ একাডেমীৰ অধ্যক্ষ কমল শৰ্মা, অসমীয়া বিভাগৰ প্ৰবক্তা, ব্ৰাইট ষ্টাৰ একাডেমীৰ সমন্বয়ক জয়ন্ত কুমাৰ শৰ্মাকে আদি কৰি বিভিন্ন জন উপস্থিত থাকে।

## তামুলপুৰত ত্ৰিৰংগা যাত্ৰা

**ই-সংবাদ, তামুলপুৰ, ২৩ মে' :** ভাৰতীয় সেনাই অপাৰেচন সেন্দুৰৰ জৰিয়তে পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ বাবে ধন্যবাদ জনোৱাৰ লগতে ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ বাবে তামুলপুৰত আজি সচেতন নাগৰিক মঞ্চৰ উদ্যোগত জিলা বিজেপি দলৰ সহযোগত তামুলপুৰৰ ৰাজপথত এক ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰি এক সমদল উলিয়ায়। আজি আবেলি তামুলপুৰৰ ঘগ্ৰাচ'কৰ পৰা গোৰেশ্বৰ চ'কলৈ প্ৰায় পাঁচ সহস্ৰাধিক ৰাইজে হাতে হাতে ত্ৰিৰংগা লৈ ভাৰতীয় সেনা আৰু প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাই এক বিশাল সমদলৰ উলিয়াই প্ৰায় ছয় কিলোমিটাৰ পদযাত্ৰাৰে দেশপ্ৰেমমূলক গীত, পাকিস্তান মুৰ্চিদাবাদ আৰু বিভিন্ন শ্লগানেৰে মুখৰিত কৰি তোলে তামুলপুৰৰ আকাশ বতাহ। ইপিনে তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাসে সমদল স্থলীৰ পৰা কয় যে অপাৰেচন সিন্দুৰত পাকিস্তানে পালে উচিত শিক্ষা। ভৱিষ্যতে যদি পাকিস্তানে এনেধৰণৰ কু-কাৰ্য সংঘটিত কৰে, তেন্তে পাক-অধিকৃত কাশ্মীৰ ভাৰতৰতো হ'বই, লগতে পাকিস্তানৰ নামো বিশ্ব মানচিত্ৰৰ পৰা নামো নাইকিয়া হৈ যাব। আজি এই ত্ৰিৰংগা যাত্ৰাত তামুলপুৰ জিলা বিজেপি সভাপতি ভিক্টৰ কুমাৰ দাস, কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাস, ৰনেন্দ্ৰ নাৰ্জাৰী, এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰী, মনোনীত এম চি এল এ হেমন্ত কুমাৰ, তামুলপুৰ জিলা বিজেপিৰ প্ৰায় পাঁচ সহস্ৰাধিক নেতা-কৰ্মীসকল উপস্থিত থাকি ভাৰতীয় জনতা দলৰ শক্তি বৃদ্ধি কৰিবলৈও সক্ষম হয়।

## ৰাইজে বাঁহৰে সাজি লোৱা দলং পৰিদৰ্শন কৰিয়েই দায়িত্ব সামৰিলে পৰমানন্দই

# আজিও মেৰামতি নহ'ল দিমীলা নৈৰ ছিগা মথাউৰি

**ই-সংবাদ, দুনী ২৩ মে':** ২০০৪ চনত ছিপাঝাৰৰ পশ্চিম অঞ্চলৰ দিমীলা নদীৰ পূব দিশৰ মথাউৰিটোৰ দুৰদুৰীয়াৰ সমীপত প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্য সংহাৰী বানে ছিঙি পেলাইছিল। যাৰ ফলত মথাউৰিটোৰ ছিগা অংশৰে নদীখনৰ বাঢ়নী পানী সোমাই দুৰদুৰীয়া-নাওঁপোটা, চমুখা, বগাচলা, ঘোপেলী, গোপালপুৰ, লাউজান, বছাচুবা, পাটগিৰিচুবা, চেঙেলীয়াঝাৰ, বামুণপাৰাকে ধৰি অঞ্চলটোৰ প্ৰায় ১০/১২ খনমান গাঁৱৰ কৃষক ৰাইজৰ খেতি পথাৰ বুৰাই বিনষ্ট কৰাই নহয় কৃষকক জুৰুলাও কৰি আহিছে। এবছৰ, দুবছৰ নহয় সুদীৰ্ঘ ২০ বছৰে অঞ্চলটোৰ কৃষক ৰাইজে বাৰিষাৰ সময়ত পানীৰ সৈতে সহৰস্থান কৰি আহিবলগীয়া হোৱাত দুখ-যন্ত্ৰণাৰ সীমা নোহোৱা হৈ পৰা বুলি জানিব পৰা গৈছে। ইফালে, বাৰিষা সময়ত খেতি পথাৰ দিমীলা নদীৰ পানীয়ে সাগৰ সদৃশভাৱে বুৰাই ৰখাত কৃষক ৰাইজে প্ৰতিটো বছৰে শালিধানৰ খেতি কৰিব নোৱাৰাত জুৰুলা হৈ অৰ্থনৈতিক দুৰ্ভিক্ষৰ কবলত পৰিবলগীয়া হৈছে। বিগত সময়ত ৰাজ্যত বহু চৰকাৰ, জনপ্ৰতিনিধি আহিল আৰু গ'ল যদিও অঞ্চলটোৰ ৰাইজৰ মুখ্য সমস্যাটোৰ ব্যৱস্থা লোৱাৰ আহৰি নহ'ল বুলি অভিযোগ উত্থাপন হৈছে। পাঁচ বছৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বান পৰিস্থিতিৰ বুজ ল'বলৈ চেঙেলীয়াঝাৰলৈ আহোঁতে ৰাইজে দিমীলা নদীৰ মথাউৰিৰ ছিগা অংশখিনি মেৰামতিৰ দাবী উত্থাপন কৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাগৰ মণ্ডলদৈ সংমণ্ডল কাৰ্যবাহী অভিযন্তাক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল। ৰাইজে নিশ্চিতভাৱে আশাবাদী হৈ পৰিছিল যে স্বয়ং মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিলে যেতিয়া এইবাৰ নিশ্চয় মেৰামতি হ'ব। পিছে দিন যোৱাৰ লগে লগে সকলো পাহৰণি হৈ পৰিল। বৰ্তমানৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীও মথাউৰিটোৰ ছিগা অংশত যাতায়াতৰ বাবে ৰাইজে বাঁহৰে সাজি লোৱা দলখন পৰিদৰ্শন কৰে যদিও বিধায়কগৰাকীয়েও এতিয়ালৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। আশ্চৰ্যজনক কথা যে নিৰ্বাচনৰ



সময়ত জনপ্ৰতিনিধিসকলে দিমীলা নদীৰ বানত ছিগা মথাউৰিক লৈ ৰাজনীতি কৰি ৰাইজৰ ভোট আদায় কৰে ঠিকেই, কিন্তু ৰজা হৈয়ে পাহৰি পেলায় সকলো প্ৰতিশ্ৰুতি। এনে সময়ত সমাগত বাৰিষাক লৈ উল্লিখিত অঞ্চলটোৰ কৃষক ৰাইজ পুনৰ বানত ডুবাৰ শংকাত চিন্তিত হৈ পৰিছে। ইফালে, একাংশ লোকে মথাউৰিৰ ছিগা ঠাইখিনি 'হয় পুতি দিয়ক, নতুবা দলং নিৰ্মাণ কৰক' বুলি সজোৰে দাবী জনাইছে।

# ধূপগুৰি প্ৰাথমিক বিদ্যালয়ত 'মাৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচী

**ই-সংবাদ, দুমুনিচকী, ২৩ মে':** ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন ৰোড এন জি অ'ৰ সহযোগত বৃহস্পতিবাৰে ওদালগুৰি জিলাৰ ধূপগুৰি প্ৰাথমিক বিদ্যালয়ত প্ৰাংগণত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ, "মাৰ নামত এজোপা গছ" শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ উপলক্ষে ১০০ জোপা গছ পুলি ৰোপণ কৰা হয়। নাবাৰ্ডৰ দৰং জিলাৰ সহকাৰী মহাপ্ৰবন্ধক গৌৰৱ কুমাৰ ভট্টাচাৰ্য মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ, "মাৰ নামত এজোপা গছ" শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে তেওঁ নাবাৰ্ডক ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত নাবাৰ্ডৰ ওদালগুৰি জিলা উন্নয়ন প্ৰবন্ধক মৌমী খাউণ্ড, গেৰুৱা ভিচিডিচিৰ সভাপতি মংগল সিং ব্ৰহ্ম, দলাকাতি বৰো বজাৰ ভিচিডিচিৰ সভাপতি ৰবীন বসুমতাৰী, প্ৰকল্প কৰ্মী মায়াৰাম বাগলাৰী, ধূপগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আদিয়ে অংশগ্ৰহণ কৰি গছপুলি ৰোপণ কৰে। উল্লেখ্য যে ওদালগুৰি জিলাৰ বিভিন্ন স্থানত সৌন্দৰ্য বৰ্ধনৰ বাবে এই কাৰ্যসূচীত ১০০ জোপা গছ ৰোপণ কৰা হ'ব বুলি নাবাৰ্ডৰ তৰফৰ পৰা জনোৱা হৈছে। গছপুলি ৰোপণ কৰি সুৰক্ষিত কৰি ৰখাত স্বেচ্ছাসেৱী সংগঠন ৰোড এন জিঅ'ই স্থানীয় ৰাইজৰ সহযোগ কামনা কৰে।

# হাউলীত তিনি সৰবৰাহকাৰীসহ ১৩ টা চুৰি কুকুৰ উদ্ধাৰ, বাহন জব্দ

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মে':** বিগত কিছুদিন ধৰি একাংশ দুষ্ট প্ৰকৃতিৰ লোকে পথৰ কুকুৰ ধৰি বহিঃৰাজ্যলৈ সৰবৰাহ কৰি আহিছে। তেনে এক ঘটনা সংঘটিত কৰাৰ সময়তেই হাউলী আৰক্ষীয়ে বিলাসী বাহনেৰে কঢ়িয়াই অনা চোৰাং কুকুৰ ভৰ্তি এখন ছুইফ্ট বাহন জব্দ কৰে। ধৃত সৰবৰাহকাৰী কেইটা কাৰ্বি আংলং জিলাৰ বকলীয়াৰ থমাচ ৰংপি, নিৰঞ্জন ৰংপি আৰু আগাষ্টাইন টাৰ'। নিশাৰ নিয়মীয়া তালাচীৰ সময়তে হাউলী আৰক্ষীৰ জালত পৰে কুকুৰ সৰবৰাহকাৰী চক্ৰটো। নিশা হাউলী চহৰৰ পদপথত ঘূৰি ফুৰা কুকুৰক বিস্কুট খুৱাই বস্তাৰে মেৰিয়াই ছুইফ্ট বাহনত উঠাই পলায়ন কৰাৰ সময়তে আৰক্ষীয়ে খেদি খেদি আটক কৰে চক্ৰটোক। আৰক্ষীয়ে কুকুৰ সৰবৰাহত জড়িত তিনি সৰবৰাহকাৰীক আটক কৰাৰ লগতে ছুইফ্ট বাহনখনৰ পৰা জব্দ কৰে ১৩ টা কুকুৰ। আৰক্ষীয়ে AS-07 Q-4494 ছুইফ্ট বাহনখন জব্দ কৰাৰ লগতে সৰবৰাহকাৰীকেইটা আটক কৰে।কাৰ্বি আংলঙৰ বকলীয়াৰ তিনি যুৱকে এইদৰে পথৰ কুকুৰ ধৰিবলৈ বৰপেটালৈ আহিছিল।

# বৰপেটাৰোডৰ জাখলিবিল পথাৰত অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মে':** বৰপেটাৰোডৰ সমীপৰ জাখলিবিল পথাৰত ধাননি পথাৰৰ মাজত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। মৃতদেহ উদ্ধাৰক লৈ অঞ্চলবাসীৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আজি পুৱা জাখলিবিল পথাৰৰ ধাননি পথাৰৰ মাজত থকা খালৰ পানীত উদ্ধাৰ হয় এটা অৰ্ধগলিত অচিনাক্ত ব্যক্তিৰ মৃতদেহ। ক'লা হাফপেণ্ট আৰু ক'লা গেঞ্জী পৰিহিত মৃত ব্যক্তিগৰাকীৰ পৰিচয় উদ্ধাৰ হোৱা নাই। স্থানীয় লোকে উক্ত ঘটনা প্ৰত্যক্ষ কৰাৰ পিছতেই শিমলাগুৰি আৰক্ষী পহৰা চকীত খবৰ দিয়ে। ঘটনাস্থলীত শিমলাগুৰি আৰক্ষী, গোবৰ্ধনা আৰক্ষী, শলবাৰী আৰক্ষী আৰু বৰনগৰ ৰাজহচক্ৰ বিষয়া নিৰ্মল কুমাৰ শৰ্মাৰ উপস্থিত হয়। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি গোবৰ্ধনা আৰক্ষী থানালৈ নিয়ে। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো মুছলপুৰলৈ প্ৰেৰণ কৰা হয়। অচিনাকি ব্যক্তিগৰাকীক কোনোবাই হত্যা কৰি পেলাই থোৱাৰ সন্দেহ কৰা হৈছে যদিও তদন্তৰ শেষতহে জানিব পৰা যাব এয়া হত্যা নে অন্য কিবা। বাতৰি লিখা সময়লৈকে মৃত ব্যক্তিগৰাকীৰ পৰিচয় উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।

# অৱসৰপ্ৰাপ্ত শিক্ষক মুক্তাৰাম শৰ্মাৰ দেহাৱসান

**ই-সংবাদ, ছিপাঝাৰ, ২৩ মে':** দৰং জিলাৰ ছিপাঝাৰৰ ইতিহাস প্ৰসিদ্ধ ব্যাসপাৰা গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক মুক্তাৰাম শৰ্মাৰ বৃহস্পতিবাৰে নিশা নিজ গৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ শোণিতপুৰ জিলাৰ বৰছলা এম ভি স্কুলৰ পৰা হিন্দী শিক্ষক হিচাপে ১৯৯৫ চনত অৱসৰ গ্ৰহণ কৰি ব্যাসপাৰাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ পৰিছিল। বিশেষকৈ ইয়াৰ স্থানীয় বিষ্ণু মন্দিৰ, ব্যাসপাৰা সংস্কৃত টোল, দুৰ্গা মন্দিৰ, ব্যাসপাৰা প্ৰাথমিক বিদ্যালয়, অধুনালুপ্ত ব্যাসপাৰা সেৱক হাইস্কুল, দেউৰাজ শিৱ মন্দিৰ আদি অনুষ্ঠানত মুক্তাৰাম শৰ্মাৰ অৱদান আছিল অনন্য। জীৱনৰ ৯৪ টা বসন্ত গৰকি পৰলোকলৈ গমন কৰা শৰ্মাই একমাত্ৰ পুত্ৰ তথা সাংবাদিক নিৰঞ্জন শৰ্মা, পাঁচগৰাকী বিবাহিতা জীয়ৰী, বোৱাৰী, নাতি-নাতিনীকে ধৰি অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

# ঐতিহাসিক ধোদৰ আলিৰ দুৰৱস্থা, ৰাইজৰ দুৰ্ভোগ

**ই-সংবাদ, আমগুৰি, ২৩ মে':** আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ দিনতেই ১৬৮১-১৬৯৫ চনত তেতিয়াৰ চদ্মবেশী ধোদসকলৰ দ্বাৰা নিৰ্মাণ কৰা ধোদৰ আলিৰ অৱস্থা বৰ্তমান তথৈবচ হৈ পৰিছে। বৰ্তমান লোকনিৰ্মাণ বিভাগৰ দায়িত্বত থকা ধোদৰ আলিৰ আমগুৰি-চামগুৰিৰ পৰা নামতি চাৰিআলি পৰ্যন্ত বিধস্ত ৰূপে জলাকলা খোৱাইছে পথচাৰীৰ লগতে ধোদৰ আলিৰ দাঁতি-কাষৰীয়া ৰাইজক। ঠিকাদাৰী প্ৰতিষ্ঠান শিৰহালালকা এণ্ড কোম্পানীক দয়িত্ব দিছিল যদিও প্ৰতিষ্ঠানটোৱে অধাতে কাম এৰি পলায়ন কৰাত বিধ্বস্ত ৰূপ লৈছে ৰাজ আলিটোৱে।ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ধোদৰ আলি মেৰামতি কৰাৰ বাবে লোকনিৰ্মাণ বিভাগে নাজিৰাৰ এজন ঠিকাদাৰক প্ৰায় ৭৫ লাখ টকা আবণ্টন দিছিল যদিও মাত্ৰ দুগাৰিমান শিল পেলায়েই ঠিকাদাৰজনে দ্বায়িত্ব সামৰে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। পৰৱৰ্তী সময়ত পুনৰ অন্য এটা প্ৰতিষ্ঠানক পথছোৱা মেৰামতি কামৰ দায়িত্ব অৰ্পণ কৰা হয় যদিও বৰ্তমানলৈকে কাম আৰম্ভ নকৰাত বিপদত পৰিছে এতিয়া পথচাৰীৰ লগতে ধোদৰ আলিৰ দাঁতি-কাষৰীয়া ৰাইজ।

# অভয়াপুৰী বজাৰত ভাঙি পৰিল নিৰ্মীয়মান নলাৰ পকী দেৱাল

**ই-সংবাদ, অভয়াপুৰী, ২৩ মে':** বঙাইগাঁও জিলাৰ অভয়াপুৰী পৌৰসভাৰ অন্তৰ্গত অভয়াপুৰী বজাৰৰ মাজ মজিয়াত নিৰ্মীয়মান নলা এটাৰ পকী দেৱাল কালি বিধ্বস্ত হোৱা কাৰ্যই হতবাক কৰি তুলিছে চহৰবাসীক। জানিব পৰা মতে, ২০১৯-২০ বিত্তীয় বৰ্ষতে প্ৰস্তাৱিত আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত অনুমোদিত চতুৰ্দশ বিত্তীয় আঁচনিৰ অধীনত অভয়াপুৰী বজাৰত পকী নলা নিৰ্মাণৰ বাবে অভয়াপুৰী পৌৰসভাই আঁচনি গ্ৰহণ কৰে। মাছ বজাৰৰ সমীপত চাৰি লাখ চাব্বিশ হাজাৰ টকা ব্যয় সাপেক্ষ আঁচনিখন ৰূপায়ণৰ দায়িত্ব লাভ কৰে ঠিকাদাৰ ৰীতু কুমাৰ দাসে। তিনি ফুট উচ্চতা আৰু দুই ফুট প্ৰস্থৰ পকী নলাটোৰ নিৰ্মাণ কাৰ্য এপযেক পূৰ্বে আৰম্ভ কৰাত অঞ্চলটোৰ ব্যৱসায়ীসকলে বজাৰৰ অতিৰিক্ত পানীভাগ সহজতে নিষ্কাশন হৈ পৰিৱেশ দূষিত হোৱাৰ পৰা কিছু সকাহ পাব বুলি আশা ব্যক্ত কৰিছিল। কিন্তু ৭৫ মিটাৰ দৈৰ্ঘ্যৰ পকী নলাটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই কালি হঠাতে নলাটোৰ এখন পকী দেৱাল সম্পূৰ্ণৰূপে বাগৰি পৰে। অৱশ্যে সৌভাগ্যক্ৰমে কোনো লোকৰ হানি-বিঘিনি নোহোৱাত স্বস্তিৰ নিশ্বাস কাঢ়ে বজাৰখনৰ ক্ৰেতা-বিক্ৰেতাই। জানিব পৰা মতে, আঁচনি অনুসৰি চাৰি ইঞ্চি ডাঠকৈ চিমেণ্ট কংক্ৰিটৰ প্ৰলেপৰ ওপৰত ইটাৰ গাঁথনি থাকিব লাগিছিল যদিও দায়িত্বৰত ঠিকাদাৰে অধিক মুনাফা লুটাৰ বাবে সামান্য প্ৰলেপ দিয়েই অতি নিম্ন মানৰ ইটাৰ গাঁথনি দিয়াৰ পৰিণতিতে বিধ্বস্ত হয় নলাটো। ইয়াৰ পাছতে অভয়াপুৰী পৌৰ সভাই কালিয়েই দায়িত্বৰত ঠিকাদাৰলৈ কৈফিয়ৎ তলব কৰা বুলি জানিব পৰা গৈছে।

# যকৃতৰ গুৰুতৰ ৰোগত আক্ৰান্ত উদীয়মান যুৱক ময়ূৰ গগৈ

## চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী-অসমবাসীলৈ সহায়ৰ আহ্বান

**ই-সংবাদ, মৰিয়নি, ২৩ মে':** চেলেংহাট বৰনগএগ্ৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী ৰঞ্জুলা দাসৰ একমাত্ৰ পুত্ৰ, উদীয়মান যুৱক ময়ূৰ গগৈ বৰ্তমানে যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীস্থ দিছপুৰ পলিক্লিনিকৰ আই চি ইউত বিগত কেইবাদিন ধৰি চিকিৎসাধীন অৱস্থাত আছে। চিকিৎসকৰ মতে, ময়ূৰৰ যকৃত কেৱল ৩০ শতাংশহে কাৰ্যক্ষম হৈ আছে আৰু তেওঁক শীঘ্ৰে যকৃত সংৰোপণ কৰাবলগীয়া হ'ব। এই সংকটজনক চিকিৎসাৰ বাবে প্ৰায় ৫০ ৰ পৰা ৭০ লাখ টকা খৰচ হ'ব বুলি চিকিৎসকে জনাইছে। ইতিমধ্যে চলি থকা ব্যয়বহুল চিকিৎসাই পৰিয়ালটোক সম্পূৰ্ণভাৱে আৰ্থিক সংকটলৈ ঠেলি দিছে। ময়ূৰক পুনৰ সুস্থ কৰি তুলিবলৈ পৰিয়ালটো সকলো সম্ভাৱনামূলক উপায়ৰ সন্ধানত আছে। তেওঁৰ মাতৃ আৰু পত্নীয়ে সামাজিক মাধ্যমৰ জৰিয়তে অসমবাসী, মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ওচৰলৈ কাতৰ অনুৰোধ জনাইছে। সু-হৃদয়ৱান কোনো লোকে ময়ূৰ গগৈক আৰ্থিক সহায় আগবঢ়াব বিচাৰিলে, তেওঁলোকৰ ভাৰতীয় ষ্টেট বেংকত থকা তলত দিয়া একাউণ্ট নম্বৰৰ জৰিয়তে আগবঢ়াব পাৰে: একাউণ্ট নম্বৰ: 30457305421 IFSC কোড: SBIN0001718, Google Pay নম্বৰ: 9859832563।

# বিশেষভাৱে সক্ষম, মুকবধিৰৰ নাম অৰুণোদয়ৰপৰা কৰ্তন কৰাৰ অভিযোগ

**ই-সংবাদ, খাৰুপেটীয়া, ২৩ মে':** ৰাজ্যৰ লাখ লাখ লোকৰ বাবে অসম চৰকাৰৰ এখন অতি গুৰুত্বপূৰ্ণ আঁচনি হৈছে 'অৰুণোদয় আঁচনি'। এই আঁচনিখনৰ যোগেদি ৰাজ্যৰ লাখ লাখ লোকে প্ৰতিমাহে ১২৫০ টকাকৈ লাভ কৰি আহিছে। চৰকাৰে এই আঁচনিখনৰ পৰিসৰ আৰু বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কিন্তু এই লক্ষ্যৰ বিপৰীতে এইবাৰ অৰুণোদয় আঁচনিৰ পৰা বাদ পৰিল দলগাৱঁৰ বহু লোক। আৰম্ভণিৰ পৰাই যিসকল লোকে এই আঁচনিৰ সুবিধা লাভ কৰিছিল এতিয়াৰে পৰা আৰু এইসকলে লাভ নকৰিব অৰুণোদয় আঁচনিৰ সুবিধা। লক্ষণীয় বিষয় যে বিশেষভাৱে সক্ষম, বিধৱা, দুখীয়া, বিবাহ বিচ্ছেদিত মহিলাই অৰুণোদয় আঁচনি লাভ কৰি আহিছে। কিন্তু তাৰ বিপৰীত ছবি দেখা গৈছে দলগাঁও সমষ্টিৰ গলন্দি গাঁও পঞ্চায়তৰ অন্তৰ্গত বাগৰবাৰী গাঁৱত। গাঁওখনৰ একুৰিৰ অধিক দুখীয়া, বিধৱা, বিবাহ বিচ্ছেদিত মহিলা, বিশেষভাৱে সক্ষম আৰু মুকবধিৰ লোকৰ নাম এই আঁচনিৰ তালিকাৰ পৰা কৰ্তন কৰাৰ অভিযোগ উত্থাপিত হৈছে। যাৰ বাবে আজি সকলোৱে একত্ৰিত হৈ তেওঁলোকৰ নাম যাতে কৰ্তন নহয় তাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কৰযোৰে অনুৰোধ জনাইছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## এচিএছ শৰ্মিষ্ঠা বৰাক

এগৰাকী মহিলা এচিএছ বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে ৰাজ্য প্ৰশাসনে। এক নিৰ্দেশনা যোগে এচিএছ বিষয়া শৰ্মিষ্ঠা বৰাক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে প্ৰশাসনে। ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ সাংসদ পুঁজিৰ কেলেংকাৰীত নাম সাঙোৰ খাইছিল এচিএছ বিষয়া শৰ্মিষ্ঠা বৰাৰ নাম। তাৰ পিছতে শৰ্মিষ্ঠা বৰাক তদন্ত প্ৰতিবেদন অনুসৰি চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। আন ৩ গৰাকী বিষয়াক নিলম্বন কৰা হৈছে। ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ সাংসদ পুঁজিৰ ধনৰ কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলাছিল। সমানে ঘোষণা কৰা হৈছিল বিভাগীয় তদন্ত। এই তদন্তৰ অন্তত শৰ্মিষ্ঠা বৰাৰ বিৰুদ্ধে কেলেংকাৰীত জড়িত থকাৰ ব্যাপক তথ্য লাভ কৰে। তথ্য লাভ কৰাত সত্য প্ৰমাণিত হোৱাত বিভাগীয় তদন্ত আৰম্ভ হয়। তাৰ পিছতে বিষয়াগৰাকীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ নিৰ্দেশ দিছে ৰাজ্য চৰকাৰে। দুৰ্নীতিৰ গুৰুতৰ অভিযোগত অভিযুক্ত এচিএছ বিষয়া শৰ্মিষ্ঠা বৰাক ঘটনা সম্পৰ্কত পূৰ্বে কাৰণ দৰ্শোৱাৰ জাননী দিছিল। উত্তৰত সন্তুষ্ট নোহোৱাত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়।

# খাৰুপেটীয়াৰ অচিনতলাত পথে জ্বলা-কলা খুৱাইছে ছাত্ৰ-ছাত্ৰীক



**ই-সংবাদ, খাৰুপেটীয়া, ২৩ মে':** দৰং জিলাৰ খাৰুপেটীয়া নগৰলৈ অহা-যোৱাৰ বাবে চাপৰি অঞ্চলৰ ৰাইজৰ একমাত্ৰ পথ হ'ল জি এন বি ৰোড। চৰ অঞ্চলৰ হাজাৰ হাজাৰ কৃষক ৰাইজ আৰু বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান জলা-কলা খাবলগীয়া হৈছে জি এন বি ৰোডৰ অচিনতলা পথছোৱাৰ বাবে। কাৰণ এজাক বৰষুণতে একাঁঠু পানী জমা হয় পথটোত। কোনো নলা-নৰ্দমা নথকাৰ বাবে একাঁঠু বোকা পানী গছকি দৈনিক বিদ্যালয়লৈ অহা-যোৱা কৰে কৃষক তথা ছাত্ৰ-ছাত্ৰীসকল। কৃষকসকলে অতি কষ্টৰে উৎপাদন কৰা শাক-পাচলি, কৃষি সামগ্ৰী বিক্ৰীৰ বাবে বজাৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব লগা হয়। দীৰ্ঘদিন ধৰি পথছোৱাৰ দুয়োকাষে নলা নিৰ্মাণ নকৰাৰ বাবে বৰ্তমান যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে পথচাৰীসকল। অতি শীঘ্ৰেই পথৰ দুয়োকাষে নলা নিৰ্মাণৰ বাবে নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক দাবী জনাইছে স্থানীয় যুৱকসকলে।

# মঙলদৈ উন্নয়ন প্ৰাধিকাৰীৰ পুনৰ অধ্যক্ষ মনোনীত প্ৰতাপ বৰদলৈ

**ই-সংবাদ, মঙলদৈ-দুনী, ২৩ মে':** ৰাজ্য চৰকাৰে শেহতীয়াভাৱে নগৰ, নিকায় উন্নয়ন প্ৰাধিকাৰীৰ বাবে ঘোষিত তালিকাত দৰং জিলা বিজেপিৰ সভাপতি তথা ক্ৰীড়া সংগঠক, সমাজসেৱী প্ৰতাপ বৰদলৈ মনোনীত হৈছে। মঙলদৈ উন্নয়ন প্ৰাধিকাৰীৰ অধ্যক্ষ হিচাপে বৰদলৈক নিযুক্তি দিয়া হৈছে। লক্ষণীয় যে, মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক হিচাপে সামাজিক জীৱন আৰম্ভ কৰা প্ৰতাপ বৰদলৈ দৰঙৰ ছপা মাধ্যমৰ প্ৰথমগৰাকী সাংবাদিক। মঙলদৈ পৌৰ সভাৰ পৌৰপতিকে ধৰি ভিন্ন পদত কাৰ্যনিৰ্বাহ কৰা বৰদলৈ শেহতীয়াভাৱে দৰং বিজেপিৰ উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে মাজবাটক ধৰি কেবাটাও বিধানসভা সমষ্টিত বিজেপিৰ প্ৰভাৰী হিচাপে দলীয় ভেটি মজবুত কৰাতো নিয়োজিত হৈ আহিছে। এগৰাকী কৰ্মতৎপৰ আৰু মুকলিভাৱে সকলো শ্ৰেণীৰ নাগৰিকৰে সম্পৰ্ক ৰক্ষা কৰি অহা বৰদলৈ মঙলদৈ ক্ৰীড়া সন্থাৰো সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিছিল। মঙলদৈৰ ফুটবল জগতৰ সুপৰিচিত অম্বা মেধি সোঁৱৰণী ফুটবল প্ৰতিযোগিতা বন্ধ হৈ যোৱাৰ পাছত পুনৰ অনুষ্ঠিত কৰা ব্যক্তিজনেই প্ৰতাপ বৰদলৈ। কেৱল নতুন প্ৰাণ দিয়াই নহয়, আৰক্ষী বিষয়া সুশান্ত বিশ্ব শৰ্মাক সভাপতি আৰু বৰদলৈক সম্পাদক হিচাপে গঠিত সমিতিখনেই প্ৰতিযোগিতাত বিদেশী খেলুৱৈ, বহিঃৰাজ্যৰ



দলক জড়িত কৰাত সফল হৈছিল। কৰ্মস্পৃহা আৰু যিকোনো বিষয় উদাৰচিতীয়া মনেৰে বহল পৰিসৰত আয়োজন কৰা বৰদলৈৰ অন্যতম পৰিচয়। মঙলদৈ উন্নয়ন প্ৰাধিকাৰীৰ দৰে গুৰুত্বপূৰ্ণ পদত বৰদলৈ পুনৰ অধিষ্ঠিত হোৱাত জিলা বিজেপি আৰু অগপ দলে আদৰণি জনাইছে। একেদৰে পশ্চিম মঙলদৈ কৃষ্টি সংঘ, ডাঁহী ক্ৰীড়া সন্থা, মঙলদৈ মিডিয়া চাৰ্কোল, দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্থা আদি কুৰিৰোধিক দল-সংগঠনে বৰদলৈক আদৰণি জনাইছে। মন কৰিবলগীয়া যে, মঙলদৈ বিধানসভা সমষ্টি সংৰক্ষণমুক্ত হোৱাৰ পাছত বৰদলৈও বিজেপিৰ অন্যতম দাবীদাৰ হিচাপে চৰ্চিত হৈ আহিছে। স্বাভাৱিকতে বৰদলৈৰ কাম-কাজ তথা সেৱাৰ মনোভাৱেৰে সমাজত কৰা কাম-কাজৰ প্ৰতি এতিয়া সকলোৰে দৃষ্টিনিবদ্ধ হৈছে।

# ২৫ মে'লৈ স্থগিত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বিষয়বাচনি সভা

**ই-সংবাদ, ৰঙিয়া, ২৩ মে':** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশনৰ লগত সংগতি ৰাখি যোৱা ২২ মাৰ্চত অনুষ্ঠিত কৰা বিষয়বাছনি সভাখন পৰৱৰ্তী সময়লৈ স্থগিত ৰখাৰ পৰিপ্ৰেক্ষিতত অহা ২৫ মে'ত পুনৰ অনুষ্ঠিত কৰাৰ বাবে উদ্যোগ গ্ৰহণ কৰা হৈছে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিদায়ী তথা উক্ত দিনাৰ বিষয়বাছনি সভাৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে অসমাপ্ত ঘোষণা কৰি সভা স্থগিত ৰাখিছিল। যাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিখন পুনৰ গঠনৰ লক্ষ্যৰে অহা ২৫ মে'ৰ পুৱা ১১ বজাত ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশনৰ বিষয়বাছনি সভাৰ সভাপতিৰ অনুমোদন মৰ্মে আদৰণি সমিতিৰ লগতে ৰঙিয়া জিলা সমিতিৰ আহ্বানত ৰঙিয়াৰ তৰণীস্থিত আৰিমত্ত ক্ষেত্ৰত অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। বিষয়বাছনি সভাৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে প্ৰেছ বিবৃতিযোগে জনোৱা মতে, অসমৰ প্ৰায় ১৬ খন জিলাৰ প্ৰতিনিধি আৰু বিষয়ববীয়াই উক্ত সভাত অংশগ্ৰহণ কৰিব। উক্ত সভাতে আগন্তুক দ্বি-বৰ্ষৰ বাবে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ এখন শক্তিশালী সমিতি গঠন কৰা হ'ব।

# খেল ইণ্ডিয়া বিচ গেমছত অসমৰ লাকী দাসৰ সাফল্য

**ই-সংবাদ সৰুপথাৰ, ২৩ মে':** ভাৰত চৰকাৰৰ ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত দাদৰা নগৰ হাভেলী আৰু দমন ডিউৰ ঘোগলা বিচত ১৯ৰ পৰা ২৪ মে'লৈ অনুষ্ঠিত প্ৰথম ক্ৰীড়া ইণ্ডিয়া বিচ গেমছ ২০২৫ত অসমৰ হৈ চমক দেখুৱালে সৰুপথাৰৰ মহিলা খেলুৱৈ লাকী দাসে! সৰুপথাৰ সমজিলাৰ চুঙাজানৰ এই খেলুৱৈগৰাকীয়ে অসম পেঞ্চাক চিলাট দলৰ হৈ ৬০-৬৫ কেজি টেণ্ডিং শাখাত ৰূপৰ পদক জয় কৰি অসমৰ বাবে গৌৰৱ কঢ়িয়াই আনে। অসম পেঞ্চাক চিলাট সংস্থাৰ সাধাৰণ সম্পাদক লক্ষ্যজিৎ দলে আৰু সহকাৰী সম্পাদক তথা প্ৰশিক্ষক গগন চন্দ্ৰ বড়োৱে অসম দলক প্ৰশিক্ষণ দি এই ক্ৰীড়া মহোৎসৱত নেতৃত্ব দিয়ে। অসম দলে মুঠ ৬টা পদক জয় কৰে। প্ৰশিক্ষক গগন চন্দ্ৰ বড়োৱে জনোৱা মতে, অসম পেঞ্চাক চিলাট সংস্থা আৰু গোলাঘাট জিলা পেঞ্চাক চিলাট সংস্থাৰ তৰফৰ পৰা লাকী দাসক শুভকামনা জনোৱা হৈছে।

# বি এইচ বি কলেজত যোগ প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, ভৱানীপুৰ, ২৩ মে':** বি এইচ বি মহাবিদ্যালয়ৰ যোগ কোষৰ উদ্যোগত তথা আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু মহিলা কোষৰ যৌথ সহযোগত আজিৰেপৰা এমহীয়া এক যোগ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হৈছে। মহাবিদ্যালয়খনৰ যোগ কোষৰ সমন্বয়ক ড° নমিতা দাস গুৰুণ্ডে আঁতধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰি যোগ প্ৰশিক্ষণ শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ নয়নজ্যোতি দাসে। উদ্বোধক ডঃ দাসে যোগাভ্যাস মানুহৰ শাৰীৰিক আৰু মানসিক প্ৰশান্তিৰ এক উৎকৃষ্ট মাধ্যম বুলি মন্তব্য কৰি যোগাভ্যাসৰ জৰিয়তে কিদৰে নিজকে নিৰোগী কৰি ৰাখিব পাৰি সেয়া উল্লেখ কৰে। মহাবিদ্যালয়খনৰ প্ৰচাৰ কোষৰ সমন্বয়কৰ শলাগৰ শৰাইৰে সামৰণি পৰা অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। যোগ কোষৰ সদস্যসকলে এই যোগ কৰ্মশালাখন আজিৰেপৰা ২১ জুন পৰ্যন্ত চলিব বুলি জানিবলৈ দিছে।



আইপিএল ২০২৫: ৰয়েল চেলেঞ্জাৰ্জ বাংগালুৰুৰ বিৰুদ্ধে দৰ্শনীয় ইনিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ঈশান কিষাণৰ

## গুৱাহাটীত সদৌ অসম আন্তঃজিলা মাষ্টাৰ্ছ প্ৰতিযোগিতাৰ আয়োজন

# পাৱাৰ লিফটিঙত সোণৰ পদক অৰ্জন কাকপথাৰৰ হিৰুজ শইকীয়াৰ

**ই-সংবাদ কাকপথাৰ, ২৩ মে:** অদম্য সাহস আৰু প্ৰবল ইচ্ছাশক্তিৰে অসম্ভৱক সম্ভৱ কৰি তুলিলে কাকপথাৰৰ যুৱক হিৰুজ শইকীয়াই! অসম পাৱাৰ লিফটিং এছ'চিয়েশ্যনৰ তত্বাৱধানত কামৰূপ গ্ৰাম্য পাৱাৰ লিফটিং এছ'চিয়েশ্যনৰ উদ্যোগত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ত্ৰয়োদশ সদৌ অসম আন্তঃজিলা মাষ্টাৰ্ছ পুৰুষ-মহিলা ক্লাছিক পাৱাৰ লিফ্টিং চেম্পিয়নশ্বিপ ২০২৪-২৫ত কাকপথাৰ এছ কে এম ফিটনেছ ক্লাব ইউনিচেক্স জিমৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি ৫৯ কেজি বিভাগত সোণৰ পদক জয় কৰিলে হিৰুজ শইকীয়াই। এই সাফল্যৰ পিছত কাকপথাৰ এছ কে এম ইউনিচেক্স শৰীৰ চৰ্চা কেন্দ্ৰৰ সদস্যসকলৰ লগতে কাকপথাৰৰ ক্ৰীড়াপ্ৰেমী ৰাইজ উৎফুল্ল হৈ পৰে। হিৰুজক এছ কে এম ইউনিচেক্স শৰীৰ চৰ্চা কেন্দ্ৰত বিভিন্ন দল-সংগঠন আৰু শৰীৰ চৰ্চা কেন্দ্ৰৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া জিলাৰ কাকপথাৰৰ এই যুৱকে সোণৰ পদক জয় কৰি কাকপথাৰ তথা গোটেই জিলাৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। এই জয়ৰ পিছত তেওঁ এতিয়া ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে।

# নগাঁৱত আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰকৰ চেমিনাৰ আৰু পৰীক্ষা আৰম্ভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ মে':** সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনৰ উদ্যোগত আৰু অসম জিমনাষ্টিকছ সংস্থাৰ ব্যৱস্থাপনাত নগাঁৱত আজিৰে পৰা ২৬ মে'লৈকে ১৬ সংখ্যক ২০২৫-২০২৮ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ "মেগ" ( MAG ) আৰু "ৱাগ" (WAG )ৰ বিচাৰকৰ বাবে চেমিনাৰ আৰু পৰীক্ষা অনুষ্ঠিত হ'ব। নগাঁও ক্ৰীড়া সংস্থাৰ স্প'ৰ্টছ ক্লাব পেভিলিয়নৰ প্ৰেক্ষাগৃহত হ'বলগীয়া পুৰুষ আৰু মহিলাৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰকৰ বাবে প্ৰথম দুদিন চেমিনাৰ আৰু অন্তিম দিনাখন বিচাৰকৰ পৰীক্ষা অনুষ্ঠিত হ'ব। পোনপ্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত হ'বলগীয়া এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰকৰ চেমিনাৰ আৰু পৰীক্ষাত আন্তঃৰাষ্ট্ৰীয় বিচাৰক কে ভৰতৰাজা আৰু সঞ্জীৱনী পূৰ্ণপাত্ৰে উপস্থিত থাকিব। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিচাৰকৰ পৰীক্ষাৰ্থীসকল ইতিমধ্যে আজি সন্ধিয়া নগাঁৱত উপস্থিত হৈছেহি বুলি অসম জিমনাষ্টিকছ সংস্থাৰ সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই জানিবলৈ দিয়ে। উল্লেখ্য যে, দেশৰ বিভিন্ন প্ৰান্তৰ পৰা দুকুৰিৰো অধিক পৰীক্ষাৰ্থীয়ে এই চেমিনাৰ তথা পৰীক্ষাত যোগদান নিশ্চিত কৰিছে।

# এন এছ এৰ দুগৰাকী ক্ৰিকেটাৰ নিলম্বিত

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ মে':** নগাঁও ক্ৰীড়া সংস্থা ( এনএছএ) ৰ দুগৰাকী ক্ৰিকেট খেলুৱৈয়ে সংস্থাৰ সংবিধানৰ নীতি-নিয়ম ভংগ কৰি নিয়মানুৱৰ্তিতা বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱাৰ বাবে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ নিলম্বিত কৰা হয়। বৃহস্পতিবাৰে সংস্থাৰ স্প'ৰ্টছ ক্লাব পেভিলিয়নৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সমিতিৰ সভাত সৰ্ব্বসন্মতিক্ৰমে এই সিদ্ধান্ত লোৱা হয়। সভাত বিতংভাৱে আলোচনাৰ অন্তত সংস্থাৰ পঞ্জীয়নভুক্ত ছিনিয়ৰ ক্ৰিকেট খেলুৱৈ জাকিৰ আলীক আজীৱনৰ বাবে বহিষ্কাৰ আৰু আন এজন ছিনিয়ৰ ক্ৰিকেট খেলুৱৈ হুমায়ুন ৰচিদ আহমেদক তিনি বছৰৰ বাবে সংস্থাৰ পৰা খেলুৱৈৰূপে নিলম্বিত কৰা হয়।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি